আত্মশিকন সামগ্ৰী

# সমাজতত্ত্ব

# SOCIOLOGY

**Course : SOC-301**

# সমাজতাত্ত্বিক চিন্তাধাৰা

# SOCIOLOGICAL THOUGHTS

**BLOCK -1 & 2**

Director of DistanceEducation
Dibrugarh University
DIBRUGARH-786004

# SOCIOLOGY

**Course : SOC-301**

# সমাজতাত্বিক চিন্তাধাৰা

# SOCIOLOGICAL THOUGHTS

**Contributor ::**

Dr. Bipul Kumar Gogoi
Associate Professor
Department of Sociology
Demow College
Sibsagar, Assam

**Editor :** Dr. Sarat Chandra Sarma
Honorary Teacher
Directorate of Distance Education,
Dibrugarh University

@ Copy right reserved by Directorate of Distance Education, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form or by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Directorate of Distance Education, Dibrugarh University by the Director, DDE, DU and printed at Parash Printings, Dibrugarh-1

**Ackowledgement**

The Director of Distance Education, Dibrugarh University duley acknowledges the financial assistance from the Distance Education Council IGNOU, New Delhi for preparation of this Self Learning Material.

# SOCIOLOGY

## Course : SOC-301

# সমাজতাত্ত্বিক চিন্তাধাৰা

# SOCIOLOGICAL THOUGHTS


| | | পৃষ্ঠা |
|---|---|---|
| খণ্ড ১ | ঃ সমাজতাত্ত্বিক চিন্তাধাৰৰ উদয় আৰু বিকাশ | ২-৪০ |
| গোট ১ | ঃ সমাজতত্ত্বৰ অভ্যুদয় ঃ এক চমু ঐতিহাসিক পটভূমি | ৩-১৯ |
| গোট ২ | ঃ শিৰোনাম ঃ অগষ্ট ক'টৰ মূল ভাৱাদৰ্শ আৰু বৰঙনি-ত্ৰিস্তৰীয় বিধি | ২০-৩১ |
| গোট ৩ | ঃ শিৰোনাম ঃ অগষ্ট ক'টৰ মূল ভাৱাদৰ্শ আৰু বৰঙনি ঃ বিজ্ঞানৰ সংস্তৰণ | ৩২-৪০ |
| খণ্ড ২ | ঃ হাৰ্বাৰ্ট স্পেন্‌চাৰ | ৪১-৬১ |
| গোট ঃ ১ | শিৰোনাম ঃ সামাজিক বিৱৰ্তন | ৪২-৫২ |
| গোট ঃ ২ | শিৰোনাম ঃ সামাজিক অংগীবাদ | ৫৩-৬১ |

## পাঠ্যপুথিৰ পৰিচয় (Course Introduction)

সমাজতত্ত্বৰ এই পুথিখনি ডিব্ৰুগড় বিশ্ববিদ্যালয় দূৰ-শিক্ষা ব্যৱস্থাৰ অন্তৰ্গত স্নাতক মহলাৰ তৃতীয় বাৰ্ষিক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰস্তুত কৰা হৈছে। সমাজতত্ত্বৰ পিতৃস্বৰূপ ধ্ৰুপদী সমাজতাত্ত্বিক তথা সমাজবিজ্ঞানী অগষ্ট ক'টৰ চিন্তাৰ বৰঙনিৰ এক সম্যক আলোচনাৰে এই পুথিখন প্ৰস্তুতকৰা হৈছে ।

পুথিখনি পাঁচোটা খণ্ডত ভাগ কৰি প্ৰতিটো খণ্ডত পাঠ্যসূচী অনুসৰি গোট হিচাপে আলোচনা কৰা হৈছে। ক্ৰম অনুসৰি খণ্ডসমূহৰ শিৰোনাম বিলাক হ'ল-

১) সমাজতাত্ত্বিক চিন্তাধাৰাৰ উদয় আৰু বিকাশ
২) হাৰ্বাৰ্ট স্পেন্‌চাৰ
৩) ইমাইল দুৰখেইম
৪) কাৰ্ল মাৰ্ক্স
৫) মেক্স ৱেবাৰ

## খণ্ড - ১

# সমাজতাত্ত্বিক চিন্তাধাৰৰ উদয় আৰু বিকাশ

**(মূল্যাংকন - ২০)**

## প্ৰস্তাৱনা

এই খণ্ডটি সমাজতাত্ত্বিক চিন্তাধাৰা পাঠ্যক্ৰমৰ প্ৰথম পাঠ্য খণ্ড। খণ্ডটিক দুটা গোটত ভাগ কৰা হৈছে।

প্ৰথম গোটটিত (গোট নং ১) সমাজতত্ত্বৰ জন্ম আৰু অভ্যুদয়ৰ লগত জড়িত হৈ থকা বিভিন্ন দিশ সমূহৰ সম্যক ধাৰণা দাঙি ধৰা হৈছে। লগতে সামৰণি, পাঠ্য নিৰ্দেশনা, প্ৰসঙ্গ পুথিৰ তালিকা আদি দিয়া হৈছে।

দ্বিতীয় গোটটিত (গোট নং ২) সমাজতত্ত্বৰ প্ৰতিষ্ঠাতা আগষ্ট ক'টৰ অন্যতম বৰঙণি ত্ৰিস্তৰীয় নীতি আৰু বিজ্ঞানৰ সংস্তৰণৰ বিষয়ে আলোচনা কৰা হৈছে।লগতে প্ৰথম গোটটিৰ দৰে আত্মমূল্যায়নৰ প্ৰশ্ন, আলোচনাৰ সমৰণি, পাঠ্য নিৰ্দেশনা, প্ৰসঙ্গ পুথিৰ তালিকা আদি আগবঢ়োৱা হৈছে।

## গোট ঃ ১

# সমাজতত্ত্বৰ অভ্যুদয় ঃ এক চমু ঐতিহাসিক পটভূমি

( EMERGENCE OF SOCIOLOGY : A BFIEF HISTORICAL BACKGROUND )

### গঠন-বিন্যাস

১.০ উে শ্য

১.১ প্ৰস্তাৱনা

১.২ সামাজিক চিন্তাৰ অৰ্থ

১.৩ সামাজিক চিন্তাৰ পৰা সমাজতাত্ত্বিক বিকাশ

l আত্মমূল্যায়নৰ প্ৰশ্ন

১.৪ সমাজতত্ত্বৰ জন্ম

১.৪.১ সমাজতত্ত্বৰ জন্মৰ প্ৰধান ঐতিহাসিক কাৰক সমূহ

১.৪.২. সমাজতত্ত্বৰ সংজ্ঞা

১.৪.৩. সমাজতত্ত্বৰ সাধাৰণ অৰ্থ

l আত্মমূল্যায়নৰ প্ৰশ্ন

১.৫ সমাজতত্ত্ব আৰু প্ৰত্যক্ষবাদ

১.৫১ প্ৰত্যক্ষবাদৰ অৰ্থ

১.৫.২ সমাজতত্ত্বৰ অধ্যয়ন প্ৰনালী

l আত্মমূল্যায়নৰ প্ৰশ্ন

১.৬ সামৰণি

(১) ঘাই শব্দসমূহ

(২) পাঠ্য নিৰ্ে শনা

(৩) আৰ্হি প্ৰশ্ন

## ১.০ উদ্দেশ্য

এই পাঠটি অধ্যয়ন কৰাৰ পাছত তোমালোকে তলত দিয়া দিশকেইটা বুজিবলৈ সমৰ্থ হ'বা।

(ক) সমাজতত্ত্ব জন্মৰ বিষয়ে অৱগত হৈ নিজে লিখিব পাৰিবা।

(খ) সামাজিক চিন্তাৰ পৰা সমাজতাত্ত্বিক চিন্তাৰ বিকাশৰ বিষয়ে স্পষ্ট ধাৰণা লৈ কথা বিলাক লিখিব পাৰিবা।

(গ) সমাজতত্ত্ব জন্মৰ ঐতিহাসিক কাৰকসমূহক চিনাক্ত কৰি লিখিব আৰু ব্যাখ্যা কৰিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা

তোমালোকে নিশ্চয় জানা যে পোন্ধৰ আৰু ষোল্ল শতিকাত প্ৰাকৃতিক জগত সম্পৰ্কীয় ভিন ভিন নতুন তথ্যৰ আবিস্কাৰ হ'ল । তথ্যৰ ওপৰত আৰোপিত যুক্তিৰ ব্যাখ্যাই এক নতুন মাত্ৰা লাভ কৰিলে। লাহে লাহে সমাজ সম্পৰ্কীয় চিন্তাত বিশেষভাৱে বৈজ্ঞানিক চিন্তা-চৰ্চাৰ সূত্ৰপাত হ'ল।

এসময়ত ইউৰোপ মহাদেশৰ ফ্ৰান্সত সংঘটিত হ'ল ফৰাচী বিপ্লৱ । ফ্ৰান্সৰ ৰাজনৈতিক বিপ্লৱে সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলালে। ইংলণ্ড ব্যৱসায় বানিজ্যত আগবঢ়া আছিল। প্ৰযুক্তিৰ নতুন নতুন কৌশল প্ৰয়োগেৰে শিল্প বানিজ্যত ইংলণ্ডত শিল্প বিপ্লৱ ঘটিলে। অৰ্থনৈতিক ক্ষেত্ৰত অভুত পূৰ্ব আলোড়নৰ সৃষ্টি হ'ল। এনেধৰণৰ ঘটনাপ্ৰবাহে কেৱল ইউৰোপতে নহয় বৰঞ্চ সমগ্ৰ বিশ্বতে ইতিবাচক ক্ষেত্ৰৰ লগতে নেতিবাচক ক্ষেত্ৰৰো সৃষ্টি কৰিলে। এটা উদাহৰণ দাঙি ধৰিছো। অৰ্থনৈতিক পৰিবৰ্তনত শিল্প-বিপ্লৱে অভাৱনীয় বৰঙনি যোগালে যদিও তৎকালিকভাৱে অনেক ধৰণৰ সামাজিক সমস্যাৰো সৃষ্টি কৰিলে। যেনে যন্ত্ৰ নিৰ্ভৰ কল-কাৰখানাত কম বনুৱাক কামত ৰখাৰ ফলত গৰিষ্ঠসংখ্যকৰ কামৰ পৰা অব্যাহতি, যাৰ ফলত সৃষ্টি হ'ল নিবনুৱা সমস্যা ইত্যাদি। এনেদৰে সৃষ্টি হোৱা সামাজিক সমস্যাবোৰৰ ফলত কিছুমান প্ৰশ্নৰ অৱতাৰণা হ'ল। যেনে, এই সমস্যাবোৰৰ প্ৰকৃতি কেনেধৰণৰ, সমস্যাসমূহক কিদৰে নিৰাময় কৰিব পাৰি, ভাগি পৰা সমাজবোৰক কেনেদৰে পুনৰ গঠন কৰি প্ৰগতিমুখী কৰিব পাৰি ইত্যাদি।

উপৰোক্ত আৰ্থ-সামাজিক পট-ভূমিত জন্ম হ'ল এক নতুন সমাজবিজ্ঞানৰ, যাক নামকৰণ কৰা হ'ল সমাজতত্ত্ব (Sociology)বুলি । মানুহৰ আচৰণ, সামাজিক সম্বন্ধ সামাজিক ক্রিয়া, সমাজ পদ্ধতি ইত্যাদি বিষয়বস্তু অধ্যয়ন কৰাৰ উ  শ্যৰে ই উদয় হ'ল । ফ্রান্সৰ সমাজ দাৰ্শনিক আগষ্ট ক'টে (Auguste Comte, 1798-1857) সমাজতত্ত্ব (Sociology) নামৰ এই নতুন বিষয়টি দাঙি ধৰাৰ বাবে তেখেতক সমাজতত্ত্বৰ পিতৃ বুলি অভিহিত কৰা হয়। প্রত্যক্ষবাদী (Positivistic) দৰ্শনৰ সহায়ত তেখেতে সমাজতত্ত্বৰ বিষয়বস্তু সমূহৰ ব্যাখ্যা আগবঢ়াইছিল। তেখেত পূৰ্ব্বসূৰী চেইন্ট চাইমনৰ (Saint Simon) দৰ্শনৰ দ্বাৰাও প্ৰভাবান্বিত হৈছিল। সি যি কি নহওক সমাজতত্ত্ব প্ৰতিষ্ঠাৰ প্ৰাৰ  ক পৰ্যায়ত অৱদান আগবঢ়োৱা হাৰ্বাৰ্ট স্পেনচাৰ (Herbert Spencer, 1820-1903) ৰ নাম সুঁৱৰিব লাগিব। সমাজতত্ত্ব প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ধ্ৰুপদী (Classical) সমাজতাত্ত্বিক ইমাইল দুৰ্খেইমৰ (Emile Durkheim, 1858-1917) নামো বিশেষ ভাৱে উল্লেখ কৰিব পাৰি। আনুষ্ঠানিক শিক্ষাৰ বিষয় হিচাপে তেখেত পাঠদানত বাটকটীয়া আছিল। সমাজতত্বৰ অভ্যুদয়ৰ বিষয়ে বুজিবলৈ তোমালোকে ক'জাৰৰ Masters of Sociological Thought, মাৰ্টিণ্ডেলৰ The Nature & Types of Sociological Theoryআদি গ্ৰন্থ অধ্যয়ন কৰিলে অধিক জানিব পাৰিবা।

## ১.২ সামাজিক চিন্তাৰ অৰ্থ

তোমালোকে নিশ্চয় অনুমান কৰিব পাৰিছা যে সমাজৰ বিষয়ে সবিশেষ ভাৱে কেতিয়াৰ পৰা অধ্যয়নৰ প্ৰক্ৰিয়া আৰ  হ'ল তাক কোৱা কঠিন । পৰিয়াল লৈ দলবদ্ধ জীৱন ধাৰণ কৰাৰ পদ্ধতিৰ মাজতে সামাজিক ধাৰণাৰ উৎস লুকাই আছিল বুলিও কব পাৰি। সময়ৰ অগ্ৰগতিৰ লগে লগে মানৱ মনৰ চিন্তাই নতুন নতুন ৰূপ ধাৰণ কৰি আহিছে। জীৱন ধাৰণ কৰাৰ প্ৰণালীক সহজৰ পৰা সহজতৰ কৰাৰ প্ৰয়াস মানুহে যুগ যুগ ধৰি কৰি আহিছে। ফলত গঢ় লৈ উঠিছে সভ্যতা। মানৱ সভ্যতাৰ প্ৰাচীন মহাকাব্য, আৰু ধৰ্ম্মগ্ৰন্থ আদি অধ্যয়ন কৰিলে সেই সমাজৰ চিন্তাধাৰা, জীৱন প্ৰণালী আদিৰ কথা আমি জানিব পাৰো। খৃষ্টপূৰ্ব্বৰ সহস্ৰাধিক বছৰৰ আগতেই গঢ়লৈ উঠা সিন্ধু নদীৰ উপত্যকাৰ মহেঞ্জোদাৰো আৰু হৰপ্পাৰ সভ্যতাই উন্নত সামাজিক চিন্তাৰ নিদৰ্শন দাঙি ধৰে। সি যি কি নহওক, সামাজিক চিন্তা (Social thought )ৰ সাধাৰণ অৰ্থ হৈছে ই সমাজ আৰু সামাজিক জীৱন সম্পৰ্কে গঢ় লৈ উঠা ধাৰণাৰ ধাৰাবাহিকতা।

## ১.৩ সামাজিক চিন্তাৰ পৰা সমাজতাত্ত্বিক চিন্তাৰ বিকাশ

ইতিমধ্যে তোমালোকৰ লগত সামাজিক চিন্তাৰ বিষয়ে আলোচনা কৰা হ'ল। প্ৰাচীন কালৰ পৰাই দাৰ্শনিক আৰু চিন্তাশীল ব্যক্তিসকলে সামাজিক চিন্তাৰ (Social thought) ক্ষেত্ৰত অনেক বৰঙনি আগবঢ়াই আহিছে। এই ক্ষেত্ৰত গ্ৰীকসকলৰ দৰ্শন প্ৰানিধানযোগ্য। গ্ৰীক ছোফিষ্টসকলে দৰ্শনক মানৱমুখী কৰিছিল। গ্ৰীক দাৰ্শনিক ছক্ৰেটিছে (Socretes 470-400 B.G.) গ্ৰীক দৰ্শনক এক নতুন ৰূপ দিছিল । জ্ঞান আৰু নৈতিক জগত সম্পৰ্কে ছোফিষ্ট সকলে আগবঢ়োৱা বহু নেতিবাচক ধাৰণাৰ বিৰুদ্ধাচৰণ কৰি ছক্ৰেটিছে ভাৱজগতত শৃংখলা আনিবলৈ চেষ্টা কৰিছিল। তেখেতৰ মতে মানুহে বস্তুনিষ্ঠ জ্ঞান (Objective knowledge) অৰ্জন কৰাটো নিতান্তই প্ৰয়োজনীয়। প্ৰত্যয়ৰ দ্বাৰা আৰ্জিত বস্তুনিষ্ঠ জ্ঞানৰ জৰিয়তে বিশ্বজগতৰ চৰম সত্ত্বা আৰু নৈতিক জগতৰ চৰম মানক উপলি কৰিব পাৰি।

চক্ৰেটিছৰ সুযোগ্য শিষ্য প্লেটোৱে ( Plato,420-347 B.C) কথোপকথনৰ ভংগীৰে কেইবাখনো সংলাপ গ্ৰন্থ (Dialogue) ৰচনা কৰে। এই সমূহৰ ভিতৰত ৰিপাব্লিক (Republic) অন্যতম । তেখেতে সামাজিক জৈৱিক (Social Organic), সামাজিক বিবৰ্তন (Social Evolution) আদি ধাৰণাৰ ওপৰত আলোচনা কৰিছিল। গ্ৰীক দৰ্শনৰ অন্য এজন মহান দাৰ্শনিক হৈছে এৰিষ্টটল (Aristotle, 384-322 B.C.) । তেওঁ পোন প্ৰথমে মত প্ৰকাশ কৰি কৈছিল যে মানুহ হৈছে সামাজিক জীৱ। মানুহৰ সামাজিক প্ৰকৃতি, সামাজিক বিবৰ্তন আদিৰ ওপৰত এৰিষ্টলে বিশ্লেষণ আগবঢ়াইছে। তেখেতৰ দুখন ধ্ৰুপদী গ্ৰন্থ হৈছে Ethics and Politics আৰু Poetics । এৰিষ্টলে অধ্যয়নৰ প্ৰণালী হিচাপে পৰ্য্যবেক্ষনৰ (Observation) বিষয়ে উল্লেখ কৰিছিল । তেওঁ অধ্যয়নৰ জৰিয়তে যুক্তিৰ (reason) অৱতাৰণা কৰি সামাজিক ঘটনাৰ সম্পৰ্কে তথ্যমূলক বিশ্লেষণ আগবঢ়াইছিল । এনেধৰণৰ বিশ্লেষণে পৰৱৰ্তী কালত সামাজিক চিন্তাৰ বিকাশত বিশেষ অৰিহণা যোগাইছে। উদাহৰণস্বৰূপে এৰিষ্টটলৰ বিবৰ্তন সম্পৰ্কীয় ধাৰণাই পিছৰ কালত হেগেলৰ (Hegel 1770-183) ভাৱবাদত (idealism) বহু পৰিমাণে প্ৰভাৱ পেলাইছে বুলি পণ্ডিতসকলে কব খোজে । সি যি কি নহওক, তলত তোমালোকৰ বাবে সামাজিক চিন্তাৰ ক্ৰমবিকাশৰ কিছুমান উদাহৰণ দাঙি ধৰা হৈছে ।

ধৰ্মতত্ত্ব (theology), ৰাজনৈতিক দৃষ্টিকোন আদিৰ জৰিয়তে ভিন ভিন দাৰ্শনিকে তেওঁলোকৰ মতামত তথা বিশ্লেষণ দাঙি আহিছে । উদাহৰণ স্বৰূপে চেইন্ট থমাচ

একুইনাচে (1225-1274) ধৰ্মতত্ত্বৰ সহায়ত মানুহৰ নৈতিক শুদ্ধতাৰ দ্বাৰা সামাজিক হোৱাৰ উপায়ৰ কথা কৈছেল। ৰাজনৈতিক দৃষ্টিকোনেৰে মেকিয়াভেলি নামৰ দাৰ্শনিক গৰাকীয়ে ভিনভিন পৰিবেশত কেনেধৰণৰ ৰাজনৈতিক ব্যৱস্থাই সামজলৈ সুখ-সমৃদ্ধি আনিব পাৰে তাৰ ওপৰত চিন্তা-চৰ্চা আগবঢ়াইছিল। ১৬ শতিকাত সামাজিক প্ৰগতিৰ (Social Progress)ধাৰণাই সামাজিক চিন্তাৰ জগতত নতুন চৰ্চাৰ বাট মুকলি কৰে। সামাজিক প্ৰগতিৰ অৰ্থ হ'ল মানুহে চিন্তা আৰু প্ৰচেষ্টাৰ জৰিয়তে জীৱনৰ মানদণ্ড উন্নীত কৰা।

সোতৰ-ওঠৰ শতিকাৰ ইংৰাজ দাৰ্শনিক থমাচ হবচ, জন ল'ক, ডেভিদ হিউম, আদম স্মিথ, আদম ফাৰ্গুছন আদিয়ে ব্যক্তি আৰু সমাজৰ পাৰস্পৰিক সম্বন্ধৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁলোকৰ চিন্তা-চৰ্চা আগবঢ়াইছিল। সাধাৰণ অৰ্থত তেওঁলোকে ব্যক্তিবাদত (Individualism) প্ৰধান্য আৰোপ কৰি সমাজৰ সম্বন্ধবিলাকক সামাজিক চুক্তিৰ (Social Contract) ফলশ্ৰুতি বুলি অভিহিত কৰিছিল। ছাৰ ফ্ৰেন্সিচ বেকনে (Sir Francis Bacon,1561-1626) আগবঢ়োৱা পৰিসংখ্যামূলক পদ্ধতিক সমাজ বিজ্ঞানীসকলে ভিন ভিন সিদ্ধান্ত গঠনত প্ৰয়োগ কৰিবলৈ ধৰিলে । উইলিয়াম পেটি, জন গ্ৰান্ট, গ্ৰেগৰী কিং, এডমাণ্ড হেল্লী আদি সমাজ বিজ্ঞানী সকলে সোতৰ শতিকাত জনসংখ্যা বিজ্ঞানৰ (Demography)আধাৰ স্থাপন কৰে আৰু সংখ্যাগত অনুসন্ধান প্ৰণালীৰ পৰিবৰ্ধন কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

ওঠৰ শতিকাত ইউৰোপ মহাদেশত এডমাণ্ড বাৰ্কে, লুইচ ডে ডনাল্ড, জচেফ ডে মইষ্ট্ৰি আদি সমাজবিজ্ঞানী সকলে মত পোষণ কৰিছিল যে সমাজ হৈছে নিজস্ব আভ্যন্তৰীণ সূত্ৰৰ দ্বাৰা পৰিচালিত হৈ থকা একপ্ৰকাৰৰ জৈৱিক সমষ্টি। অন্য এক শ্ৰেণীৰ দাৰ্শনিক যেনে জেৰেমী বেন্থাম, জেমচ মিল আদিয়ে মত পোষণ কৰিছিল যে সমাজত শ্ৰেণী ব্যৱস্থা এক স্বাভাৱিক প্ৰক্ৰিয়াৰ ফলতে সৃষ্টি হয়। চেইন্ট চাইমন (1760-1825), ৰবাৰ্ট ৱেন, চাৰ্লছ ফ'ৰিয়েৰ আদিৰ দৰে চিন্তাবিদে দৰ্শনত বৈজ্ঞানিক চৰিত্ৰৰ লগতে প্ৰত্যক্ষবাদৰ পোষকতা কৰিছিল।

ইতিমধ্যেই আমি উল্লেখ কৰিছো যে ফৰাচী বিপ্লৱ আৰু শিল্প বিপ্লৱৰ ফলত সেইসময়ৰ ইউৰোপীয় সমাজবোৰত প্ৰচণ্ড আলোড়নৰ সৃষ্টি হ'ল। এই ঘটনাসমূহে সামাজিক প্ৰগতিত অভাৱনীয় বৰঙনি যোগালে যদিও অনেকধৰণৰ সামাজিক সমস্যাৰো সৃষ্টি কৰিলে। যেনে সামাজিক শ্ৰেণী বৈষম্য অধিক পৰিমাণে বাঢ়িল, নিবনুৱা সমস্যা তথা দৰিদ্ৰতাৰ মাত্ৰা বাঢ়িল, অনেক ধৰণৰ অপৰাধ আৰু অসামাজিক ক্ৰিয়া কলাপকে ধৰি বহু ধৰণৰ সামাজিক সমস্যাৰ সৃষ্টি হ'ল। এনেধৰণৰ সামাজিক পটভূমিতে

সমাজৰ বিষয়ে বৈজ্ঞানিক পদ্ধতিৰে অধ্যয়ন কৰাৰ নতুন দৰ্শন, প্ৰত্যক্ষবাদৰ (Positivism) সৃষ্টি হয় । প্ৰত্যক্ষবাদী দৰ্শনৰ পৃষ্ঠ পোষকতা কৰি অগষ্ট ক'টে দাঙি ধৰা সমাজতত্বই সময়ৰ অগ্ৰগতিৰ লগে লগে ভিন ভিন দৃষ্টিকোনৰ সহায়ত সমাজৰ বিভিন্ন দিশবিলাকক অধ্যয়ন কৰাৰ ধাৰাবাহিকতা আৰ হ'ল ।

---

**• আত্মমূল্যায়নৰ প্ৰশ্ন**

---

(১) সামাজিক চিন্তা বুলিলে কি বুজা ?

________________________________________

________________________________________

________________________________________

(২) সামাজিক চিন্তাৰ পৰা সমাজতাত্বিক চিন্তাৰ বিকাশৰ ওপৰত চমুকৈ আলোচনা কৰা।

________________________________________

________________________________________

________________________________________

(৩) সমাজতত্বৰ পিতৃ হিচাপে অগষ্ট ক'টক কিয় জনা যায় ?

________________________________________

________________________________________

________________________________________

## ১.৪ সমাজতত্ত্বৰ জন্ম

অতি প্ৰাচীন কালৰ পৰাই সমাজৰ বিষয়ে ভিন ভিন ধাৰণা গঢ়লৈ উঠিছে। সময়ৰ লগে লগে এই ধাৰণাসমূহত পৰিবৰ্তনো হৈছে। পুৰণি ধাৰণাৰ ওপৰত নতুন ধাৰণা গঢ় লৈছে । আমি প্ৰাচীন গ্ৰীক দৰ্শনৰ কথা উনুকিয়াব পাৰো। চক্ৰেটিছ, প্লেটো, এৰিষ্টটল আদিৰ দৰে গ্ৰীক মনিষীৰ সমাজ সম্পৰ্কীয় চিন্তাৰ অৱদান সমূহে আজিও নতুন নতুন চিন্তাৰ বাট উলিয়াই আছে।

বিজ্ঞানৰ জগতত হোৱা নতুন নতুন আৱিষ্কাৰ সমূহে ধাৰণাত্মক মানৱ চিন্তাক পৰিধিৰ পৰা ওলাই আহি বাস্তৱ সত্য আৰু প্ৰমানৰ আধাৰত প্ৰতিষ্ঠা হোৱাৰ পথ মোকলাই দিলে । উদাহৰণ স্বৰূপে কপাৰনিকাচ, গেলিলিঅ' আৰু নিউটনৰ দৰে মহান বিজ্ঞানীৰ অৱদানসমূহে মানৱ চিন্তাক ধাৰণাত্মক (impressionist) অৱস্থাৰ পৰা বাস্তৱ সত্য আৰু প্ৰমাণৰ প্ৰতি ধাৱিত কৰালে। মানসিক চিন্তাৰ এক নতুন আধাৰ প্ৰত্যক্ষবাদৰ (Positivism) সৃষ্টি হ'ল। কেৱল যুক্তি তৰ্কতে সীমাবদ্ধ নাথাকি প্ৰণালীবদ্ধ পৰ্য্যবেক্ষন আৰু পৰীক্ষাৰ দ্বাৰা যিকোনো ঘটনা বা পৰিস্থিতিক অধ্যয়ন কৰাৰ ওপৰত প্ৰত্যক্ষবাদে গুৰুত্ব দিয়ে।

ইতিমধ্যেই আমি উল্লেখ কৰিছো যে ইউৰোপ মহাদেশত সংঘটিত ফৰাচী বিপ্লৱ আৰু শিল্পবিপ্লৱৰ ফলত ইতিবাচক দিশৰ লগতে নেতিবাচক দিশৰো উদ্ভৱ হ'ল। ফৰাচী সমাজবিজ্ঞানী অগষ্ট ক'টে প্ৰত্যক্ষবাদৰ গুৰি ধৰি সামাজিক সমস্যাসমূহক প্ৰণালীবদ্ধ ভাৱে অধ্যয়ন কৰাৰ পথ মুকলি কৰিলে। অৰ্থাৎ তেওঁ প্ৰত্যক্ষবাদ দৰ্শনৰ পৃষ্ঠপোষকতা কৰি ১৮৩৯ চনত সমাজতত্ত্ব (Sociology) নামৰ নতুন বিষয়টো দাঙি ধৰে। লেটিন ভাষাৰ শব্দ 'Socius' তথা গ্ৰীক ভাষাৰ শব্দ 'Logos' ৰ সংমিশ্ৰনেৰে ক'টে Sociology শব্দটো উপস্থাপন কৰে ।

## ১.৪.১ সমাজতত্ত্ব জন্মৰ প্ৰধান ঐতিহাসিক কাৰকসমূহ

সমাজতত্ত্ব জন্মৰ একাধিক ঐতিহাসিক কাৰক আছে যদিও এই বিলাকৰ ভিতৰত (ক) ফৰাচী বিপ্লৱ আৰু (খ) শিল্পবিপ্লৱেই প্ৰধান। আমি ওপৰত এই দুয়োটা কাৰকৰ বিষয়ে আলোচনা কৰি আহিছো।

ফ্ৰান্সত সংঘটিত হোৱা বিপ্লৱৰ কাৰণে ফৰাচী বিপ্লৱ বোলা হৈছিল। ই আছিল

ৰাজনৈতিক উত্থান-পতনৰ বিপ্লৱ। এই ৰাজনৈতিক বিপ্লৱে প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাক ভাঙি নতুনকৈ গঢ়ি তুলিছিল। অন্যহাতে ইংলণ্ডত সংঘটিত হৈছিল শিল্প-বিপ্লৱ। কল-কাৰখানাত ন ন কাৰিকৰী কৌশল প্ৰয়োগেৰে ব্যৱসায় বানিজ্যত দেশখন আগবাঢ়ি গৈছিল। অৱশ্যে ফ্ৰান্সৰ ধন-সম্পত্তিও ইংলণ্ডতকৈ কোনো গুণে কম নাছিল। কিন্তু গৃহ-যুদ্ধৰ লগতে ইউৰোপৰ মূল ভূভাগত ফ্ৰান্স জড়িত হৈ থকাৰ কাৰণে শিল্প উদ্যোগত ইংলণ্ড বহু আগবাঢ়িল। অন্যহাতে ভৌগলিক অৱস্থিতিৰ ফালৰ পৰাও তুলনামূলক ভাৱে ইংলণ্ড ৰাজনৈতিক অস্থিৰতাৰ পৰা দূৰৈত আছিল।

আমি উল্লেখকৰি আহিছো যে ইংলণ্ডৰ শিল্প বিপ্লৱে অভুতপূৰ্ব বৰঙনি যিদৰে যোগালে ঠিক তেনদৰে শ্ৰেণী বৈষম্য, দৰিদ্ৰতা, নিবনুৱা আদি সমস্যাৰো সৃষ্টি কৰিলে। একেদৰে ফ্ৰান্সৰ বিপ্লৱ দেখাত ৰাজনৈতিক হ'লেও ইয়াৰ লগত বহুতো আৰ্থ-সামাজিক বৈষম্যৰ কথা জড়িত হৈ আছিল। এনে প্ৰেক্ষাপটত ইউৰোপীয় সমাজত সৃষ্টি হোৱা সামাজিক অৱস্থাবোৰৰ ফলত কিছুমান প্ৰশ্নৰ উদয় হ'ল । যেনে - (১) সামাজিক সমস্যাবোৰৰ প্ৰকৃতি কেনেধৰণৰ ? (২) সমস্যাসমূহক কেনেদৰে সমাধান কৰিব পাৰি ? (৩) ভাগি পৰা সমাজক কিদৰে পুনৰ্নিমান কৰি প্ৰগতিশীল কৰিব পাৰি ? ইত্যাদি। মূলত ঃ এই প্ৰশ্নসমূহৰ উত্তৰ বিচৰাৰ ফলতে সমাজতত্ত্বৰ জন্ম হ'ল ।

## ১.৪.২ সমাজতত্ত্বৰ সংজ্ঞা

সমাজতত্ত্বৰ কেইটামান উল্লেখযোগ্য সংজ্ঞা তলত উল্লেখ কৰা হ'ল।

**(ক) ইমাইল দূৰখেইম** ঃ- দূৰখেইমৰ সামাজিক চিন্তাধাৰাৰ মূল আধাৰ হৈছে সামূহিকতা (collectivity)। সমাজৰ সামূহিক আচৰণ পদ্ধতিক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰিবলৈ প্ৰমাণিত তথ্যৰ (fact) প্ৰয়োজন হয়। তেওঁৰ মতে সমাজতত্ত্বই সামাজিক সত্যতাৰ (reality) সম্পৰ্কে অধ্যয়ন কৰিব লাগে । এই সত্যতাৰ উপাদানেই হৈছে সামাজিক তথ্য । ইয়াৰ সামূহিকতাই সমাজ । অন্যহাতে এই তথ্যসমূহক লৈয়েই সমাজতত্ত্বৰ বিষয়বস্তু গঠন হয়।

**(খ) মেক্স ৱেবাৰ** ঃ- ৱেবাৰৰ মতে সমাজতত্ত্বই প্ৰধানকৈ সামাজিক ক্ৰিয়াৰ বিষয়ে অধ্যয়ন কৰিব লাগে।সামাজিক ক্ৰিয়াৰ ফলত সামাজিক সম্বন্ধ গঢ় লৈ উঠে। সামাজিক ক্ৰিয়াই কৰ্তাৰ দ্বাৰা অন্যৰ মনত অৰ্থপূৰ্ণ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।উদাহৰণস্বৰূপে

এজন শিক্ষকে শ্ৰেণীত পাঠদান কৰাক সামাজিক ক্ৰিয়া বোলা হয়। কাৰণ ইয়াত ক্ৰিয়া (পাঠদান) অন্য কৰ্তাৰ (শিক্ষাৰ্থীৰ পাঠগ্ৰহণ) ক্ৰিয়াৰ প্ৰতিক্ৰিয়া ৰূপে অৰ্থপূৰ্ণভাৱে (জ্ঞান আহৰণ) সমাপন হৈছে।

**(গ) মেক আইভাৰ আৰু পেজ** ঃ- তেওঁলোকৰ মতে সমাজতত্বৰ মূল উদ্দেশ্য হৈছে সামাজিক সম্বন্ধৰ বিষয়ে অধ্যয়ন কৰা। মেক আইভাৰ আৰু পেজে কৈছে যে সমাজ হৈছে সামাজিক সমন্ধৰ জালগোঁঠানিস্বৰূপ।

## ১.৪.৩ সমাজতত্বৰ সাধাৰণ অৰ্থ

তোমালোকে নিশ্চয় উপৰোক্ত সমাজতাত্বিকসকলৰ সংজ্ঞাৰ পৰা সমাজতত্বৰ এক সাধাৰণ অৰ্থ উলিয়াব পাৰিবা । সেই অনুসৰি সমাজতত্ব হৈছে সামাজিক ক্ৰিয়া আৰু সামাজিক সম্বন্ধ তথা এই ক্ৰিয়া আৰু সম্বন্ধবোৰৰ উৎপত্তি, প্ৰকৃতি, প্ৰকাৰ, ফলাফল আদিৰ বিষয়ে অধ্যয়ন কৰা এক সমাজবিজ্ঞান।

সমাজতত্ব হৈছে এক সম্প্ৰসাৰণমুখী সমাজবিজ্ঞান । ইয়াৰ অধ্যয়নৰ ক্ষেত্ৰ কেনে হ'ব লাগে, এই বিষয়ে সমাজতাত্বিক সকলৰ মাজত মতবিৰোধ আছে। বিষয়বস্তুক কি দৃষ্টিকোনেৰে অধ্যয়ন কৰিব লাগে, সেই সংক্ৰান্ততো ভিন্ন চিন্তাধাৰাৰ গোষ্ঠী আছে। সমাতত্বৰ প্ৰাৰম্ভিক কালছোৱাৰ সমাজতাত্বিকসকলক মূলত ঃ দুটা চিন্তাধাৰাত দেখা যায়। সেয়া হৈছে, (১) বিশেষাত্মক চিন্তাধাৰা (Specialistic or Formalistic school of thought) আৰু (২) সমন্বয়াত্মক চিন্তাধাৰা (Synthetic school of thought) ।

## • আত্মমূল্যায়নৰ প্ৰশ্ন

(১) সমাজতত্ত্বৰ জন্মৰ ওপৰত এটি টোকা লিখা।

---

---

---

(২) সমাজতত্ত্ব জন্মৰ প্ৰধান ঐতিহাসিক কাৰকসমূহ কি কি ? আলোচনা কৰা।

---

---

---

(৩) সমাজতত্ত্বৰ সংজ্ঞা আগবঢ়োৱা ।

---

---

---

(৪) তোমাৰ ভাষাত সমাজতত্ত্বৰ সাধাৰণ অৰ্থ দাঙি ধৰা ।

---

---

---

## ১.৫ সমাজতত্ত্ব আৰু প্ৰত্যক্ষবাদ

সমাজতত্ত্ব হৈছে এটি বিষয় (Subject) আৰু প্ৰত্যক্ষবাদ হৈছে এক চৰিত্ৰ বা আদৰ্শ (Characteristic or ideology) । সমাজতত্ত্বৰ লগত প্ৰত্যক্ষবাদৰ সম্পৰ্ক এৰাবনোৱাৰা। কাৰণ প্ৰত্যক্ষবাদী (Positivistic) দৰ্শনৰ মাজেৰে সমাজতত্ত্বৰ জন্ম হৈছিল। এই সম্পৰ্কে তোমালোকৰ লগত ইতিমধ্যে আলোচনা কৰা হৈছে।

### ১.৫.১ প্ৰত্যক্ষবাদৰ অৰ্থ

অগষ্ট ক'টক প্ৰত্যক্ষবাদৰ মূল পৃষ্ঠপোষক বুলি কোৱা হয়। অৱশ্যে এই ক্ষেত্ৰত তেওঁ ডেভিদ হিউম আৰু চেইন্ট চাইমনৰ লিখনি সমূহৰ দ্বাৰাও প্ৰত্যক্ষবাদী চিন্তাধাৰাৰ প্ৰতি প্ৰভাৱান্বিত হৈছিল। এই আদৰ্শৰ মূল তত্ত্ব হৈছে প্ৰত্যক্ষ পৰ্যবেক্ষনৰ সামাজিক ঘটনাৰ ওপৰত ব্যাখ্যা আগবঢ়োৱা । অৰ্থাৎ প্ৰত্যক্ষবাদী দৰ্শনৰ জৰিয়তেহে জ্ঞান অৰ্জন হয় । যিকোনো ধৰণৰ সামাজিক ঘটনাৰ ওপৰত ব্যাখ্যা আগবঢ়াবলৈ হ'লে তথ্যসমূহ সত্য হ'ব লাগিব। কেৱল কল্পনাপ্ৰসূত ব্যাখ্যাক প্ৰত্যক্ষবাদে নাকচ কৰিছিল। প্ৰত্যক্ষবাদী দৰ্শনে কৈছিল যে ভিন ভিন প্ৰাকৃতিক বিজ্ঞানৰ বিষয়বোৰে ধাৰণামূলক স্তৰ অতিক্ৰম কৰি আহি বৈজ্ঞানিক স্তৰত উপনীত হোৱাৰ দৰে সমাজবিজ্ঞান সমূহেও পৰীক্ষা আৰু প্ৰমানৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব ।

সমাজতত্ত্বৰ পিতৃ ক'টে কৈছিল যে প্ৰাকৃতিক বিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰত যিবিলাক পদ্ধতি প্ৰয়োগ কৰা হয় তেনেধৰণৰ পদ্ধতিৰে সামাজিক ঘটনাবিলাকৰো অধ্যয়ন কৰা উচিত । তেওঁৰ মতে প্ৰাকৃতিক বিজ্ঞান সমূহৰ ভিতৰত যেনেদৰে জ্যোৰ্তিবিজ্ঞান, পদাৰ্থবিদ্যা, ৰসায়ন বিজ্ঞান আছে ঠিক তেনেদৰে অন্য এক বিজ্ঞানৰ প্ৰয়োজন আছে, সিয়েই হৈছে সামাজিক পদাৰ্থ বিজ্ঞান (Social Physics)। এই সামাজিক পদাৰ্থ বিজ্ঞান নামটো সলাই ১৮৩৯ চনত তেওঁ সমাজতত্ত্ব (Sociology) নাম থয়।

## ১.৫.২. সমাজতত্ত্বৰ অধ্যয়ন প্ৰণালী

বিজ্ঞানসন্মত অধ্যয়নৰ কিছুমান নিৰ্দিষ্ট প্ৰনালী বা কৌশল থাকে। ঠিক তেনেকৈ সমাজতত্ত্বইও এই বিলাকৰ সহায়ত সামাজিক বিষয়বস্তুক অধ্যয়ন কৰে। এই প্ৰণালী সমূহক কিছুমান স্তৰত দেখা যায় । যেনে, (ক) ধাৰণা বা প্ৰকল্পৰ গঠন (fomulation of hypothesis), (খ) তথ্য সংগ্ৰহ (data collection), (গ) তথ্যৰ শ্ৰেণীকৰণ (Classification of data), (ঘ) তথ্যৰ বৰ্গীকৰণ (tabulation of data), (ঙ) বিষয়বস্তুৰ বিশ্লেষণ আৰু তথ্যৰ মূল্যায়ন (analysis of content and interpretation of data), (চ) সাধাৰণীকৰণ (generalisation) আৰু (ছ) সত্যৰ উদ্‌ঘাটন (verification) ।

**(ক) ধাৰণা বা প্ৰকল্পৰ গঠন** ঃ সাধাৰণ অৰ্থত ধাৰণা বা প্ৰকল্প হৈছে এনে এক পৰিমাপৰ গঠন যাৰ সহায়ত সামাজিক গৱেষণাক (Social research ) জুখি চোৱা হয়। প্ৰাথমিক অনুমান, পৰম্পৰা, পূৰ্ব্বৰ গৱেষণাৰ ফলাফল আদিৰ সহায়ত ইয়াক গঠন কৰা হয়।

**(খ) তথ্য সংগ্ৰহ** ঃ সংশ্লিষ্ট বিষয়বস্তুক গৱেষণা কৰাৰ ক্ষেত্ৰত তথ্য হৈছে মৌলিক উপাদান। তথ্যৰ ভাগ দুটা, যেনে প্ৰাথমিক তথ্য আৰু দ্বিতীয়ক তথ্য। প্ৰাথমিক তথ্য হৈছে প্ৰথমবাৰৰ বাবে মূল উৎসৰ পৰা সংগ্ৰহ কৰা তথ্য । অন্যহাতে দ্বিতীয়ক তথ্যৰ সাধাৰণ অৰ্থ হৈছে এইবিলাকক ইতিমধ্যেই অন্য অনুসন্ধানকাৰী বা গৱেষকে সংগ্ৰহ কৰি থোৱা। দ্বিতীয়ক তথ্যৰ সাধাৰণ উৎসসমূহ হৈছে বাতৰি কাকত, পত্ৰিকা, আলোচনী আদিত প্ৰকাশিত লিখনিসমূহ । প্ৰাথমিক তথ্যসংগ্ৰহৰ কিছুমান সজুঁলি হৈছে সাক্ষাৎকাৰ সূচী (interview schedule), নমুনামূলক অধ্যয়ন (Case Study), পয্যবেক্ষন (observation) ইত্যাদি।

**(গ) তথ্যৰ শ্ৰেণীকৰণ** ঃ- সংগ্ৰহ কৰাৰ পাছত তথ্যসমূহক বৈশিষ্ট্য অনুসৰি শ্ৰেণীকৰণ কৰা হয়। ইয়াৰ জৰিয়তে বিক্ষিপ্ত, জটিল আৰু দ্বিধাগ্ৰস্ত তথ্যক পোনপটীয়া অৱস্থালৈ অনা হয়।

**(ঘ) তথ্যৰ বৰ্গীকৰণ** ঃ- সাধাৰণ অৰ্থত সংগৃহিত তথ্যক বৰ্গীকৰণৰ জৰিয়তে স্ত (Columns) আৰু শাৰীত (rows) শৃংঙ্খলাবদ্ধভাৱে সজাই তোলা হয়।

**(ঙ) বিষয়বস্তুৰ বিশ্লেষণ আৰু তথ্যৰ মূল্যায়ন** ঃ- তথ্যসমূহ সংগ্ৰহ কৰাৰ পাছত বিষয়বস্তু অনুসৰি বিশ্লেষণ আৰু মূল্যায়ন কৰা হয়। পদ্ধতিগত বিশ্লেষণে ফলাফলৰ দিশে গৱেষণাকাৰীক আগুৱাই নিয়ে। বিষয়বস্তুৰ প্ৰতি নিৰ্দিষ্ট আৰু প্ৰকৃত জ্ঞান পাবলৈ তথ্যক সূচাৰুৰূপে বিশ্লেষণ আৰু মূল্যায়ন কৰিবই লাগিব।

**(চ) সাধাৰণীকৰণ** ঃ- গৱেষণাত কাৰকক বা চলকক (Variables) সাধাৰণতে দুটা ভাগত ভগোৱা হয়। যেনে, নিৰ্ভৰশীল (dependent) আৰু স্বতন্ত্ৰ (independent)। চলকসমূহৰ জৰিয়তে ফলাফলবোৰ (findings) উদ্‌ঘাটন কৰাৰ ক্ষেত্ৰত গৱেষকজন যথেষ্ট সাৱধান হ'ব লাগে। নহলে ফলাফলৰ সাধাৰণীকৰণত আহুকাল হ'ব পাৰে ।

**(ছ) সত্যৰ উদ্‌ঘাটন** ঃ - সত্যৰ উদ্‌ঘাটনৰ জৰিয়তে সমাপ্ত হোৱা গৱেষণাক পুনৰ্বিচাৰ কৰি চোৱা হয়। ইয়াৰ জৰিয়তে সমাজতত্ত্বীয় গৱেষণাক দোষমুক্ত কৰিবলৈ প্ৰয়াস কৰা হয়।

---

**• আত্মমূল্যায়নৰ প্ৰশ্ন**

---

(১) প্ৰত্যক্ষবাদৰ অৰ্থ দাঙি ধৰা ।

____________________________________________

____________________________________________

____________________________________________

(২) সমাজতত্ত্ব আৰু প্ৰত্যক্ষবাদৰ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰা।

____________________________________________

____________________________________________

____________________________________________

(৩) সমাজতত্ত্বৰ অধ্যয়ন প্ৰণালীৰ ওপৰত চমু আলোচনা আগবঢ়োৱা।

_______________________________________________

_______________________________________________

_______________________________________________

## ১.৬ সামৰণি

আমি এই গোটটোত সমাজতত্ত্বৰ অভ্যুদয় (emergence)সম্পৰ্কে আলোচনা কৰিলো। আশা ৰাখিছো তোমালোকে তলত দিয়া দিশ কেইটাক চিনাক্ত কৰিব পাৰিছা।

(১) অতি প্ৰাচীন কালৰ পৰাই সমাজ দাৰ্শনিক আৰু চিন্তাশীল ব্যক্তিসকলে সামাজিক চিন্তাৰ ক্ষেত্ৰত তেওঁলোকৰ বৰঙনি আগবঢ়াই আহিছে।

(২) সামাজিক চিন্তাৰ ক্ষেত্ৰত গ্ৰীক দৰ্শনৰ অৱদান অনস্বীকাৰ্য্য

(৩) সমাজতত্ত্বৰ পিতৃ অগষ্ট ক'টে ১৮৩৯ চনত সমাজতত্ত্ব (Sociology)নামৰ বিষয়টি দাঙি ধৰে।

(৪) সমাজতত্ত্ব জন্মৰ প্ৰধান ঐতিহাসিক কাৰক দুটা। সেয়া হৈছে – ক) ফৰাচী বিপ্লৱ আৰু (খ) শিল্প বিপ্লৱ।

(৫) সমাজতত্ত্ব জন্মৰ মূল দৰ্শন হৈছে প্ৰত্যক্ষবাদ ।

(৬) সমাজতত্ত্ব হৈছে এক সম্প্ৰসাৰণ মুখী সমাজ বিজ্ঞান।

(৭) বিজ্ঞান সন্মত অধ্যয়নৰ কিছুমান নিৰ্দিষ্ট প্ৰণালী আছে। যেনে- ধাৰণা বা

প্ৰকল্প গঠন, তথ্য সংগ্ৰহ, তথ্যৰ শ্ৰেণীকৰণ, তথ্যৰ বৰ্গীকৰণ, বিষয়বস্তুৰ বিশ্লেষণ আৰু তথ্যৰ মূল্যায়ন, সাধাৰণীকৰণ, সত্যৰ উদ্‌ঘাটন ইত্যাদি।

## ঘাই শব্দ সমূহ

(১) সামাজিক চিন্তা

(২) সামাজিক পদ্ধতি

(৩) সামাজিক সম্বন্ধ

(৪) সামাজিক ক্ৰিয়া

(৫) প্ৰত্যক্ষবাদ

(৬) সামাজিক বিৱৰ্তন

(৭) বিপ্লৱ

(৮) সামাজিক সমস্যা

(৯) বিশেষাত্মক চিন্তাধাৰা

(১০) সমন্বয়াত্মক চিন্তাধাৰা

(১১) প্ৰকল্প

(১২) সামাজিক গৱেষণা

## পাঠ্য নি´শনা

1. Martindale, Don : The Nature and Types of Sociological theory, Boston, 1960

2. Coser, L. A. : Masters of Sociological Thought, Rawat Publications, Jaipur, 1996.

3. Green, A. W. : Sociology, MC Graw Hill Book Co., New York, 1960.

4. Inkeles, A. What is Sociology ? , Prentice Hall of India, New Delhi, 1993.

5. Aron, Raymond: Main Currents in Sociological Thought, Vol. I & II, Palican Books, 1983.

6. Hussain, M. : A Prologue to Five Sociologists, T. L. Baruah Publication, Dibrugarh, 1996.

7. Hazarika, D. : Samajik Sintadharar Itihas, Bani Mandir, Dibrugarh, 1997.

## আৰ্হি প্ৰশ্ন

(১) সামাজিক চিন্তাৰ পৰা সমাজতাত্ত্বিক চিন্তাৰ বিকাশৰ ওপৰত এক আলোচনা আগবঢ়োৱা।

---------------------------------------------------------------

---------------------------------------------------------------

---------------------------------------------------------------

(২) সমাজতত্ত্ব জন্মৰ প্ৰধান ঐতিহাসিক কাৰকসমূহৰ বিষয়ে চমুকৈ এখনি ৰচনা লিখা।

---------------------------------------------------------------

---------------------------------------------------------------

---------------------------------------------------------------

(৩) সমাজতত্ত্ব বুলিলে কি বুজা ? তোমাৰ ভাষাৰে বৰ্ণনা কৰা।

---------------------------------------------------------------

---------------------------------------------------------------

---------------------------------------------------------------

(৪) সমাজতত্ত্বৰ অধ্যয়ন প্ৰনালীৰ ওপৰত এটি টোকা লিখা।

---------------------------------------------------------------

---------------------------------------------------------------

---------------------------------------------------------------

## গোট ঃ ২

## শিৰোনাম ঃ অগষ্ট ক'টৰ মূল ভাৱাদর্শ আৰু বৰঙনি ঃ ত্ৰিস্তৰীয় বিধি

গঠন-বিন্যাস

২.০ উে শ্য

২.১ প্ৰস্তাৱনা

২.২ অগষ্ট ক'ট, এক চমু পৰিচয়

 ২.২.১ ক'টৰ মূল ভাৱাদর্শ

 ২.২.২ ক'টৰ বৰঙনিসমূহ

  l আত্মমূল্যায়নৰ প্ৰশ্ন

২.৩ ত্ৰিস্তৰীয় বিধি

 ২.৩.১ দৈবিক স্তৰ

 ২.৩.২ অধিভৌতিক স্তৰ

 ২.৩.৩. প্ৰত্যক্ষ স্তৰ

  l আত্মমূল্যায়নৰ প্ৰশ্ন

২.৪ সামৰণি

 (১) ঘাই শব্দসমূহ

 (২) পাঠ্য নিৰ্ে শনা

 (৩) আৰ্হি প্ৰশ্ন

 (৪) প্ৰসঙ্গ পুথি

## ২.০ উদ্দেশ্য

তোমালোকে এই পাঠটি অধ্যয়ন কৰাৰ পাছত তলত দিয়া দিশ কেইটা বুজাত সমৰ্থ হ'বা।

(ক) সমাজতত্বৰ পিতৃ অগষ্ট ক'টৰ পৰিচয় দাঙি ধৰিব পাৰিবা।

(খ) ক'টৰ মূল ভাবাদৰ্শ আৰু বৰঙনিসমূহৰ বিষয়ে লিখিব পাৰিবা।

(গ) ক'টৰ ত্ৰিস্তৰীয় বিধিৰ প্ৰতিটো স্তৰৰ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা

আগৰ পাঠত আমি উল্লেখ কৰি আহিছো যে অগষ্ট ক'টক সমাজতত্বৰ পিতৃ হিচাপে অভিহিত কৰা হয়। অৰ্থাৎ তেওঁ সমাজতত্ব (Sociology) বিষয়টি উপস্থাপন কৰিছিল । অন্যহাতে প্ৰত্যক্ষবাদৰো (Positivism) মূল গুৰি ধৰোতা তেওঁৱেই আছিল। প্ৰকৃত জ্ঞান কেৱল অনুমান, কল্পনা প্ৰসুত ধাৰণা আদিৰ পৰা অৰ্জন কৰিব নোৱাৰে বুলি প্ৰত্যক্ষবাদে কৈছিল। ইয়াৰ বিপৰীতে প্ৰাকৃতিক বিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰত প্ৰয়োগ কৰা বৈজ্ঞানিক প্ৰণালীৰ ব্যৱহাৰৰ সহায়তহে সামাজিক ঘটনাবিলাকৰ বিষয়ে অধ্যয়ন কৰিব পাৰি বুলি এই দৰ্শনে মত পোষন কৰিছিল।

ক'টে গভীৰভাৱে বিশ্বাস কৰিছিল যে সমাজক সমস্যামুক্ত কৰিবলৈ হ'লে আমি বৈজ্ঞানিক পদ্ধতিৰে সমাজক অধ্যয়ন কৰিবই লাগিব। সামাজিক সমস্যাৰ প্ৰকৃতি জটিল । এই বিলাকৰ প্ৰকৃত উৎস, প্ৰকৃতি, প্ৰকাৰ, কাৰণ আদিৰ যুগ্ম অধ্যয়নৰ জৰিয়তেহে বিষয়বস্তুৰ গভীৰতা জানি সমাধান কৰিব পাৰি। প্ৰত্যক্ষবাদ দৰ্শনৰ জৰিয়তে তেখেতে কৈছিল যে কেৱল ধাৰণামূলক (Impressionistic) আৰু তৰ্ক-যুক্তিপূৰ্ণ (logical reasoning) পদ্ধতিৰে কেতিয়াও সমস্যা সমাধানৰ সূত্ৰ আগবঢ়াব পৰা নাযায়। অৰ্থাৎ বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰিবই লাগিব।

তোমালোক নিশ্চয় নিশ্চিত হৈছা যে ক'টৰ সমাজতত্বিয় বৰঙনি সমূহত তেখেতৰ প্ৰত্যক্ষবাদী (Positivistic) দৰ্শন লুকাই আছে। পাঠ্যসূচী অনুসৰী আমি এই গোটটিত তেওঁৰ ত্ৰিস্তৰীয় বিধি (law of three stages) তত্বটিৰ বিষয়ে আলোচনা কৰিম।

## ২.২ অগষ্ট ক'ট ঃ এক চমু পৰিচয়

১৭৯৮ চনৰ ১৯ জানুৱাৰীত ফ্ৰান্স দেশৰ মন্টপেলিয়েৰ নামৰ চহৰত অগষ্ট ক'টৰ জন্ম হৈছিল । সেই সময়ত ফৰাচী বিপ্লৱে দেশখনত আৰ্থ-সামাজিক, ৰাজনৈতিক আদি প্ৰতিটো ক্ষেত্ৰতে অভূৰ্তপূৰভাৱে সালসলনি ঘটাইছিল। সি যি কি নহওক, ক'টৰ বিদ্যালয়ৰ শিক্ষা গ্ৰহ্ণ Lycee নামৰ শিক্ষানুষ্ঠানত হৈছিল।১৮১৪ চনত উচ্চ শিক্ষা গ্ৰহণৰ বাবে তেওঁ পেৰিচলৈ আহে। ইয়াৰ Ecole Polytechnique নামৰ নামজলা কাৰিকৰী শিক্ষানুষ্ঠানত তেওঁ নামভৰ্তি কৰে। কিন্তু শিক্ষানুষ্ঠান খনত আৰ হোৱা ছাত্ৰ আন্দোলনৰ বাবে ইয়াক সাময়িকভাৱে বন্ধ কৰি দিয়া হয়। তেওঁ পুনৰ মন্টপেলিয়েৰলৈ ঘূৰি আহে। আনুষ্ঠানিক উচ্চ শিক্ষা গ্ৰহণ তেওঁৰ আধৰুৱা হৈ ৰয়।

১৮১৭ চনত ক'টে সেই সময়ৰ ফ্ৰান্সৰ অন্যতম সমাজ দাৰ্শনিক চেইন্ট চাইমনৰ সংস্পৰ্শলৈ আহে। চাইমন আছিল Industrie নামৰ এখন বাৰ্তালোচনীৰ (Periodical) সঞ্চালকৰ পদত। চাইমনৰ বৈজ্ঞানিক মানসিকতাৰ ভাবাদৰ্শৰে অনুপ্ৰাণিত হৈ ক'টে বৌদ্ধিক সহযোগী হিচাপে তেওঁৰ লগত যোগদান কৰে। ১৮১৯ চনৰ পৰা ১৮২৪ চনলৈ এই দুয়োজন সমাজ দাৰ্শনিকে একত্ৰিত ভাবে সামাজিক দৰ্শনলৈ চিন্তাচৰ্চ্চা আগবঢ়ায়। কিন্তু লাহে লাহে তেওঁলোকৰ বৌদ্ধিক বন্ধুত্বত ফাঁট মেলে। অৱশেষত চেইন্ট চাইমনৰ দৰ্শনেৰে প্ৰভাৱান্বিত হৈও ক'টে নিজস্ব আদৰ্শমূলক (ideological) আৰু সিদ্ধান্তমূলক (theoritical)আধাৰেৰে তেওঁৰ তত্বসমূহ বিদ্বৎ সমাজৰ আগত দাঙি ধৰিলে।

ক'টে ১৮২৬ চনত তেওঁৰ প্ৰত্যক্ষদৰ্শনৰ (positive philosophy) ওপৰত এক ব্যক্তিগত বক্তৃতাৰ পাঠ্যক্ৰম আৰ কৰিবলৈ মনস্থ কৰিলে । কাৰণ তেওঁৰ বাবে শ্ৰোতা হিচাপে এক বিশিষ্ট শ্ৰেণীৰ প্ৰয়োজন হ'ল । তাৰোপৰি কোনো শিক্ষানুষ্ঠানৰ শিক্ষকতাৰ পদতো তেওঁ নাছিল। কিন্তু দুভাৰ্গ্যজনক যে দুটামান বক্তৃতা প্ৰদানৰ পাছতে তেওঁৰ নৰীয়া হ'ল । নৰীয়াৰ পৰা উঠাৰ পাছত তেওঁ পুনৰ বক্তৃতাৰ পাঠ্যক্ৰম আৰ কৰিছিল যদিও সেয়া বেছিদিন নিটিকিল। সি যি কি নহওক ক'টে ১৮৩০ ৰ পৰা ১৮৪২ চনৰ ভিতৰত কেইটামান (মুঠ ৬টা) খণ্ডত Cours de philosophie positive (positive philosophy) নামৰ গ্ৰন্থখন লিখি উলিয়ায় । তেওঁ প্ৰতিষ্ঠা কৰা নতুন সমাজ বিজ্ঞানৰ নাম Social Physics দিছিল। কিন্তু সেইসময়ৰ অন্যতম পৰিসংখ্যাবিদ এড্লফ কুৱেটলেটেও এই শব্দ দুটাক অন্য প্ৰসঙ্গত ব্যৱহাৰ কৰাত তেওঁ ইয়াৰ নাম Sociology (সমাজতত্ব) লৈ সলনি কৰে। বিজ্ঞানসন্মত ভাৱে সমাজৰ বিষয়ে চিন্তি চৰ্চ্চা কৰাৰ উ শ্যৰে ১৮৪৮ চনত বিদ্ধৎ সমাজক লৈ এক অনুষ্ঠান Societe Positiviste (Positive Society) গঠন

কৰে। অগষ্ট ক’টৰ বৈবাহিক জীৱন সুখৰ নাছিল। ১৮৫৭ চনত ক’টৰ মৃত্যু হয়।

## ২.২.১ ক’টৰ মূল ভাৱাদৰ্শ

ক’টৰ দৰ্শনৰ মূল ভাবাদৰ্শ হৈছে প্ৰত্যক্ষবাদ (Positivism)। প্ৰত্যক্ষবাদৰ মতে সামাজিক ঘটনাৰ বিষয়ে বাস্তৱ তথ্য বা প্ৰত্যক্ষ আধাৰৰ ওপৰত ভিত্তি কৰিহে ব্যাখ্যা বা সিদ্ধান্ত আগবঢ়াব লাগে। ইয়াৰ বিপৰীতে কল্পনাপ্ৰসূত ধ্যান-ধাৰণাৰে সামাজিক বিষয়ৰ ওপৰত ব্যাখ্যা বা সিদ্ধান্ত আগবঢ়োৱাৰ প্ৰয়োজন নাই।

প্ৰাকৃতিক বিজ্ঞানৰ বিষয় সমূহক অধ্যয়ন কৰোতে যি ধৰণৰ বৈজ্ঞানিক কৌশলৰ সহায় লোৱা হয় ঠিক একেধৰণেৰে আমি মানৱ সমাজৰ বিষয়েও অধ্যয়ন কৰা উচিত বুলি ক’টে কৈছে। ক’টে সমাজক স্থিৰতা (statics) আৰু গতিশীলতা (dynamics) – এই দুয়োটা আধাৰত অধ্যয়ন কৰিছিল। সমাজতত্বক দাঙি ধৰি তেওঁ কৈছিল যে জ্ঞান অৰ্জন কৰিবলৈ এই সমাজবিজ্ঞানে পৰ্যবেক্ষণৰ (observation) সহায়ত যুক্তি উপস্থাপন (reasoning) কৰিব লাগিব। অন্যান্য প্ৰাকৃতিক (natural) বিজ্ঞানে অনুসন্ধানৰ পদ্ধতি হিচাপে গ্ৰহণ কৰাৰ দৰে সমাজতত্বই ও পৰ্যবেক্ষণ (observation), পৰীক্ষাকৰণ (experimentation) আৰু তুলনাকৰণক (comparison) ল’ব লাগিব।

## ২.২.২ ক’টৰ বৰঙনি সমূহ

আমি জানিলো যে ক’টৰ সমাজতাত্বিক চিন্তাধাৰা প্ৰত্যক্ষবাদৰ ওপৰত আধাৰিত। অৰ্থাৎ প্ৰত্যক্ষ দৰ্শনৰ জৰিয়তে তেওঁ প্ৰতিটো ব্যাখ্যা আগবঢ়াইছে। এইবাৰ আহা আমি ক’টৰ দুখন ধ্ৰুপদী (Classical) গ্ৰন্থৰ নাম উল্লেখ কৰো। অৱশ্যে ইতিমধ্যে তোমালোকক ইয়াৰ আভাস দিয়া হৈছে।

(১) ফৰাচী ভাষাত লিখিত - Course de Philosophie Positive , মুঠ ৬টা volume ত ১৮৩০ চনৰ পৰা ১৮৪২ চনৰ ভিতৰত প্ৰকাশ হৈছিল। Harriet Martineau নামৰ দাৰ্শনিকজনে ১৮৯৬ চনত ইয়াক ইংৰাজীত The Positive Philosophy of August Comte নামেৰে তিনিটা Volume ত অনুবাদ কৰিছিল।

(২) মূল ফৰাচীত Systeme de Politique Positive নামৰ গ্ৰন্থখন চাৰিটা

volume ত ১৮৫১ চনৰ পৰা ১৮৫৪ চনৰ ভিতৰত প্ৰকাশিত হয়। এই খণ্ডকেইটা S. H. Bridges নামৰ পণ্ডিতজনে ১৮৭৫-১৮৭৭ চনৰ ভিতৰত ৪টা খণ্ডত System of Positive Philosophy নামেৰে অনুবাদ কৰি উলিয়ায়।

ক'টৰ অন্যতম তত্ত্বসমূহ তলত উল্লেখ ক'ৰা হ'ল।

(১) প্ৰত্যক্ষবাদ (Positivism)

(২) মানৱ প্ৰগতিৰ বিধি বা ত্ৰিস্তৰীয় বিধি (The Law of Hieman Progress or the law of Three Stages)

(৩) বিজ্ঞানৰ সংস্তৰণ (Hierarchy of the Sciences)

(৪) সামাজিক স্থিৰতা আৰু গতিশীলতা (Social Statics and Dynamics)

---

**• আত্মমূল্যায়নৰ প্ৰশ্ন**

---

(১) অগষ্ট ক'টৰ এক চমু পৰিচয় দাঙি ধৰা।

____________________________________________

____________________________________________

____________________________________________

(২) ক'টৰ মূল ভাৱাদৰ্শ কি আছিল ? আলোচনা কৰা।

____________________________________________

____________________________________________

____________________________________________

(৩) ক'টৰ বৰঙনিসমূহৰ এক চমু আভাস দাঙি ধৰা।

____________________________________________

____________________________________________

____________________________________________

## ২.৩ ত্ৰিস্তৰীয় বিধি

এইবাৰ আহা আমি পাঠ্যসূচী অনুসৰি ক'টৰ ত্ৰিস্তৰীয় বিধি বা মানৱ প্ৰগতিৰ বিধি (Law of three stages or Law of human progress)ৰ বিষয়ে আলোচনা কৰোঁ। ক'টৰ The Positive Philosophy নামৰ গ্ৰন্থত এই বিধৰ বিষয়ে বিশ্লেষণ আগবঢ়াইছে। তেখেতৰ এই বিধি তিনিটা সূত্ৰৰ (Principle) ওপৰত ভিত্তি কৰি গঢ় লৈছে। প্ৰথম সূত্ৰ অনুসৰি সামগ্ৰিক সামাজিক পটভূমিক এৰাই কোনো সামাজিক ঘটনাক বুজা বা ব্যাখ্যা কৰা স ৱ নহয়। দ্বিতীয় সূত্ৰই কৈছে যে মানৱ ইতিহাসৰ মূল চালিকা শক্তি হৈছে জ্ঞানৰ প্ৰগতি (Progress of knowledge)। তৃতীয়তে মানুহৰ প্ৰকৃতি সাৰ্ব্বজনীন । সি যি কি নহওক মানুহৰ জ্ঞানৰ প্ৰগতি তিনিটা স্তৰৰ মাজেৰ গতি কৰিছে । সেয়া হৈছে, (১) দৈৱিক স্তৰ (theological stage), (২) আধিভৌতিক স্তৰ (metaphysical stage) আৰু (৩) প্ৰত্যক্ষ স্তৰ (positive stage)। তলত এই স্তৰকেইটাৰ বিষয়ে একাদিক্ৰমে আলোচনা আগবঢ়োৱা হ'ল।

### ২.৩.১ দৈৱিক স্তৰ

মানৱ মনৰ ক্ৰমবিকাশৰ প্ৰাৰ িক স্তৰটোৱেই হৈছে দৈৱিক স্তৰ। জ্ঞানৰ এই স্তৰটো সম্পূৰ্ণ কাল্পনিক আৰু অদৃষ্টবাদী । কাৰণ এই স্তৰত মানুহৰ চিন্তাধাৰা আৰু কাৰ্যকলাপ নেদেখা শক্তিৰ প্ৰতি থকা বিশ্বাসৰ জৰিয়তে পৰিচালিত হৈছিল।

এই স্তৰত মানুহে জীৱন আৰু জগতত ঘটি থকা ঘটনাসমূহত ভীত আৰু সন্ত্ৰস্ত হৈছিল। মানুহে গভীৰভাৱে বিশ্বাস কৰিছিল যে এনে এক বা একাধিক শক্তি আছে যি সকলো বস্তুৰ সৃষ্টি, ক্ৰিয়া আৰু ধ্বংসৰ মূল কাৰণ। পুৱা আকাশত সূৰ্য উদয় হৈ পশ্চিমত মাৰ যোৱা, নিশাৰ আকাশত তৰা ওলোৱা. বতাহ-বৰষুণ গাজনি-ধুমুহা ইত্যাদি প্ৰাকৃতিক ঘটনা, মানুহৰ জন্ম-মৃত্যু, বেমাৰ-আজাৰ আদিৰ স্ৰষ্টা তথা নিয়ন্ত্ৰক হিচাপে এই সত্বা বা শক্তি সৰ্ব্ববিৰাজমান বুলি মানুহে বিশ্বাস কৰিছিল। মানুহৰ সমগ্ৰ চিন্তা আৰু ক্ৰিয়া-কলাপ এই উৎসৰ দ্বাৰাই প্ৰভাৱান্বিত হৈছিল। প্ৰতিকূল প্ৰাকৃতিক অৱস্থাৰ সৈতে মানুহে অহৰহ সংগ্ৰাম কৰিবলগীয়া হৈছিল। ইয়াৰ ফলত যুঁজ দিব পৰা প্ৰবৃত্তিক মানুহে প্ৰশ্ৰয় দিছিল। ইয়াৰ লগে লগে সমাজৰ যিচাম মানুহে এই অতি প্ৰাকৃতিক (supernatural) উৎসক সন্তুষ্ট ৰখাৰ ক্ষেত্ৰত ক্ৰিয়াবিধি পৰিচালনা কৰিব পাৰি

বুলি বিশ্বাস কৰিছিল তেওঁলোকক বিশেষ মানুহ বুলি ধৰিছিল। ধৰ্মৰ আৰ নি এনেদৰেই হৈছিল।

অগষ্ট ক'টে দৈৱিক স্তৰক তিনিটা ভাগত ভাগ কৰিছিল। সেই কেইটা হৈছে, (ক) জড়বাদ (fetishism), (খ) বহুদৈৱবাদ (Polytheism) আৰু (গ) এক দৈৱবাদ (Monotheism)ৰ স্তৰ। মানৱ জ্ঞান বিবৰ্তনৰ প্ৰথম স্তৰটোৱেই হৈছে জড়বাদ। মানুহে দেখি থকা প্ৰতিটো জড় বস্তু যেনে শিল, গছ-লতা, জুই আদিক দৈৱ শক্তি বুলি বিশ্বাস কৰি এই বিলাকক সন্তুষ্ট ৰাখিবৰ বাবে ভিন ভিন ক্ৰিয়া-কলাপ কৰিছিল। লাহে লাহে সাপ, চৰাই, কাল্পনিক জীৱ আদিতো দৈৱ শক্তি আছে বুলি জড়বাদত বিশ্বাস কৰা হৈছিল। দৈৱিক স্তৰৰ দ্বিতীয় পৰ্যায়ত মানুহে কল্পনা কৰিবলৈ ধৰিলে যে জগতৰ প্ৰতিটো ঘটনাতে সুকীয়া সুকীয়া দৈৱিক শক্তি আছে। ইয়াৰ ফলত সৃষ্টি হ'ল বহু দেৱ-দেৱীৰ কল্পনা । ক্ৰমান্বয়ে মানুহে বহু দেৱ-দেৱীৰ ঠাইত পৰম শক্তিমান এক দৈৱ শক্তিৰ কল্পনা কৰি সন্তুষ্ট ৰখাৰ বিধি পালন কৰিবলৈ ধৰিলে। সি যি কি নহওক, সকলো ঘটনা আৰু বস্তু দৈৱিক শক্তিৰ দ্বাৰা সৃষ্টি আৰু পৰিচালিত হোৱা বুলি গভীৰ বিশ্বাস কৰাৰ কাৰণে মানুহে যুক্তিৰে কথাবিলাক বিচাৰ কৰিব পৰা নাছিল।

## ২.৩.২ আধিভৌতিক স্তৰ

আধিভৌতিক স্তৰক দৈৱিক স্তৰৰ পৰিসংশোধিত স্তৰ বুলিও ক'ব পাৰি। কাৰণ দৈৱিক স্তৰৰ বহু বৈশিষ্ট্য থাকিলেও যুক্তিৰ আগমন আধিভৌতিক স্তৰৰ অন্যতম প্ৰকৃতি । দৈৱিক স্তৰত শাসনকৰ্তা অৰ্থাৎ ৰজা আছিল দৈৱ শক্তিৰ প্ৰতিনিধি । ইয়াত কোনো সন্দেহৰ প্ৰশ্ন উত্থাপন নহৈছিল। গতিকে যুক্তি আছিল অবান্তৰ। ইয়াৰ বিপৰীতে আধিভৌতিকত যুক্তিৰ অৱতাৰণা হ'ল। অৱশ্যে এই যুক্তি আছিল অমূৰ্ত (abstract)।

এই স্তৰত মানুহে যুক্তি আৰু তৰ্কৰে সামাজিক ঘটনাক বিচাৰ কৰিবলৈ আৰ কৰিলে । অৱশ্যে কাৰণ আৰু ফলাফলৰ ওপৰত উচিত ব্যাখ্যা আগবঢ়াব পৰা নাছিল। সি যি কি নহওক সকলোবোৰ ঘটনা আৰু বস্তুৰ লগত অতিপ্ৰাকৃতিক শক্তি জড়িত হৈ আছে বুলি থকা দৈৱিক স্তৰৰ বিশ্বাসক যুক্তিৰে এই স্তৰত বিচাৰ কৰাৰ প্ৰৱণতা সৃষ্টি হ'ল। এই স্তৰত সকলো ঘটনা বা বস্তুৰ স্থিতি আৰু পৰিবৰ্তনক অমূৰ্ত অৱধাৰণা (abstract conception) আৰু যুক্তিৰে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল।

## ২.৩.৩. প্ৰত্যক্ষ স্তৰ

মানৱ জ্ঞানৰ প্ৰগতিৰ তৃতীয় স্তৰটো হৈছে প্ৰত্যক্ষ স্তৰ (positive stage)। প্ৰত্যক্ষ পৰ্যবেক্ষণৰ দ্বাৰা আহৰণ কৰা তথ্যৰ ওপৰত যুক্তিৰে বিশ্লেষণ আগবঢ়াব পৰাটো এই স্তৰৰ অন্যতম বৈশিষ্ট্য। সকলো প্ৰাকৃতিক আৰু সামাজিক ঘটনাক প্ৰত্যক্ষ জ্ঞান বা বৈজ্ঞানিক দৃষ্টিৰে বিচাৰ কৰা হয় বাবে ইয়াক বৈজ্ঞানিক স্তৰ বুলিও কোৱা হয়।

জ্ঞান বিকাশৰ এই স্তৰত মানুহৰ মন অধিক যুক্তিবাদী হ'ল। যিকোনো ঘটনাৰ কাৰণ আৰু ফলাফলৰ প্ৰত্যক্ষ বিশ্লেষণৰ প্ৰতি মানব মন আকৰ্ষিত হ'ল । বিশ্ব প্ৰকৃতি যেনেদৰে এক অপৰিবৰ্তনীয় বিধিৰ দ্বাৰা পৰিচালিত হয়, ঠিক একেদৰে সামাজিক ঘটনাবোৰো পৰিচালিত হয় বুলি যুক্তিৰে বিচাৰ কৰা হ'ল । ক'টৰ মতে প্ৰাকৃতিক বিজ্ঞানৰ অধ্যয়নত যিদৰে পৰীক্ষণ (experimentation) আৰু তুলনাকৰণ (comparison) পদ্ধতি প্ৰয়োগ কৰা হয় ঠিক একেদৰে সামাজিক বিষয়ৰ অধ্যয়নতো প্ৰত্যক্ষ স্তৰত তেনে পদ্ধতি প্ৰয়োগ কৰা হয়। অৰ্থাৎ পৰ্যবেক্ষণ, পৰীক্ষণ আৰু তুলনাকৰণৰ সহায়ত তথ্যৰ আধাৰত যুক্তিৰে বিশ্লেষণ কৰাৰ পদ্ধতি এই স্তৰত আহিল।

সময়ৰ অগ্ৰগতিৰ লগে লগে সমাজ ক্ৰমান্বয়ে সৰলৰ পৰা জটিললৈ গতি কৰিলে। উৎপাদন পদ্ধতিত পৰিবৰ্তন আহিল। শ্ৰম বিভাজন স্পষ্ট হৈ পৰিল। চৌপাশৰ ঘটনাবিলাকৰ ওপৰত থকা দৈৱিক বা আধিভৌতিক স্তৰৰ ব্যাখ্যাই মানুহৰ মনক সন্তুষ্ট কৰিব নোৱাৰিলে। প্ৰাকৃতিক ঘটনাবিলাকৰ ওপৰত মনিষীসকলৰ নতুন নতুন চিন্তাই প্ৰত্যক্ষ জ্ঞান অৰ্জনৰ বাট মোকলাই দিলে । এই জ্ঞান অৰ্জনে সভ্যতাৰ দ্ৰুত বিকাশত ইন্ধন হিচাপে ক্ৰিয়া কৰিলে। ব্যৱসায়-বাণিজ্যৰ কৌশলত পৰিবৰ্তন আহিল। উদ্যোগীকৰণ, নগৰীকৰণ আদিৰ ফলত সমাজত নতুন নতুন পৰিৱেশে গা কৰি উঠিল।

উপৰোক্ত পৰিবেশে এফালে যেনেদৰে উন্নয়নৰ বাট মুকলি কৰিলে ঠিক তেনেদৰে আৰ্থ-সামাজিক, ৰাজনৈতিক আদি দিশত অস্থিৰতা আৰু সামাজিক সমস্যাৰো সৃষ্টি কৰিলে। অৱশ্যে সামাজিক পৰিবৰ্তনত ই এক আৱশ্য ়াৰী ঘটনা । সি যি কি নহওক, যিমানে সামাজিক সমস্যাসমূহ জটিল হ'ল, সিমানে এই বিলাকৰ কৌশলপূৰ্ণ সমাধানৰ প্ৰয়োজনীয়তা আহিল। আধিভৌতিক স্তৰৰ চিন্তাৰ পৰিবৰ্তে তথ্যল যুক্তিপূৰ্ণ চিন্তাৰ প্ৰয়োজনীয়তা আহি পৰিল। মানুহৰ জীৱন পদ্ধতিৰ সালসলনিয়ে বৈজ্ঞানিক চিন্তাধাৰাৰ আগমন ঘটালে । এনে চিন্তাধাৰাই কেৱল যুক্তিতৰ্কৰ পৰিবৰ্তে বাস্তৱ তথ্যপাতিৰ আধাৰত সামাজিক ঘটনাক অধ্যয়ন কৰি সমস্যা সমাধানৰ পথ উদ্ভাৱন কৰাত গুৰুত্ব দিবলৈ ধৰিলে। ক'টৰমতে এনেদৰেই প্ৰত্যক্ষ বা বৈজ্ঞানিক স্তৰৰ অৱতাৰণা হয়।

ক'টে মানৱ জ্ঞানৰ প্ৰগতিৰ ত্ৰিস্তৰক মানুহৰ জীৱন চক্ৰ তথা মানসিক পৈণতাৰ সৈতে তুলনা কৰিছে। জীৱন চক্ৰত দৈহিক বিকাশৰ লগে লগে মানসিক দৃষ্টিভংগীও এক ধূসৰ অৱস্থাৰ পৰা স্বচ্ছ আৰু পৈণত চিন্তালৈ ৰূপান্তৰ হয়। ঠিক তেনেকৈ মানৱ জ্ঞানেও ইতিহাসৰ পথ অতিক্ৰম কৰি আহি বাস্তৱ তথ্যক প্ৰণালীবদ্ধ ভাৱে অধ্যয়ন কৰাৰ স্তৰত উপনীত হৈছে । এই স্তৰেই হৈছে প্ৰত্যক্ষ জ্ঞানৰ স্তৰ।

---

## ● আত্মমূল্যায়নৰ প্ৰশ্ন ঃ

---

(১) ত্ৰিস্তৰীয় বিধি বুলি কওঁতে ক'টে কি কি স্তৰৰ কথা কৈছিল ?

________________________________________

________________________________________

________________________________________

(২) দৈৱিক স্তৰৰ বিষয়ে চমুকৈ আলোচনা কৰা।

________________________________________

________________________________________

________________________________________

(৩) ক'টৰ মতে আধিভৌতিক স্তৰটো কেনেধৰণৰ ? আলোচনা কৰা।

________________________________________

________________________________________

________________________________________

(৪) প্ৰত্যক্ষ স্তৰৰ বিষয়ে এটি আলোচনা দাঙি ধৰা।

________________________________________

________________________________________

________________________________________

## ২.৪ সামৰণি

প্ৰথম খণ্ডৰ ২য়টি গোটত ইতিমধ্যে আমি কৰা আলোচনাত প্ৰধানকৈ তলত উল্লেখিত সাৰাংশ খিনি পোৱা হ'ল।

(১) সমাজতত্ত্বৰ পিতৃ অগষ্ট ক'টে গভীৰভাৱে বিশ্বাস কৰিছিল যে কেৱল বৈজ্ঞানিক পদ্ধতিৰ সহায়েৰেহে সামাজিক বিষয় সমূহক বাস্তৱ সন্মতভাৱে অধ্যয়ন কৰিব পাৰি।

(২) দাৰ্শনিক চেইন্ট চাইমনৰ দৰ্শনে ক'টক প্ৰভাৱান্বিত কৰিছিল।

(৩) ক'টে Sociology ক প্ৰথমে Social Physics বুলি নামাকৰণ কৰিছিল।

(৪) ক'টৰ দৰ্শনৰ মূল ভাবাদৰ্শ হৈছে প্ৰত্যক্ষবাদ।

(৫) ক'টে কৈছিল যে অন্যান্য প্ৰাকৃতিক বিজ্ঞানে অনুসন্ধানৰ পদ্ধতি হিচাপে গ্ৰহণ কৰাৰ দৰে সমাজতত্ত্বইও পৰ্যবেক্ষণ, পৰীক্ষাকৰণ আৰু তুলনাকৰণ পদ্ধতিৰ সহায় ল'ব লাগিব।

(৬) প্ৰত্যক্ষবাদ, ত্ৰিস্তৰীয় বিধি, বিজ্ঞানৰ সংস্তৰণ, সামাজিক স্থিৰতা আৰু গতিশীলতা আদি হৈছে ক'টৰ অন্যতম তত্ত্ব।

(৭) ত্ৰিস্তৰীয় বিধি অনুসৰি মানৱ জ্ঞানৰ বিকাশ তিনিটা স্তৰৰ মাজেৰে আহিছে। সেয়া হৈছে, (ক) দৈৱিক (খ) আধিভৌতিক আৰু (গ) প্ৰত্যক্ষ স্তৰ।

(৮) দৈৱিক স্তৰ হৈছে মানৱ জ্ঞানৰ সম্পূৰ্ণ কাল্পনিক আৰু অদৃষ্টবাদী স্তৰ।

(৯) আধিভৌতিক স্তৰত যুক্তিৰ অৱতাৰণা হ'ল যদিও সেই যুক্তি আছিল অমূৰ্ত। অৰ্থাৎ প্ৰণালীবদ্ধ অধ্যয়ন আৰু তথ্য অবিহনে তেনে যুক্তি উপস্থাপন কৰা হৈছিল।

(১০) ক'টৰ মতে মানৱ জ্ঞানৰ প্ৰগতিৰ তৃতীয় স্তৰ হ'ল প্ৰত্যক্ষ স্তৰ। এই স্তৰৰ অন্যতম বৈশিষ্ট্য হৈছে যে এই স্তৰত প্ৰত্যক্ষ পৰ্যবেক্ষণৰ জৰিয়তে আহৰণ কৰা তথ্যৰ ওপৰত যুক্তিৰে বিশ্লেষণ কৰা হয়।

## ঘাই শব্দসমূহ

(১) ধাৰণামূলক পদ্ধতি
(২) পৰ্যবেক্ষণ
(৩) পৰীক্ষাকৰণ
(৪) তুলনাকৰণ
(৫) প্ৰগতি
(৬) সংস্কৰণ
(৭) জড়বাদ
(৮) বহুদৈৱবাদ
(৯)একদৈৱবাদ
(১০) অমূৰ্ত

## পাঠ্য নিৰ্দেশনা


1. TimaSheff, N. S. : Sociological Theory, its Nature and Growth, Random House, New Yoprk, 1967
2. Rocher, Guy : A General Introduction to Sociology, Academic Publishers, Calcutta, 1990
3. Martindale, Don : The Nature and Types of Sociological Theory, Boston, 1960.
4. Coser, L.A. : Masters of Sociological Thought, Rawat Publications, Jaipur, 1996
5.Inkeles, A. : What is Sociology ? , Prentice Hall of India, New Delhi, 1993
6. Hazzarika, D. : Samajik Sintadharar Itihas, Bani Mandir, Dibrugarh, 1997

7. Borgohain, H. and Dutta, Santana : Snatak Mahalar Samajtatta Parichaya, Bidya Bhawan, Jorhat, 2012

## আৰ্হি প্ৰশ্ন

(১) অগষ্ট ক'টৰ এক চমু পৰিচয় দাঙি ধৰি তেখেতৰ মূল ভাৱাদৰ্শৰ বিষয়ে আলোচনা কৰা।

____________________________________________

____________________________________________

____________________________________________

(২) ক'টৰ বৰঙনিসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

____________________________________________

____________________________________________

____________________________________________

(৩) ক'টে ত্ৰিস্তৰীয় বিধিত কি কি স্তৰৰ কথা কৈছে ? উল্লেখ কৰা।

____________________________________________

____________________________________________

____________________________________________

(৪) ত্ৰিস্তৰীয় বিধিৰ বিষয়ে এটা আলোচনা আগবঢ়োৱা।

____________________________________________

____________________________________________

____________________________________________

## গোট-৩

## শিৰোনাম ঃ অগষ্ট ক'টৰ মূল ভাৱাদৰ্শ আৰু বৰঙনি ঃ বিজ্ঞানৰ সংস্তৰণ

**গঠন-বিন্যাস**

৩.০ উে শ্য

৩.১ প্ৰস্তাৱনা

৩.২ বিজ্ঞানৰ সংস্তৰণৰ অৰ্থ

৩.২.১ জ্যোতিবিজ্ঞান

৩.২.২ পদাৰ্থবিজ্ঞান

৩.২.৩ ৰসায়নবিজ্ঞান

৩.২.৪. জীৱবিদ্যা

৩.২.৫ সমাজতত্ত্ব

l আত্মমূল্যায়নৰ প্ৰশ্ন

৩.৩. সামৰণি

(১) ঘাই শব্দ সমূহ

(২) পাঠ্য নি ́শনা

(৩) আৰ্হি প্ৰশ্ন

## ৩.০ উে শ্য

এই পাঠটি অধ্যয়ন কৰাৰ পাছত তোমালোকে তলত দিয়া দিশকেইটি চিনাক্ত কৰিব পাৰিবা।

(ক) ক'টে আগবঢ়োৱা বিজ্ঞানৰ সংস্তৰণৰ অৰ্থ দাঙি ধৰিব পাৰিবা ।

(খ) ক'টে কি যুক্তিত বিজ্ঞানৰ বিষয়কেইটিক নি িষ্ট স্তৰত স্তৰীকৃত কৰিছিল সেই বিষয়ে লিখিব পাৰিবা।

(গ) সমাজতত্বক ক'টে কিয় তেওঁ উল্লেখ কৰা প্ৰাকৃতিক বিজ্ঞানকেইটিৰ পাছতে স্থান দিছিল সেই বিষয়ে ব্যাখ্যা কৰিব পাৰিবা ।

## ৩.১ প্ৰস্তাৱনা

আগৰ পাঠটি অধ্যয়ন কৰি তোমালোকে স্পষ্টকৈ বুজিলা যে অগষ্ট ক'টে দৃঢ়ভাৱে মত দাঙি ধৰি কৈছিল যে প্ৰত্যক্ষবাদে সামাজিক বিষয় অধ্যয়ন কৰাত বিজ্ঞান সন্মত কৌশল পোষকতা কৰে। পৰম্পৰাগত দৰ্শনৰ (traditional philosophy) প্ৰকৃতি আৰু সমাজৰ বিষয়ে আগবঢ়োৱা কোনো ব্যাখ্যাকে তেওঁ সমৰ্থন কৰা নাছিল। এনে পৰম্পৰাগত দৰ্শনকে তেওঁ আধিভৌতিক (metaphysical) বুলি আখ্যা দিছিল। অমূৰ্ত (abstract) ৰূপত কৰা চিন্তা-চৰ্চাকে তেওঁ আধিভৌতিক বুলি কৈছিল।

আধিভৌতিক স্তৰৰ পাছত আহিল প্ৰত্যক্ষবাদী স্তৰ। এই স্তৰতে আৰ হ'ল বিজ্ঞানৰ জয়যাত্ৰা । অন্য হাতে যি সময়ত যি বিজ্ঞানে জন্ম লাভ কৰি বিকাশ লাভ কৰিছে, সেই সময়ৰ মানুহৰ মানসিক প্ৰগতিৰ পৰিচয় সেই বিজ্ঞানত পোৱা যায় । কাৰণ প্ৰত্যেক বিজ্ঞানৰ জন্মৰ কাৰণ, পটভূমি, ক্ষেত্ৰ, বিকাশ আদিত ভিন্নতা আছে। বিজ্ঞানৰ উৎস হ'ল জ্ঞান । অন্যহাতে এই জ্ঞান একেদিনাই জন্ম হোৱা নাই। হেজাৰ হেজাৰ বছৰ অতিক্ৰম কৰি আহোতে সঞ্চিত হোৱা অভিজ্ঞতাৰ ফলত মানৱ জাতিয়ে জ্ঞান অৰ্জন কৰিছে। প্ৰনালীবদ্ধ অধ্যয়নে জ্ঞানক বিজ্ঞানলৈ ৰূপান্তৰ কৰিছে। সমাজবিজ্ঞান হিচাপে সমাজতত্বই এনেদৰে জন্ম লাভ কৰি নিজৰ বিকাশ সাধন কৰিছে।

## ৩.২ বিজ্ঞানৰ সংস্তৰণৰ অৰ্থ

ক'টে আগবঢ়োৱা ত্ৰিস্তৰীয় বিধিৰ লগত বিজ্ঞানৰ সংস্তৰণৰ (hierarchy of

sciences) সম্পৰ্ক আছে। তেওঁ কৈছে যে মানুহৰ জ্ঞান আহৰণ দুটা স্তৰ অৰ্থাৎ দৈৱিক আৰু আধিভৌতিক পাৰ হৈ আহি প্ৰত্যক্ষবাদী স্তৰত উপনীত হৈছে। কিন্তু এই জ্ঞানৰো বিভিন্ন শাখা আছে। এই শাখাসমূহৰ বিকাশ একে গতিৰ হোৱা নাই। কিন্তু প্ৰতিটো বিকশিত হৈ আহি প্ৰত্যক্ষবাদী স্তৰত উপনীত হৈছে। সাধাৰণতা (generality), সৰলতা (simplicity) আৰু অন্য শাখাৰ পৰা স্বতন্ত্ৰতা (independence of other departments) অনুসৰি বিজ্ঞান বিকশিত হৈছে। তেওঁ কৈছে যে জ্ঞানৰ যিটো শাখা সাধাৰণ, সৰল আৰু অন্য শাখাৰ প্ৰভাৱৰ পৰা অধিক স্বাধীন তেনে শাখাৰ বিকাশৰ গতি খৰতকীয়া হয়।

ক'টে কেইটামান সূত্ৰৰ আধাৰত বিজ্ঞানৰ সংস্তৰণৰ (hierarchy) কৰিছে। যেনে - (১) বিজ্ঞানৰ জন্ম আৰু বিকাশ সাধনৰ ঐতিহাসিক সময়, (২) বিষয়বস্তুৰ স্বতন্ত্ৰতা, (৩) অধ্যয়নৰ বিষয়বস্তু ,(৪) যিবোৰ বিষয়বস্তুক অধ্যয়ন কৰা হয় সেইবিলাক নতুন নতুন পৰিস্থিতিৰ লগত কেনেদৰে জড়িত হয়, ইত্যাদি। ক'টে কৈছিল যে মানৱ জ্ঞানৰ বিকাশৰ লগে লগে বিজ্ঞানৰ বিষয়বস্তুত জটিলতা বৃদ্ধি পায়। আহা এইবাৰ আমি আলোচনা কৰো তেওঁ উল্লেখ কৰা জ্যোতিৰ্বিজ্ঞান, পদাৰ্থবিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱবিদ্যাক কেনেদৰে আৰু কিয় স্বীকৃত কৰিছে। লগতে সমাজতত্ত্বক এই স্তৰীকৰণৰ কি স্তৰত ৰাখিছে সেই বিষয়েও আলোচনা কৰিম ।

## ৩.২.১ জ্যোতিৰ্বিজ্ঞান

অগষ্ট ক'টে বিজ্ঞানৰ ভিতৰত জ্যোতিৰ্বিজ্ঞানৰ জন্ম আৰু বিকাশ পোন প্ৰথমে হোৱা বুলি আখ্যা দি ইয়াক সংস্তৰণত প্ৰথম স্থান দিছে। মানুহে আদিম কালৰ পৰা আকাশৰ ঘটনাৰাশিক বিস্মিতভাৱে লক্ষ্য কৰি আহিছে। উদাহৰণস্বৰূপে পুৱাৰ সূৰুজ, নিশাৰ জোন-তৰাই আদিম মানৱক বিস্মিত কৰিছিল। নিশাৰ আকাশৰ অলেখ তৰাই বিস্ময়াভুভিত কৰি তুলিছিল । জোন, তৰা, বেলিৰ আবিৰ্ভাৱ আৰু অন্তৰ্দ্ধানৰ চক্ৰীয় গতি হৈ পৰিছিল মানুহৰ চিন্তা উদ্ৰেককাৰীৰ অন্যতম উৎস । মানুহে এইটোও চিন্তা কৰিছিল যে জীৱনদায়িনী শক্তিও হৈছে এই বিলাকেই ।

ক'টে কৈছিল যে সাধাৰণতা হৈছে বিজ্ঞান জন্মৰ মূল শক্তি। অতি সাধাৰণভাৱে আকাশৰ গ্ৰহ নক্ষত্ৰ লৈ উৎপত্তি হোৱা চিন্তা চৰ্চাই কালক্ৰমত এক সংহত অৱস্থালৈ ৰূপান্তৰ হয় আৰু গঢ় লৈ উঠে গণনাৰ এক ধাৰা। সাধাৰণ আৰু সৰলভাৱে জ্ঞান অন্বেষণৰ এক স্বকীয় ক্ষেত্ৰৰ জন্ম হয়। ইয়েই হৈছে জ্যোতিৰ্বিজ্ঞান (Astronomy)।

তেওঁ কৈছে যে জ্যোতিবিৰ্জ্ঞান সৃষ্টিৰ আগতে মানুহৰ গ্ৰহ-নক্ষত্ৰৰ ওপৰত থকা কিছুমান কল্পনাই জ্যোতিষশাস্ত্ৰ (Astrology) ৰ জন্ম দিছিল। কিন্তু প্ৰণালীবদ্ধ অধ্যয়ন, উ‌দ্দেশ্য, জ্ঞান অন্বেষন আদিৰ আধাৰত জ্যোতিৰ্বিজ্ঞান একক । জ্যোতিৰ্বিজ্ঞান আৰু জ্যোতিষশাস্ত্ৰ একে নহয়।

গ্ৰহ-নক্ষত্ৰৰ সৃষ্টি,স্থিতি অথবা ধ্বংস, বিশ্বব্ৰহ্মাণ্ডৰ জন্ম আদিৰ ওপৰত জ্যোতিৰ্বিজ্ঞানে তথ্যৰ আধাৰত প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰে। সি যি কি নহওক সাধাৰণ আৰু সৰল অৱস্থাৰ পৰা জ্ঞান অৰ্জনৰ ক্ষেত্ৰত জ্যোতিৰ্বিজ্ঞানে প্ৰাথমিক স্থান লৈছে বুলি ক'টে অভিহিত কৰি ইয়াক প্ৰথম স্থান দিছে।

## ৩.২.২. পদাৰ্থ বিজ্ঞান

বিজ্ঞানৰ সংস্তৰণত ক'টে পদাৰ্থ বিজ্ঞানক (Physics) দ্বিতীয় স্থানত থৈছে। ক'টে বিজ্ঞানক স্তৰীকৰণ কৰোতে বিজ্ঞানৰ স্থান, বাঢ়ি অহা জটিলতা আৰু কমি অহা সাধাৰণতা (law of increasing complexity and decreasing generality) নীতি অনুসৰণ কৰিছিল। অন্যহাতে তেওঁ বিজ্ঞানক জৈৱিক (organic) আৰু অজৈৱিক (inorganic) হিচাপেও ব্যাখ্যা আগ বঢ়াইছে। অজৈৱিক বিজ্ঞানৰ ভিতৰত অন্যতম হিচাপে তেওঁ পদাৰ্থ বিজ্ঞানক স্থান দিছে। তেওঁৰ আলোচনাত পোৱা যায় যে অজৈৱিক বিজ্ঞান হিচাপে পদাৰ্থবিজ্ঞান এক প্ৰাকৃতিক বিজ্ঞান। পদাৰ্থবিজ্ঞানে জ্যোতিৰ্বিজ্ঞানৰ ভিন ভিন সূত্ৰসমূহৰ জৰিয়তে নিজকে বিকশিত কৰিছে।

## ৩.২.৩ ৰসায়ন বিজ্ঞান

ক'টে পদাৰ্থবিজ্ঞানৰ পাছতে ৰসায়ন বিজ্ঞানক সংস্তৰণত স্থান দিছিল। ৰসায়ন বিজ্ঞান এক অজৈৱিক প্ৰাকৃতিক বিজ্ঞান যদিও ইয়াৰ মাজত বহুতো জৈৱিক উপাদানৰ সমাহাৰ হৈছে বুলি ক'টে কৈছিল। বিকাশৰ পথত ই জ্যোতিৰ্বিজ্ঞান আৰু পদাৰ্থ বিজ্ঞানৰ দ্বাৰা প্ৰভাৱান্বিত হৈ আহিছে। ক'টে কৈছিল যে গ্ৰহ-নক্ষত্ৰৰ গণনা, গ্ৰহ-নক্ষত্ৰৰ মানুহৰ ওপৰত প্ৰভাৱ আদি কাল্পনিক ধাৰণাৰ পৰা জ্যোতিষ শাস্ত্ৰৰ (Astrology) উৎপত্তি হৈছিল। এই জ্যোতিষশাস্ত্ৰৰ বিপৰীতে গ্ৰহ-নক্ষত্ৰৰ বিষয়ে বিজ্ঞান সন্মত পদ্ধতিৰে অধ্যয়ন কৰাৰ উ‌দ্দেশ্যৰে জ্যোতিৰ্বিজ্ঞানৰ জন্ম আৰু বিকাশ হৈছিল। ঠিক একেদৰে ৰসায়ন বিজ্ঞানৰ বিষয়বস্তুৰ লগত পৰম্পৰাগত ৰসায়ন জ্ঞানৰ (Alchemy)

সাদৃশ আছে। কিন্তু অধ্যয়নৰ উ শ্য বা অধ্যয়ন পদ্ধতিৰ ক্ষেত্ৰত দুয়োটা বিষয়ৰ মাজত সম্পৰ্ক নাই।

## ৩.২.৪ জীৱবিদ্যা

অগষ্ট ক'টে জীৱবিদ্যাক (Biology) সংস্তৰণৰ চতুৰ্থ স্থানত ৰাখিছে। ই হৈছে এক জৈৱিক (Organic) বিজ্ঞান। তেওঁ কৈছে যে জীৱবিদ্যাক অন্য সকলো প্ৰাকৃতিক বিজ্ঞানতকৈ স্পষ্টকৈ পৃথকভাৱে চাব পাৰি, কাৰণ ইয়াৰ আছে এক সামগ্ৰিক (holtstic) অধ্যয়ন বৈশিষ্ট্য। পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানে মূলতঃ অনু পৰমানুৰ বিষয়ে অধ্যয়ন কৰাৰ বিপৰীতে জীৱবিদ্যাই প্ৰাথমিক ভাৱে সামগ্ৰিক জৈৱিক অৱস্থাৰ বিষয়ে অধ্যয়ন আগবঢ়ায়।

ক'টৰ মতে বিজ্ঞানৰ দুটা অন্যতম চৰিত্ৰ হৈছে, ই অমূৰ্ত (abstract) আৰু মূৰ্ত (concrete) । প্ৰথমটো অনুসৰি ই সিদ্ধান্তমূলক আৰু দ্বিতীয়টোত অনুসৰি প্ৰায়োগিক । উদাহৰণ স্বৰূপে জীৱবিদ্যা হৈছে সিদ্ধান্তমূলক। কিন্তু চিকিৎসা বিজ্ঞান হৈছে এক প্ৰকাৰৰ প্ৰায়োগিক বিষয় য'ত জীৱবিদ্যাৰ সাধাৰণ সূত্ৰ (principle) প্ৰয়োগ কৰা হয়।

## ৩.২.৫ সমাজতত্ত্ব

বিজ্ঞানৰ সংস্তৰণৰ শীৰ্ষ স্থানত ক'টে সমাজ বিজ্ঞান হিচাপে সমাজতত্ত্বক (Sociology) স্থান দিছে। তেওঁ কৈছিল যে কিছুমান বিশেষ প্ৰনালীবদ্ধ বিজ্ঞানসন্মত কৌশল সমাজতত্ত্বই নিজাববীয়াকৈ প্ৰয়োগ কৰে যদিও ই সংস্তৰণত থকা অন্য বিজ্ঞান সমূহৰ ওপৰত নিৰ্ভৰশীল। তেওঁ সমাজতত্ত্বৰ কোনো সংজ্ঞা আগবঢ়োৱা নাছিল। ইয়াৰ পৰিবৰ্তে তেওঁ কৈছিল যে সময় বাগৰাৰ লগে লগে সমাজতত্ত্বইও নতুন নতুন বিষয়বস্তুক ইয়াৰ অন্তৰ্ভুক্ত কৰিব। সমাজতত্ত্বক তেওঁ দুটা প্ৰধান ভাগত ভগাইছিল। ভাগ কেইটা হৈছে (ক) সামাজিক স্থায়িত্ব (social statics) আৰু (খ) সমাজিক গতিশীলতা(social dynamics) । প্ৰথম ভাগটোৰ ভিতৰত সামাজিক পদ্ধতিৰ (Social System) থকা ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াৰ সূত্ৰসমূহ জড়িত হৈ থাকে। দ্বিতীয় ভাগত সামাজিক পদ্ধতিৰ পৰিবৰ্তন আৰু বিকাশৰ বিষয় সমূহ থাকে। ক'টে ভিন ভিন সমাজৰ বিষয়ে তুলনামূলক অধ্যয়নৰ জৰিয়তে সমাজতাত্বিক বিশ্লেষণ দাঙি ধৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল।

কিছুমান পদ্ধতিগত অধ্যয়নৰ বৈশিষ্ট্যৰ আধাৰত সমাজতত্ত্বক সংস্তৰণৰ

(hierarchy) অন্য বিষয় সমূহতকৈ ভিন্ন ধৰণেৰে চাব পাৰি। অন্যহাতে সংস্তৰণৰ নিকট স্থানত থকা জীৱবিদ্যাৰ অধ্যয়ন পদ্ধতিৰ লগতে সমাজতত্ত্বৰ অধ্যয়নৰ বহুতো সাদৃশ্য আছে। জীৱবিদ্যাই যেনেদৰে সামগ্ৰিক জৈৱিক পটভূমিত জীৱৰ বিষয়ে অধ্যয়ন কৰে ঠিক তেনেদৰে সমাজতত্ত্বইও সমাজ পদ্ধতিক আধাৰ হিচাপে লৈ সমাজৰ উপাদানসমূহৰ বিষয়ে অধ্যয়ন কৰে । ক'টে সমাজবিজ্ঞানসমূহৰ ভিতৰত সমাজতত্ত্বক শীৰ্ষ স্থান দিছে। তেওঁ কৈছে যে প্ৰত্যক্ষবাদী দৰ্শনৰ উৎকৰ্ষতাৰ সময়তে সমাজত সামাজিক পদাৰ্থজ্ঞানৰ (Social physics) জন্ম হ'ল । সেয়াই হৈছে সমাজতত্ত্ব। বিষয়বস্তুৰ জটিলতাই সমাজ-তত্ত্বক শীৰ্ষ স্থান দিছে।

## • আত্মমূল্যায়নৰ প্ৰশ্ন

(১) ক'টৰ মতে আধিভৌতিক স্তৰৰ পাছৰ স্তৰটোৰ নাম কি ?

________________________________________

________________________________________

________________________________________

(২) বিজ্ঞানৰ সংস্তৰণ বা বিজ্ঞানৰ স্তৰ বিভাজন মানে কি ?

________________________________________

________________________________________

________________________________________

(৩) ক'টে আগবঢ়োৱা বিজ্ঞানৰ সংস্তৰণত প্ৰথমে কোনটো বিষয়ক স্থান দিছিল ?

________________________________________

________________________________________

________________________________________

(৪) ক’টে সমাজতত্ত্বৰ সংজ্ঞা আগবঢ়াইছিল নে ?

---

---

---

## ৩.৩ সামৰণি

আমি এই গোটটোত অগষ্ট ক’টৰ মূল ভাৱাদৰ্শ আৰু বৰঙনি শিতানত তেখেতে আগবঢ়োৱা বিজ্ঞানৰ সংস্তৰণৰ বিষয়ে আলোচনা কৰিলোঁ। আশা কৰিছো তোমালোকে পাঠটিৰ জৰিয়তে তলত দিয়া দিশকেইটা চিনাক্ত কৰিব পাৰিছা।

(১) প্ৰনালীবদ্ধভাৱে কৰা অধ্যয়নকে বিজ্ঞান বুলি ক’ব পাৰি ।

(২) জ্ঞান অৰ্জন কৰাৰ বিভিন্ন শাখা আছে। এই শাখাসমূহৰ জন্ম আৰু বিকাশ একে গতিৰে হোৱা নাই।

(৩) ক’টৰ মতে সাধাৰণতা, সৰলতা আৰু অন্য শাখাৰ পৰা স্বতন্ত্ৰতা অনুসৰি প্ৰতিটো বিজ্ঞান বিকশিত হৈছে।

(৪) ক’টে বিজ্ঞানৰ সংস্তৰণত জ্যোতিৰ্বিজ্ঞানক প্ৰথম স্থান দি কৈছে যে এই বিজ্ঞানেই পোন প্ৰথমে জন্ম লাভ কৰি বিকশিত হৈছে।

(৫) ক’টে বিজ্ঞানৰ সংস্তৰণত জ্যোতিৰ্বিজ্ঞান, পদাৰ্থবিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱবিদ্যা আৰু সমাজতত্ত্বক স্থান দিছে।

(৬) সমাজতত্ত্বক ক’টে দুটা প্ৰধান ভাগত বিভক্ত কৰিছিল। যেনে সামাজিক স্থায়িত্ব (Social Statics) আৰু সামাজিক গতিশীলতা (Social dynamics)।

## ঘাই শব্দসমূহ

(১) আধিভৌতিক
(২) সংস্কৰণ
(৩) সাধাৰণতা
(৪) সৰলতা
(৫) স্বতন্ত্ৰতা
(৬) জৈৱিক
(৭) অজৈৱিক
(৮) ৰসায়ন জ্ঞান

## পাঠ্য নিৰ্দেশনা


1. Inkeles, A. : What is Sociology ? Prentice otall of India, New Delhi, 1996.

2. Coser, L. A. : Masters of Sociological thought, Rawat Publications, Jaipur, 1996.

3. Hussain, M. : A Prologue to Five Sociologists, T. L. Baruah Publication, Dibrugarh, 1996

4. Ahmed, G. : Samajttar Hidhanter Porichoi, Students Emporium, Dibrugarh, 1996.

5. Hazarika, D. : Samajik Sintadharar Itihas, Bani Mandir, Dibrugarh, 1997.

6. Gogoi, B. K. : Samaj Shastar Sidhanta, Banalata, Dibrugarh, 1993.

## আৰ্হি প্ৰশ্ন

(১) বিজ্ঞানৰ সংস্তৰণৰ অৰ্থ দাঙি ধৰা।

________________________________________________

________________________________________________

________________________________________________

(২) ক'টে কি কি সূত্ৰৰ আধাৰত বিজ্ঞানক সংস্তৰণ কৰিছে ?

________________________________________________

________________________________________________

________________________________________________

(৩) ক'টে কি কি  বিজ্ঞানক কেনেধৰণৰ স্তৰত বিভক্ত কৰিছিল আলোচনা কৰা।

________________________________________________

________________________________________________

________________________________________________

(৪) বিজ্ঞানৰ সংস্তৰণত সমাজতত্ত্বৰ স্থানৰ বিষয়ে এটি টোকা লিখা।

________________________________________________

________________________________________________

________________________________________________

# খণ্ড - ২

# হাৰ্বাৰ্ট স্পেন্‌চাৰ

(মূল্যাংঙ্কন - ২০)

## প্ৰস্তাৱনা

এই খণ্ডটি সমাজতাত্ত্বিক চিন্তাধাৰা পাঠ্যক্ৰমৰ দ্বিতীয় পাঠ্য খণ্ড। খণ্ডটিক দুটা গোটত বিভক্ত কৰা হৈছে।

১ম গোটটিত হাৰ্বাৰ্ট স্পেন্‌চাৰৰ এক চমু পৰিচয় দাঙি ধৰাৰ লগতে তেখেতে আগবঢ়োৱা সামাজিক বিবৰ্তন তত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে। লগতে আত্মমূল্যায়নৰ প্ৰশ্ন,আলোচনাৰ সমৰণি, পাঠ্য নিৰ্দেশনা আদি আগবঢ়োৱা হৈছে।

২য় গোটটিত স্পেন্‌চাৰৰ সামাজিক অংগীবাদ তত্ত্বৰ এক সম্যক আলোচনা দাঙি ধৰা হৈছে। ইয়াৰ লগতে আত্মমূল্যায়নৰ প্ৰশ্ন, পাঠ্য নিৰ্ ্শনা, অৰ্হি প্ৰশ্ন আগবঢ়োৱা হৈছে।

# গোট ঃ ১

# শিৰোনাম ঃ সামাজিক বিৱৰ্তন

## গঠন বিন্যাস

১.০ উে শ্য
১.১ প্ৰস্তাৱনা
১.২ হাৰ্বাৰ্ট স্পেন্‌চাৰ ঃ এক চমু পৰিচয়
১.২.১ স্পেন্‌চাৰৰ মূল ভাৱাদৰ্শ
১.২.২ স্পেন্‌চাৰৰ বৰঙনিসমূহ
l আত্মমূল্যায়নৰ প্ৰশ্ন
১.৩ সামাজিক বিৱৰ্তন ঃ সাধাৰণ অৰ্থ
১.৩.১ বিৱৰ্তন সিদ্ধান্তৰ প্ৰকাৰ সমূহ
১.৩.২ সামাজিক বিৱৰ্তন ঃ স্পেন্‌চাৰৰ ব্যাখ্যা
l আত্মমূল্যায়নৰ প্ৰশ্ন
১.৪ সামৰণি
(১) ঘাই শব্দসমূহ
(২) পাঠ্য নি ৰ্েশনা
(৩) আৰ্হি প্ৰশ্ন

## ১.০ উদ্দেশ্য

এই পাঠটি অধ্যয়ন কৰাৰ পাছত তোমালোকে তলত দিয়া দিশসমূহ চিনাক্ত কৰিব পাৰিব।

(ক) সমাজতত্ত্বৰ অন্যতম প্ৰতিষ্ঠাতা হাৰ্বাৰ্ট স্পেন্‌চাৰৰ পৰিচয় দাঙি ধৰিব পাৰিবা।

(খ) স্পেন্‌চাৰৰ সমাজতাত্ত্বিক অৱদানসমূহৰ বিষয়ে লিখিব পাৰিবা।

(গ) তেখেতৰ সামাজিক বিৱৰ্তন সিদ্ধান্তৰ বিষয়ে অৱগত হৈ ব্যাখ্যা কৰিব পাৰিবা ।

## ১.১. প্ৰস্তাৱনা

সমাজতত্ত্বৰ অন্যতম প্ৰতিষ্ঠাতা হিচাপে অগষ্ট ক'টৰ পাছতে হাৰ্বাৰ্ট স্পেনচাৰৰ নাম আহে। তেওঁক সমাজতত্ত্বৰ দ্বিতীয় প্ৰতিষ্ঠাতা বুলিও কোৱা হয়। প্ৰথম অৱস্থাত ক'টৰ দৰ্শনৰ প্ৰতি স্পেন্‌চাৰ যথেষ্ট আকৰ্ষিত হৈছিল। কিন্তু ক্ৰমান্বয়ে তেওঁ ক'টৰ বিশ্লেষন শৈলীৰ পৰা আঁতৰি নিজস্ব ধৰণেৰে মতবাদ দাঙি ধৰিছিল। সমাজক অধ্যয়ন কৰাৰ কাৰণে স্পেন্‌চাৰে সংৰচনাত্মক (structural), আৰু ক্ৰিয়াত্মক (functional), এই দুটা দিশৰ জৰিয়তে ঐতিহাসিক বিৱৰ্তনীয় (historical - evolutionary) মতবাদ উত্থাপন কৰিছিল। এই পাঠটিৰ জৰিয়তে আমি এই দিশসমূহ অধ্যয়ন কৰিম।

## ১.২ হাৰ্বাৰ্ট স্পেন্‌চাৰ ঃ এক চমু পৰিচয়

১৮২০ চনৰ ২৭ এপ্ৰিলত ইংলণ্ডৰ ডাৰ্বি (Derby) নামৰ ঠাইত স্পেন্‌চাৰৰ জন্ম হৈছিল। তেওঁ কোনো আনুষ্ঠানিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা নাছিল। ইয়াৰ মূল কাৰণ আছিল শিশু অৱস্থাত তেওঁ শাৰীৰিকভাৱে অত্যন্ত দুৰ্ব্বল আছিল। তেওঁৰ দেউতাক আছিল উচ্চ শিক্ষাৰে শিক্ষিত ব্যক্তি। দেউতাকে ঘৰতে তেওঁৰ শিক্ষাৰ ব্যৱস্থা কৰিছিল। শিশুকালত তেওঁৰ শিক্ষক আছিল দেউতাক আৰু দদায়েক । আনুষ্ঠানিক শিক্ষা নথকা সত্বেও নিজস্ব পাৰদৰ্শিতাৰে যোল্ল বছৰ বয়সত তেওঁ অঙ্ক আৰু অন্য প্ৰাকৃতিক বিজ্ঞানত পাৰদৰ্শী হৈ উঠিল।

স্পেন্‌চাৰে ১৮৪৮ চনত লণ্ডনৰ পৰা প্ৰকাশিত Economist নামৰ আলোচনীখনত

সহকাৰী সম্পাদক হিচাপে যোগদান কৰে। এই সময়খিনিতে তেওঁ বিজ্ঞানী Thomas Huxley, John Tyndall আদিৰ সংস্পৰ্শলৈ আহে । বৌদ্ধিক মত বিনিময়ৰ ক্ষেত্ৰত এই সময়খিনি স্পেন্‌চাৰৰ জীৱনৰ উৎকৃষ্ট সময় । Economistৰ লগত জড়িত হৈ থকা সময়তে তেওঁৰ প্ৰথমখন গ্ৰন্থ Social Statics (1851) প্ৰকাশ হয়। তেখেতৰ Principles of Biology নামৰ গ্ৰন্থখন অক্সফৰ্ড বিশ্ববিদ্যালয়ত পাঠ্যপুথি হিচাপে প্ৰচলন হৈছিল।

স্পেন্‌চাৰে বিভিন্ন বিশ্ববিদ্যালয়, ৰাষ্ট্ৰ আদিৰ পৰা তেখেতৰ দৰ্শনৰ বাবে সন্মান (honour) পাইছিল। অৱশ্যে প্ৰায় সকলোবিলাক বঁটা বহনাকে তেওঁ বিনয়ভাৱে প্ৰত্যাখান কৰিছিল। সামাজিক বিৱৰ্তন সূত্ৰৰ বাবে জীৱনকালতে তেওঁ কিম্বদন্তিস্বৰূপ হৈ পৰিছিল। জীৱনৰ শেষ সময়ছোৱাত তেওঁ যি আন্তৰ্জাতিক সন্মান পাইছিল তাক তেওঁৰ সময়ৰ মহান জীৱবিজ্ঞানী চাৰ্লছ ডাৰউইনৰ লগতহে তুলনা কৰিব পাৰি। সমাজতত্ত্বৰ সম্পৰ্কে লিখা গ্ৰন্থসমূহ সমাজতত্ত্বত ধ্ৰুপদী গ্ৰন্থ হিচাপে স্মৰণীয় হৈ থাকিব। এই মহান সমাজতাত্ত্বিকজনাৰ ৮৩ বছৰ বয়সত ১৯০৩ চনৰ ৮ ডিচেম্বৰ তাৰিখে পৰলোক প্ৰাপ্তি ঘটে ।

## ১.২.১ স্পেন্‌চাৰৰ মূল ভাৱাদৰ্শ

স্পেন্‌চাৰৰ সমাজতাত্ত্বিক চিন্তাধাৰাৰ মূল দৰ্শন হৈছে সামাজিক বিৱৰ্তন । সৰল অৱস্থাৰ পৰা সমাজ ক্ৰমান্বয়ে জটিল অৱস্থা প্ৰাপ্ত হয়। সমাজৰ গঠন প্ৰকৃতি অনুসৰি বিৱৰ্তনৰ স্তৰত সৰল (Simple), যৌগিক (Compound), দ্বি-যৌগিক (Doubly compound) হিচাপে দেখা যায়। অন্যহাতে জটিলতাৰ মাত্ৰা অনুসৰি তেখেতে সমাজক দুটা প্ৰধান ভাগত ভগাইছিল। সেয়া হৈছে সামৰিক (Millitant) আৰু ঔদ্যোগিক (Industrial)। সমাজৰ বৈশিষ্ট্য হৈছে বিৱৰ্তনৰ মাজেৰে আগবাঢ়ি যোৱা ।

## ১.২.২ স্পেন্‌চাৰৰ বৰঙনিসমূহ

এইবাৰ আমি স্পেন্‌চাৰৰ মূল বৰঙনিসমূহ উল্লেখ কৰো আহা। তেখেতৰ প্ৰথম গ্ৰন্থখন আছিল Social Statics (1851)। তেখেতৰ দ্বিতীয়খন গ্ৰন্থ আছিল The Principles of Psychology (1854)। অন্যান্য গ্ৰন্থসমূহ আছিল First Principles (1862), কেইবাটাও খণ্ডত প্ৰকাশ পাইছিল Principles of Biology (between 1864 and 1867), The Study of Sociology (1873), The Man Versus the State (1884),

Autobiography (1904) আদি। বিভিন্ন সময়ত প্ৰকাশিত তেখেতৰ গৱেষণা প্ৰত্ৰসমূহে পণ্ডিতসকলৰ মাজত আলোড়নৰ সৃষ্টি কৰিছিল।

## • আত্মমূল্যায়নৰ প্ৰশ্ন

(১) সমাজতত্বৰ অন্যতম প্ৰতিষ্ঠাতা হিচাপে হাৰ্বাৰ্ট স্পেন্‌চাৰক কোনটো স্থানত ধৰা হয় ?

---

---

---

(২) হাৰ্বাৰ্ট স্পেন্‌চাৰৰ এক চমু প্ৰৰিচয় দাঙি ধৰা।

---

---

---

(৩) স্পেন্‌চাৰৰ গ্ৰন্থসমূহৰ নাম লিখা ।

---

---

---

## ১.৩ সামাজিক বিৱৰ্তন ঃ সাধাৰণ অৰ্থ

সাধাৰণ অৰ্থত বিৱৰ্তন মানে হৈছে এটা অৱস্থাৰ পৰা আন এটা অৱস্থালৈ হোৱা ৰূপান্তৰ প্ৰক্ৰিয়া। ঠিক তেনেকৈ সমাজ সৰল আৰু সমৰূপী অৱস্থাৰ পৰা ক্ৰমান্বয়ে জটিল তথা ভিন ভিন বৈশিষ্টপূৰ্ণ অৱস্থালৈ পৰিবৰ্তন হোৱা প্ৰক্ৰিয়াই হৈছে সামাজিক বিৱৰ্তন। সমাজ ব্যৱস্থা সৰল অৱস্থাৰ পৰা জটিল, একজাতীয়তাৰ

(homogeneous) পৰা বহুজাতীয়তালৈ (heterogenous) ৰূপান্তৰিত হৈছে। সাধাৰণ অৰ্থত এয়াই হৈছে সামাজিক বিৱৰ্তন।

## ১.৩.১ বিৱৰ্তন সিদ্ধান্তৰ প্ৰকাৰসমূহ

সমাজতত্ত্বত হাৰ্বাৰ্ট স্পেন্‌চাৰেই হৈছে প্ৰথম আৰু প্ৰধান তাত্ত্বিক যি বিৱৰ্তন সিদ্ধান্তক প্ৰতিষ্ঠা কৰিছিল। পিছৰ কালৰ তাত্ত্বিক সকলে তেওঁ প্ৰতিষ্ঠা কৰা বিবৰ্তন সিদ্ধান্তৰ নামকৰণ সাৰ্বৰ্জনীন (Universal) বিবৰ্তন সিদ্ধান্ত হিচাপে কৰিছে। ইমাইল দুৰখেইম, এফ টনীজ আদিয়ে এই ধাৰাত বিবৰ্তনৰ সম্পৰ্কত আলোচনা কৰিছে। ঠিক তেনেকৈ বিৱৰ্তন সিদ্ধান্ত সমূহক অন্য কিছুমান গোষ্ঠীত ভগাব পাৰি । যেন এক দিশদৰ্শী (Unilinear), পুনৰাবৰ্তন (Cyclical), বহুদিশদৰ্শী (Multilinear) আদি। একদিশদৰ্শীৰ অন্যতম তাত্ত্বিক আছিল লুইচ হেনৰী মৰ্গেন। এছৱাল্ড স্পেনঙলাৰ, আৰ্নল্ড টয়নবী আদি হৈছে পুনাৰাৱৰ্তন সিদ্ধান্তৰ আৰু বহুদিশদৰ্শীত আছিল জুলিয়ান ষ্টেৱাৰ্ড, টালকট পাৰ্‌চনছ আদি।

## ১.৩.২ সামাজিক বিৱৰ্তন ঃ স্পেন্‌চাৰৰ ব্যাখ্যা

বিৱৰ্তন ধাৰণাটো সমাজৰ ক্ষেত্ৰত বহু আগৰ পৰা আলোচনা হৈ আহিছিল যদিও ইয়াৰ অৰ্থ পৰিবৰ্তন, প্ৰগতি (Progress) আদিৰ লগত একাকাৰ হৈ পৰিছিল। ইয়াৰ, পৰিবৰ্তে স্পেন্‌চাৰেই পোনপ্ৰথম বিৱৰ্তনৰ অৰ্থ সমাজৰ ক্ষেত্ৰত প্ৰয়োগ কৰি সামাজিক বিৱৰ্তনৰ স্পষ্ট অৰ্থ দাঙি ধৰিছিল।

স্পেন্‌চাৰে প্ৰাকৃতিৰ বিজ্ঞানৰ পৰা বহুতো সূত্ৰ আহৰণ কৰিছিল । তেওঁৰ সমাজ সম্পৰ্কীয় ধাৰণা আৰু সিদ্ধান্তসমূহৰ বহলাংশই প্ৰাকৃতিক বিজ্ঞানৰ ওপৰত আধাৰিত। প্ৰথম অৱস্থাত স্পেন্‌চাৰ ক'টৰ চিন্তাধাৰাৰ প্ৰতি যথেষ্ট আকৰ্ষিত হৈছিল। ক'টে জীৱনৰ বিজ্ঞান (Science of life) আৰু সমাজৰ বিজ্ঞানৰ (Science of Society) মাজৰ সম্পৰ্কক একত্ৰিত কৰিব বিচৰা প্ৰচেষ্টা স্পেন্‌চাৰে সমৰ্থন কৰিছিল। কিন্তু ক্ৰমান্বয়ে তেওঁ ক'টৰ ভাৱধাৰাৰ পৰা আঁতৰি আহি নিজস্ব ধৰণেৰে মতবাদ দাঙি ধৰিছিল। বিৱৰ্তনৰ বিষয়ে চিন্তাচৰ্চা অব্যাহত ৰখাৰ সময়তে মহান জীৱন বিজ্ঞানী চাৰ্লছ ডাৰউইনৰ Origin of Species (1858) নামৰ গ্ৰন্থখন প্ৰকাশ পায়। এই গ্ৰন্থখনে স্পেন্‌-চাৰৰ চিন্তাধাৰাত অভুতপূৰ্ব প্ৰভাৱ পেলালে । গ্ৰন্থখনৰ মূল বক্তব্য আছিল প্ৰানীজগতৰ

বিৱৰ্তন। প্ৰাণীজগতত যিদৰে বিবৰ্তন ঘটে ঠিক তেনেদৰে মানুহৰ সমাজ জীৱনতো বিৱৰ্তন ঘটে। সিয়েই হৈছে সামাজিক বিৱৰ্তন।

ভৌতিক জীৱনত পৰিবৰ্তন ঘটাটো যেনেদৰে স্বাভাৱিক ঘটনা ঠিক তেনেদৰে সামাজিক জীৱনতো পৰিবৰ্তন এক স্বাভাৱিক ঘটনা। এই নিয়ম অনুসৰিয়েই সকলো মানৱ সমাজ বিৱৰ্তন প্ৰক্ৰিয়াৰ জৰিয়তে পৰিবৰ্তনমুখী হয়। সমাজ ব্যৱস্থা সৰল অৱস্থাৰ পৰা জটিল আৰু একজাতীয়তাৰ (homogenous) পৰা বহুজাতীয়তালৈ (heterohemous) ৰূপান্তৰিত হৈ থাকে । স্পেন্‌চাৰে আগবঢ়োৱা সামাজিক বিৱৰ্তন সিদ্ধান্তত সমাজ পদ্ধতি, পৰিবৰ্তন, প্ৰগতি আদি ধাৰণাসমূহো লুকাই আছিল।

স্পেন্‌চাৰৰ অন্য এটা তত্ত্ব বা সিদ্ধান্ত হৈছে সামাজিক অংগীবাদ ( Social Organism) । এই বিষয়ে আমি পিচৰ পাঠটিত আলোচনা কৰিম । উল্লেখযোগ্য যে এই তত্ত্বটি সামাজিক বিৱৰ্তন তত্ত্বৰ লগত গভীৰভাৱে সংযুক্ত হৈ আছে। জীৱদেহ ক্ষুদ্ৰ আৰু সৰল অৱস্থাৰ পৰা ক্ৰমান্বয়ে জটিল আৰু বৃহৎ অৱস্থালৈ ৰূপান্তৰিত হোৱাৰ দৰে সমাজ ব্যৱস্থাও স্বাভাৱিক গতিৰে বিৱৰ্তিত হৈ আছে। অৰ্থাৎ তেখেতে সমাজক এক জীৱ দেহৰ বিকাশৰ লগত তুলনা কৰি সমাজৰ ক্ৰমবিৱৰ্তনৰ কথা বিশ্লেষন কৰিছে।

হাৰ্বাৰ্ট স্পেন্‌চাৰে First Priciples নামৰ গ্ৰন্থত সামাজিক বিবৰ্তনৰ বিষয়ে তেওঁৰ আলোচনাত কৈছে – " evolution is a change from a state of relatively indefinite, incoherent homogeneity to a state of relatively definite, coherent, heterogeneity. তেওঁৰ মতে স্বাভাৱিক নিয়ম অনুসৰি সমাজে এক আৰ্হিৰ ভাৰসাম্য (Unstable equlitibrium) অৱস্থাৰ পৰা স্থিৰ ভাৰসাম্য (Stable equitabrium) অৱস্থালৈ ৰূপান্তৰিত হয়। সেয়াই হৈছে সামাজিক বিৱৰ্তন। স্থিৰ ভাৰসাম্য অৱস্থালৈ বিবৰ্তিত হোৱাৰ অৰ্থই হৈছে সমাজৰ গঠন আৰু কাৰ্যৰ পৰিবৰ্তন । অৰ্থাৎ বৈসাদৃশ্যপূৰ্ণ অৱস্থা হৈছে স্থিৰ ভাৰসাম্যৰ লক্ষণ । আমি ইতিমধ্যে উল্লেখ কৰি আহিছো যে বিৱৰ্তনৰ এই প্ৰক্ৰিয়াত সমাজক সৰল, যৌগিক, দ্বি-যৌগিক আৰু ত্ৰিযৌগিক হিচাপে পোৱা যায়। বিশেষীকৰণ (Specialisation), পৃথকীকৰণ (Differentiation), শ্ৰম বিভাজন (division of labour) আদিৰ জৰিয়তে এখন সমাজ স্থিৰ ভাৰসাম্য অৱস্থালৈ বিৱৰ্তিত হয়।

স্পেন্‌চাৰৰ সামাজিক বিৱৰ্তন সিদ্ধান্ত হৈছে এটা সংৰচনাত্মক কাৰ্যাত্মক সিদ্ধান্ত (Structural Functional theory) । কাৰণ তেওঁ সামাজিক ক্ৰিয়াক সামাজিক গঠনৰ লগতে একীভূত কৰি বিৱৰ্তনৰ ব্যাখ্যা আগবঢ়াইছে । সময়ৰ লগে লগে মানুহৰ জীৱন ধাৰণ পদ্ধতি তথা নিয়ন্ত্ৰণমূলক পদ্ধতিবোৰত বিশেষীকৰণ আহি পৰে। অৰ্থাৎ এক সৰল অৱস্থাৰ পৰা সমাজ জটিল অৱস্থালৈ ৰূপান্তৰিত হয়। তেওঁ কৈছে যে সমাজত বিৱৰ্তন প্ৰক্ৰিয়া চিৰ বৰ্তমান (ever present)। স্পেন্‌চাৰৰ ভাষাত 'The

change from the homogeneous to the heterogeneous is displayed in the progress of civilization as a whole , as well as in the progress of every nation ; and it is still going, on with increasing rapidity" ।

যিকোনো এখন সমাজ পোনতে সৰল আৰু অসংগঠিত হৈ থাকে। কালক্ৰমত ক্ৰমবিৱৰ্তনৰ জৰিয়তে ই সংগঠিত ৰূপ লয়। ইয়াৰ মূল কাৰণ হৈছে সময় বাগৰাৰ লগে লগে সামাজিক সংস্থাবোৰে (institution) নতুন নতুন সামাজিক নীতিসমূহক আয়ত্ব কৰি সংহত ৰূপ গ্ৰহণ কৰা। উদাহৰণ স্বৰূপে সামাজিক প্ৰথাই (Social custom) নতুন ৰূপেৰে আইনলৈ (law) ৰূপান্তৰিত হ'লে সি দৃঢ় আৰু সামাজিক নিয়ন্ত্ৰণত কঠোৰ হয়। এনেদৰে সামাজিক প্ৰগতি আহে। অন্যহাতে সামাজিক প্ৰগতি হৈছে সামাজিক বিৱৰ্তনৰে এক প্ৰতিৰূপ।

ক্ৰমবৰ্দ্ধিত জনসংখ্যাক সামাজিক বিৱৰ্তনৰ প্ৰধান কাৰক বুলি স্পেন্‌চাৰে কৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে সমাজত বহুধৰণৰ সংস্থাৰ সৃষ্টি হ'ল। সামাজিক নীতি-নিয়মৰ প্ৰচলন হ'ল। শ্ৰম বিভাজন আৰু কামৰ বিশেষীকৰণো আহি পৰিল। উদাহৰণ স্বৰূপে ৰাজনৈতিক,অৰ্থনৈতিক,ধৰ্মীয়, পাৰিবাৰিক আদি প্ৰতিক্ষেত্ৰত আগমন হোৱা কামকাজৰ বিশেষীকৰণে(Specialisation) মানুহৰ দৈনন্দিন জীৱন যাত্ৰাৰ পদ্ধতি সলনি কৰিবলৈ ধৰিলে। পাৰস্পৰিকভাৱে মানুহ নিৰ্ভৰশীল হবলৈ আৰ হ'ল ।অৰ্থাৎ পাৰস্পৰিকভাৱে নিৰ্ভৰশীল মানুহৰ মাজত বৈসাদৃশ্য পূৰ্ণ সংৰচনাৰ সৃষ্টি হ'ল। বৈশাদৃশ্যপূৰ্ণ হোৱা স্বতেও পাৰস্পৰিক নিৰ্ভৰশীলতাৰ বাবে ভাৰসাম্য থকা অৱস্থা আৱশ্য ।ৱী হ'বলৈ ধৰিলে।

স্পেন্‌চাৰৰ মতে সামাজিক বিৱৰ্তন এক ধাৰাবাহিক প্ৰক্ৰিয়া। ই ক্ৰমবৰ্দ্ধমান । মানৱ জাতিৰ বিৰামহীন ক্ৰিয়া কলাপৰ জৰিয়তে ইয়াৰ ধাৰাবাহিকতা (continuity) চলি আছে। এইখিনিতে পুনৰ শ্ৰম বিভাজনৰ কথা উল্লেখ কৰিব পাৰি । শ্ৰমবিভাজনে কিছুমান অঞ্চলক কেন্দ্ৰীয় অঞ্চললৈ পৰ্যবসিত কৰিব পাৰে। ইয়াৰ উদাহৰণ নগৰীকৰণ (urbanization) । নগৰীকৰণ, উদ্যোগীকৰণ আদিয়ে সামাজিক সম্পৰ্কত আমূল পৰিবৰ্তন আনে। সি যি কি নহওক, স্পেন্‌চাৰে ব্যাখ্যা দাঙি ধৰি কৈছে যে সামাজিক বিৱৰ্তন মানৱ সমাজ আৰু সভ্যতাৰ এক চিৰন্তন বৈশিষ্ট্য ।

## • আত্মমূল্যায়নৰ প্ৰশ্ন

(১) সামাজিক বিৱৰ্তনৰ এক সাধাৰণ অৰ্থ দাঙি ধৰা।

-_______________________________________________

_______________________________________________

_______________________________________________

(২) বিৱৰ্তন সিদ্ধান্তৰ প্ৰকাৰ সমূহ কি কি ?

_______________________________________________

_______________________________________________

_______________________________________________

(৩) হাৰ্বাৰ্ট স্পেন্‌চাৰৰ মতে সামাজিক বিৱৰ্তন মানে কি বুজায় ?

_______________________________________________

_______________________________________________

_______________________________________________

## ১.৪ সামৰণি

আমি ইতিমধ্যে সামাজিক বিৱৰ্তনৰ সম্পৰ্কত স্পেন্‌চাৰৰ ব্যাখ্যাৰ বিষয়ে আলোচনা কৰিলো। আলোচনাৰ অন্তত প্ৰধানকৈ আমি তলত দিয়া দিশকেইটা চিনাক্ত কৰাত সমৰ্থ হম ।

(১ ) সমাজতত্ত্বৰ অন্যতম প্ৰতিষ্ঠাতা হিচাপে সমাজতত্ত্বৰ পিতৃপুৰুষ অগষ্ট ক'টৰ পাছতে হাৰ্বাৰ্ট স্পেন্‌চাৰৰ নাম লোৱা হয়।

(২) সমাজৰ বিষয়ে অধ্যয়ন কৰোতে স্পেন্‌চাৰে সংৰচনাত্মক আৰু ক্ৰিয়াত্মক, এই দুটা দিশৰ জৰিয়তে ঐতিহাসিক বিৱৰ্তনীয় (historicevolutionary)

মতবাদ দাঙি ধৰিছিল।

(৩) স্পেন্‌চাৰে প্ৰাকৃতিক বিজ্ঞানৰ পৰা বিৱৰ্তনৰ বহুতো সূত্ৰৰ সহায় লৈছিল।

(৪) মহান জীৱবিজ্ঞানী ডাৰউইনৰ Origion of Species নামৰ গ্ৰন্থখনে স্পেন্‌চাৰৰ চিন্তাধাৰাত প্ৰভাৱ পেলাইছিল।

(৫) স্পেন্‌চাৰৰ সামাজিক অংগীবাদ নামৰ তত্বটি সামাজিক বিৱৰ্তন তত্বৰ লগত গভীৰভাৱে সংযুক্ত হৈ আছে।

(৬) স্পেন্‌চাৰৰ মতে স্বাভাৱিক নিয়ম অনুসৰি সমাজ এক অস্থিৰ ভাৰসাম্য অৱস্থাৰ পৰা স্থিৰ ভাৰসাম্য অৱস্থালৈ ৰূপান্তৰিত হয়। সেয়াই হৈছে সামাজিৰ বিৱৰ্তন।

## ঘাই শব্দসমূহ

(১) বিৱৰ্তন
(২) ধ্ৰুৱদী
(৩) দ্বি-যৌগিক
(৪) ত্ৰি-যৌগিক
(৫) একজাতীয়তা
(৬) বহুজাতীয়তা
(৭) এক দিশদৰ্শী
(৮) বহু দিশদৰ্শী
(৯) প্ৰগতি
(১০) ভাৰসাম্য
(১১) বিশেষীকৰণ
(১২) পৃথকীকৰণ
(১৩) শ্ৰম বিভাজন
(১৪) সামাজিক প্ৰথা

(১৫) নগৰীকৰণ

(১৬) ঔদ্যোগীকৰণ

(১৭) সামাজিক অংগীবাদ

(১৮) ধাৰাবাহিকতা

## পাঠ্য নির্দেশনা


1. Coser, L. A. : Masters of Sociological Thought, Rawat Publications Jaipur, 1996

2. Inkles, A. : What is Sociology , Prentice Hall of India, New Delhi, 1993

3. Aron, Raymond : Main Currents in Sociological Thought, Vol. I & II, Palican Books 1988

4. Hussain, M. : A Prologue to five Sociologists, T. L. Baruah Publication, Dibrugarh, 1996

5. Hazarika, D. : Samajik Sintadharar Itihas, Bani Mandir, Dibrugarh, 1997

6. Ahmed, G : Samajttar Sidhantar Porichoi, Students-Empotium, Dibrugarh, 1996.

## আৰ্হি প্ৰশ্ন

(১) হাৰ্বাৰ্ট স্পেন্‌চাৰৰ এক চমু পৰিচয় দাঙি ধৰা।

____________________________________________

____________________________________________

____________________________________________

(২) সামাজিক বিবৰ্তন বুলিলে কি বুজা ? এই সিদ্ধান্তৰ প্ৰকাৰৰ সমূহ কি কি ? আলোচনা কৰা।

____________________________________________

____________________________________________

____________________________________________

(৩) হাৰ্বাৰ্ট স্পেন্‌চাৰে আগবঢ়োৱা সামাজিক বিৱৰ্তন তত্ত্বৰ বিষয়ে আলোচনা কৰা।

____________________________________________

____________________________________________

____________________________________________

# গোট ঃ ২
# শিৰোনাম ঃ সামাজিক অংগীবাদ

## গঠন বিন্যাস

২.০ উদ্দেশ্য
২.১ প্ৰস্তাৱনা
২.২ সামাজিক অংগীবাদ ঃ সাধাৰণ অৰ্থ
২.২.১ মানৱ সমাজ আৰু জীৱ দেহৰ মাজৰ সাদৃশ্যতা
২.২.২ মানৱ সমাজ আৰু জীৱদেহৰ মাজৰ বৈসাদৃশ্যতা
l আত্মমূল্যায়নৰ প্ৰশ্ন
২.৩ সামাজিক বিৱৰ্তন আৰু সামাজিক অংগীবাদ
২.৩.১ সামাজিক সংস্থা
২.৩.২ সমাজৰ প্ৰকাৰ
l আত্মমূল্যায়নৰ প্ৰশ্ন
২.৪ সামৰণি
(১) ঘাই শব্দসমূহ
(২) পাঠ্য নিৰ্দ্দেশনা
(৩) আৰ্হি প্ৰশ্ন

## ২.০ উদ্দেশ্য

এই পাঠটি অধ্যয়ন কৰাৰ পাছত তোমালোকে তলত দিয়া দিশসমূহ চিনাক্ত কৰিব পাৰিবা।

(ক) সমাজতত্ত্বৰ অন্যতম প্ৰতিষ্ঠাতা হাৰ্বাৰ্ট স্পেন্‌চাৰৰ সামাজিক অংগীবাদ সিদ্ধান্তৰ সাধাৰণ অৰ্থ দাঙি ধৰিব পাৰিবা।

(খ) মানৱ সমাজ আৰু জীৱদেহৰ মাজৰ সাদৃশ্যতা আৰু বৈসাদৃশ্যতাসমূহ চিনাক্ত কৰাত সমৰ্থ হ'বা।

(গ) স্পেন্‌চাৰে আগবঢ়োৱা সামাজিক বিৱৰ্তন আৰু সামাজিক অংগীবাদ সিদ্ধান্তৰ মাজৰ সম্পৰ্কবোৰৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা

আমি ইতিমধ্যেই আলোচনা কৰি আহিছো যে স্পেন্‌চাৰৰ সমাজ সম্পৰ্কীয় ধাৰণা আৰু সিদ্ধান্তসমূহৰ বহুলাংশই প্ৰাকৃতিক বিজ্ঞানৰ সূত্ৰৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। স্পেন্‌চাৰে মানৱ সমাজক জীৱদেহৰ বিৱৰ্তনৰ সৈতে তুলনা কৰি বিশ্লেষণ আগবঢ়াইছিল। সামাজিক অংগীবাগ (Social Organism) সিদ্ধান্তত তেওঁ যি ব্যাখ্যা আগবঢ়াইছে তাত এই কথাই প্ৰতিফলন হৈছে। সামাজিক অংগীবাদ সিদ্ধান্তৰ মূল উদ্দেশ্য হৈছে মানৱ সমাজক সামগ্ৰিক ভাৱে জীৱদেহৰ অংগৰ বিকাশৰ সৈতে সাদৃশ্য কৰি তুলনা কৰা। স্পেন্‌চাৰৰ Principles of Sociology নামৰ গ্ৰন্থত এই বিষয়ে বিস্তৃত বিশ্লেষন পোৱা যায়। এই পাঠটিত আমি এই দিশসমূহৰ বিষয়ে আলোচনা কৰো আহা।

## ২.২ সামাজিক অংগীবাদ ঃ সাধাৰণ অৰ্থ

এটা ক্ষুদ্ৰ আৰু সৰল জীৱকোষ ক্ৰমান্বয়ে এক ডাঙৰ আৰু জটিল দেহলৈ ৰূপান্তৰ হয়। এই জীৱকোষৰ পৰাই অংগসমূহৰ জন্ম আৰু বিকাশ ঘটে। প্ৰতিটো অংগ-প্ৰত্যঙ্গৰ সমন্বয়ত জীৱদেহটোৱে পূৰ্ণতা লাভ কৰে। ঠিক একেদৰে ক্ষুদ্ৰ আৰু সৰল এক সমাজ জীৱনত জনসংখ্যাৰ বৃদ্ধি আৰু জটিল শ্ৰম বিভাজনে দেখা দিয়ে। ফলত সমাজ এক জটিল পদ্ধতিলৈ ৰূপান্তৰিত হয়। সমাজ জীৱনো এক জটিল জীৱদেহৰ দৰে। সৰল সমাজত সমাজ পদ্ধতিও সহজ-সৰল। সামাজিক সংস্থা যেনে পৰিয়াল পদ্ধতি, ধৰ্ম, ৰাজনীতি আদিৰ গঠন আৰু ক্ৰিয়াও সহজ-সৰল। কিন্তু সময়ৰ অগ্ৰগতিৰ লগে লগে মানুহৰ মাজৰ

সম্পৰ্ক আৰু সামাজিক ক্ৰিয়াতো ব্যাপক পৰিবৰ্তন হয়।

গঠন আৰু কাৰ্যৰ জৰিয়তে যেনেদৰে এক জীৱদেহৰ সংৰচনা (Structure) হয় ঠিক একেদৰে সমাজতো সংৰচনা থাকে। সমাজৰ ভিন ভিন সংস্থাসমূহৰ গঠন আৰু কাৰ্যৰ সমন্বয়ত সমাজৰ জটিল ৰূপ ফুটি উঠে। স্পেন্চাৰে জীৱদেহৰ বিকাশৰ লগত সমাজৰ বিকাশ তুলনা কৰি তেওঁৰ সিদ্ধান্ত প্ৰকাশ কৰিছিল। ইয়েই হৈছে সামাজিক অংগীবাদ সিদ্ধান্তৰ সাধাৰণ অৰ্থ।

## ২.২.১ মানৱ সমাজ আৰু জীৱদেহৰ মাজৰ সাদৃশ্যতা

স্পেন্চাৰৰ মতে সামাজিক অংগীবাদ সিদ্ধান্তৰ মূল উদ্দেশ্য হৈছে মানৱ সমাজ আৰু জীৱদেহৰ মাজত থকা সাদৃশ্যতাৰ বিষয়ে জ্ঞাত হোৱা। এই সাদৃশ্যতাক তেওঁ তলত উল্লেখ কৰাৰ দৰে ব্যাখ্যা কৰিছে।

(১) জৈৱিক অংগৰ পৰিসৰ বৃদ্ধি কৰাৰ দৰে সমাজেও ইয়াৰ অজৈৱিক পৰিসৰ বৃদ্ধি কৰে। উদাহৰণ স্বৰূপে এসময়ৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাষ্ট্ৰ ক্ৰমান্বয়ে বৃহৎ সীমাৰে পৰিবেষ্টিত হৈ বৃহৎ ৰাষ্ট্ৰলৈ পৰিণত হোৱাক দাঙি ধৰিব পাৰি।

(২) অংগ-প্ৰতঙ্গৰ বৃদ্ধি আৰু বিকাশৰ লগে লগে জৈৱিক দেহৰ যেনেদৰে জটিলতা প্ৰাপ্তি ঘটে ঠিক তেনেদৰে এখন সমাজৰ সংৰচনাৰ বৃদ্ধিয়ে সমাজখনক ক্ৰমান্বয়ে জটিলতা প্ৰদান কৰে।

(৩) জৈৱিক দেহৰ দৰে সামাজিক পদ্ধতিৰ সংৰচনাৰ বৃদ্ধিয়ে স্বকীয়তা প্ৰদান কৰে। লগে লগে কাৰ্যত পৃথকীকৰণ আৰু বিশেষীকৰণ আহি পৰে।

(৪) জৈৱিক আৰু সামাজিক অংগৰ সংৰচনা আৰু এইবিলাকৰ কাৰ্যৰ পৃথকীকৰণ আন্তঃক্ৰিয়াৰ (interaction) জৰিয়তে বিৱৰ্তনৰ মাধ্যমেৰে আগবাঢ়ে।

(৫) এটা জীৱদেহৰ প্ৰতিটো অংগৰে সুকীয়া সুকীয়া কাম থাকে, তথাপি এক কেন্দ্ৰীয় সূত্ৰৰ দ্বাৰা সমগ্ৰ জীৱদেহ পৰিচালিত হয়। সিয়েই হৈছে জীৱদেহৰ পৰিচয়। ঠিক একেদৰে সমাজ জীৱনো পৰিচালিত হয় সামাজিক সূত্ৰৰ দ্বাৰা।

(৬) এখন সমাজত, এটা জীৱ দেহৰ দৰে যদি মানুহৰ জীৱন ধাৰণ (জন্ম) ৰুদ্ধ কৰি দিয়া যায় তেন্তে এটা নিৰ্দ্দিষ্ট সময়লৈকেহে সমাজ বৰ্তি থাকিব, অনন্তকাললৈ নহয়।

## ২.২.২ মানৱ সমাজ আৰু জীৱ দেহৰ মাজৰ বৈসাদৃশ্যতা

সামাজিক অংগীবাদ সিদ্ধান্তত স্পেন্‌চাৰে যিদৰে মানৱ সমাজ আৰু জীৱদেহৰ মাজত সাদৃশ্যতা দেখুৱাইছে ঠিক তেনেদৰে বৈসাদৃশ্যতাৰ কথাও কৈছে। তলত সেইবিলাক উল্লেখ কৰা হ'ল —

(১) জীৱ দেহৰ অংগবিলাকে পাৰষ্পৰিক বান্ধোনেৰে এক অবয়ব লাভ কৰে। অংগবিলাকৰ মাজত এক সমষ্টিগত যোগসূত্ৰ থাকে। কিন্তু সমাজৰ ক্ষেত্ৰত একেদৰে প্ৰযোজ্য নহয়। কিয়নো সমাজত সংস্থা অনুসৰি ৰীতি-নীতি, লক্ষ্য আৰু উদ্দেশ্য আদিত ভিন্নতা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে 'পৰিয়াল' নামৰ সংস্থাৰ কাৰ্যাৱলীৰ লগত অৰ্থনৈতিক সংগঠন এটাৰ কাৰ্যাৱলীৰ সাদৃশ্যতা পোৱা নাযায়। অথচ অৰ্থনৈতিক সংগঠনটোও সমাজৰে এটা অংগ। সেয়েহে ক'ব পাৰি যে মানৱ সমাজৰ অংগবিলাকে জীৱদেহৰ অংগৰ দৰে সক্ৰিয় বান্ধোনেৰে ক্ৰিয়া নকৰে।

(২) জীৱ দেহৰ অংগবিলাকৰ ক্ৰিয়াত ভিন্নতা আছে। জীৱ দেহৰ চকু, কাণ, নাক, হাত, ভৰি আদি অংগবিলাক একেটা মূল দেহতে বান্ধ খাই থাকিলেও এটা অংগই আন এটাৰ কাৰ্য সম্পাদন নকৰে। কিন্তু সমাজৰ অংগ স্বৰূপ সামাজিক সংস্থাসমূহৰ এটাই আন এটাৰ পৰিপূৰক হিচাপেও কাম কৰিব পাৰে। উদাহৰণস্বৰূপে সামাজিকৰণ (socialisation) প্ৰক্ৰিয়াত পৰিয়াল, শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান আদিয়ে সক্ৰিয় ভূমিকা পালন কৰিব পাৰে।

(৩) সামূহিক জ্ঞানেন্দ্ৰিয়ৰ ক্ষেত্ৰত জীৱদেহৰ সক্ৰিয়তা মন কৰিবলগীয়া। অৰ্থাৎ এটা জীৱ দেহৰ প্ৰতিটো অংগৰ সক্ৰিয়তাই সামূহিক জ্ঞানেন্দ্ৰিয়ৰ কথা প্ৰতিফলিত কৰে। কিন্তু সমাজৰ ক্ষেত্ৰত এই কথা একেদৰে প্ৰযোজ্য নহয়।

(৪) জীৱ দেহৰ অংগবিলাকে দেহটোৰ সামূহিক পৰিপূৰ্ণতাৰ অৰ্থে কাৰ্য কৰে। কৰ্ম হ্ৰাস নোহোৱা পৰ্যন্ত জীৱ দেহৰ প্ৰত্যেকটো অংগই সূচাৰুৰূপে কাৰ্যসমূহ সম্পাদন কৰি যায়। কিন্তু সমাজৰ অংগবিলাকে সকলো সময়তে সমাজৰ পৰিপূৰ্ণতাৰ অৰ্থে ক্ৰিয়া নকৰে। উদাহৰণস্বৰূপে ব্যক্তি সমাজৰ কেন্দ্ৰবিন্দু হ'লেও সকলো ব্যক্তিয়েই সমাজৰ সামূহিক স্বাৰ্থৰ কথাকেই ভাবে বুলি কোৱাটো যুগুত নহয়। কিয়নো ব্যক্তিগত স্বাৰ্থ পূৰণ কৰিবলৈ গৈ সমাজৰ সামূহিক স্বাৰ্থক জলাঞ্জলি দিয়াৰ মানসিকতা বহু ব্যক্তিৰ মাজত পোৱা যায়।

সাদৃশ্য আৰু বৈসাদৃশ্যৰ আধাৰত স্পেন্‌চাৰে সামাজিক সংৰচনা আৰু জৈৱিক সংৰচনাৰ বিষয়ে আলোচনা কৰিছে যদিও তেওঁৰ সামাজিক অংগীবাদৰ মূল উদ্দেশ্য হৈছে সমাজক জীৱদেহৰ আধাৰত বিচাৰ কৰা। এই সম্পৰ্কত তেখেতে সমাজ আৰু জীৱদেহৰ গঠনৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা সমান্তৰালবাদী সূত্ৰবোৰৰ (parallelism of principles) আধাৰত সমাজ সংৰচনা আৰু জীৱ দেহৰ আকৃতিৰ তুলনামূলক ব্যাখ্যাৰ জৰিয়তে সামাজিক অংগীবাদ সিদ্ধান্ত দাঙি ধৰিছে। তেখেতে কৈছে যে জীৱদেহৰ বিভিন্ন অংগৰ

বিশেষীকৃত ক্ৰিয়াৰ (specialised action) জৰিয়তে জৈৱিক সংৰচনাৰ এক স্বতন্ত্ৰ ৰূপ দেখা যায়। ঠিক একেদৰে সামাজিক সংস্থাসমূহৰ বিশেষীকৃত ক্ৰিয়াৰ সমন্বয়ত সামূহিক স্বতন্ত্ৰ সামাজিক সংৰচনা গঢ় লৈ উঠে।

## 1 আত্মমূল্যায়নৰ প্ৰশ্ন

(১) সামাজিক অংগীবাদৰ অৰ্থ দাঙি ধৰা।

(২) স্পেন্‌চাৰৰ মতে মানৱ সমাজ আৰু জীৱদেহৰ মাজৰ সাদৃশ্যতা বিচাৰ কৰা।

(৩) স্পেন্‌চাৰৰ মানৱ সমাজ আৰু জীৱদেহৰ মাজত বৈসাদৃশ্যতা কেনেদৰে উল্লেখ কৰিছিল? আলোচনা কৰা।

## ২.৩ সামাজিক বিৱৰ্তন আৰু সামাজিক অংগীবাদ।

ইতিমধ্যেই আমি আলোচনা কৰি আহিছো যে বিৱৰ্তন মানে হৈছে এক সৰল অৱস্থাৰ পৰা জটিল অৱস্থা প্ৰাপ্ত হোৱা। জীৱ দেহৰ বিৰ্ৱতনৰ সূত্ৰৰ সহায়ত তেখেতে কৈছে যে সমাজ জীৱনতো জীৱ দেহৰ দৰে বিবৰ্তন ঘটি থাকে। জনসংখ্যাই হৈছে সামাজিক বিৰ্ৱতনৰ মূল উৎস। জনসংখ্যাৰ বৃদ্ধিৰ লগে লগে মানুহে ভিন ভিন সংস্থাৰ জন্ম দিলে। এই সংস্থাসমূহৰ জৰিয়তে সামাজিক নিয়ন্ত্ৰণৰ উপায়সমূহো বৃদ্ধি হ'ল। সামাজিক অংগৰ বিকাশে সমাজক সুদৃঢ় কৰিবলৈ ধৰিলে। স্পেন্‌চাৰৰ সামাজিক বিৱৰ্তন আৰু সামাজিক অংগীবাদ সিদ্ধান্ত ইটো সিটোৰ পৰিপূৰক বুলিও ক'ব পাৰি।

## ২.৩.১ সামাজিক সংস্থা

সমাজতত্ত্বৰ পিতৃ ক'টৰ দৰে স্পেন্‌চাৰো প্ৰত্যক্ষবাদৰ অন্যতম গুৰি ধৰোতা আছিল। প্ৰত্যক্ষবাদৰ আধাৰত তেওঁ ব্যৱহাৰিক তথ্য (empirical data)ৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। সমাজতত্ত্বত স্পেন্‌চাৰে পোনপ্ৰথমে পদ্ধতি (system), ক্ৰিয়া (function), সংৰচনা (structure), সংস্থা (institution) আদি অৱধাৰণাক প্ৰণালীবদ্ধভাৱে ব্যৱহাৰ কৰিছিল। তেখেতৰ মতে সমাজৰ অংগ হৈছে ভিন ভিন সংস্থাসমূহ। এটা জৈৱিক সংৰচনাত ভিন ভিন অংগৰ সন্মিলিত বিশেষীকৃত ক্ৰিয়াই যিদৰে এক জীৱদেহৰ স্বতন্ত্ৰ পৰিচয় দাঙি ধৰে ঠিক একেদৰে সামাজিক সংস্থাসমূহৰ ক্ৰিয়াইও সমাজৰ স্বতন্ত্ৰ পৰিচয় দিয়ে।

সামাজিক সংস্থাসমূহৰ বিশেষীকৃত আৰু জটিলতাপূৰ্ণ ক্ৰিয়াৰ পৰিণতিত আধুনিক ঔদ্যোগিক সমাজৰ সৃষ্টি হৈছে। বহল অৰ্থত আধুনিক সমাজবোৰত ছয় প্ৰকাৰৰ সংস্থা থাকে। যেনে - পাৰিবাৰিক (domestic), ৰাজনৈতিক (political), আনুষ্ঠানিক (ceremonial) ধৰ্মীয় (religious), বৃত্তিগত (professional) আৰু ঔদ্যোগিক (industrial)। উদাহৰণস্বৰূপে পাৰিবাৰিকৰ কথা উল্লেখ কৰা যাওক। পৰিয়ালৰ জৰিয়তে মানুহে পাৰিবাৰিক ক্ৰিয়াকলাপ চলাই যায়। অন্যহাতে পৰিয়াল অবিহনে সমাজৰ অস্তিত্ব নাই। পৰিয়ালেই হৈছে সামাজিকৰণৰ মূল উৎস। শিশুক উপযুক্ত হিচাপে গঢ়িবলৈ পৰিয়ালৰ মাজত নৈতিক, আধ্যাত্মিক, শাৰীৰিক অথবা সামাজিক উৎকৰ্ষকতাৰ শিক্ষা দিয়া হয়।

স্পেন্‌চাৰে উল্লেখ কৰিছে যে সামাজিক সংস্থাসমূহৰ একত্ৰিত ক্ৰিয়া পদ্ধতিৰ জৰিয়তে যি সামূহিক পদ্ধতিৰ সৃষ্টি হয় সেয়াই হৈছে সমাজ পদ্ধতি। দৈহিক অংগৰ দৰে এই সংস্থাসমূহেও সামূহিক সমাজ দেহক জীয়াই ৰাখে। অৰ্থাৎ সংস্থাসমূহে সুচাৰুৰূপে ক্ৰিয়া কলাপ অব্যাহত ৰাখিলেহে এখন সমাজ সুস্থ ৰূপত বৰ্তি থাকে। অন্যহাতে এখন সমাজৰ বিষয়ে গভীৰভাৱে জানিবলৈ সংস্থাসমূহক সুক্ষ্মভাৱে অধ্যয়ন কৰাৰ প্ৰয়োজন হয়।

## ২.৩.২ সমাজৰ প্ৰকাৰ

স্পেন্‌চাৰে বিৱৰ্তনৰ স্তৰ অনুসৰি সমাজক মূলতঃ চাৰিটা প্ৰকাৰত (types) বিভক্ত কৰিছে। সেয়া হৈছে সৰল (simple), যৌগিক (compound), দ্বি-যৌগিক (doubly compound) আৰু ত্ৰি-যৌগিক (trebly compound)। এইক্ষেত্ৰত তেওঁ সমাজ গঠনৰ জটিলতাক আধাৰ হিচাপে লৈছে। সৰল সমাজবোৰৰ মাজৰ পাৰ্থক্য বিচাৰ কৰোতে এই সমাজবোৰতদেখা পোৱা নেতৃত্বৰ (leadship) প্ৰকাৰক উৎস হিচাপে গ্ৰহণ কৰিছে। সমাজৰ প্ৰকাৰৰ ক্ষেত্ৰত স্পেন্‌চাৰে যৌগিক বা দ্বি-যৌগিক হিচাপে বিচাৰ কৰাৰ অন্যতম আধাৰ হৈছে ৰাজনৈতিক গাঁঠনিৰ ক্ৰমাগত জটিলতা।

জটিলতাৰ মাত্ৰা অনুযায়ী স্পেন্‌চাৰে যিদৰে সমাজৰ আভ্যন্তৰীণ বিধিৰ (internal regulation) আধাৰত সমাজক সামৰিক (militant) আৰু ঔদ্যোগিক (industrial) হিচাপে দুটা প্ৰকাৰত বিভক্ত কৰিছিল। অৰ্থাৎ এই প্ৰকাৰৰ বিভাজনৰ সূত্ৰ আছিল কৰ্তৃত্ব বা প্ৰভাৱ।

কিছুমান বৈশিষ্ট্যৰ আধাৰত তেওঁ সামৰিক আৰু ঔদ্যোগিক সমাজৰ মাজৰ পাৰ্থক্য উল্লেখ কৰিছিল। উদাহৰণস্বৰূপে সামাজিক স্তৰীকৰণ বৈশিষ্ট্যৰ আধাৰত সামৰিকত বৃত্তি স্থিৰ, অন্যহাতে ঔদ্যোগিকত বৃত্তিগত পদ মুক্ত।

## • আত্মমূল্যায়নৰ প্ৰশ্ন

(১) স্পেন্‌চাৰে আগবঢ়োৱা সামাজিক বিৱৰ্তন আৰু সামাজিক অংগীবাদ সিদ্ধান্তৰ মাজৰ সাদৃশ্য কেনেধৰণৰ?

___________________________

___________________________

___________________________

(২) স্পেন্‌চাৰ মতে সামাজিক সংস্থাসমূহ কেনেধৰণৰ?

___________________________

___________________________

___________________________

(৩) সামাজিক প্ৰকাৰৰ বিষয়ে স্পেন্‌চাৰে কিদৰে উল্লেখ কৰিছে?

___________________________

___________________________

___________________________

## ২.৪ সামৰণি

এই পাঠটিত আমি হাৰ্বাৰ্ট স্পেন্‌চাৰৰ “সামাজিক অংগীবাদ” সিদ্ধান্তৰ (তত্ত্বৰ) বিষয়ে আলোচনা কৰিলো। পাঠটিৰ জৰিয়তে আমি তলত দিয়া দিশসমূহ পালো।

(১) স্পেন্‌চাৰে আগবঢ়োৱা সমাজ সম্পৰ্কীয় তত্ত্বসমূহৰ বহলাংশই প্ৰাকৃতিক বিজ্ঞানৰ সূত্ৰৰ ওপৰত গঢ় লৈ উঠিছে।

(২) জীৱদেহৰ অংগসমূহৰ দৰে সমাজৰো ভিন ভিন অংগ আছে। উদাহৰণ স্বৰূপে সামাজিক সংস্থাসমূহৰ কথা উল্লেখ কৰিব পাৰি।

(৩) মানৱ সমাজ আৰু জীৱদেহৰ মাজত যেনেদৰে সাদৃশ্যতা আছে ঠিক

তেনেদৰে বৈসাদৃশ্যতাও আছে।

(৪) সামাজিক সংস্থাসমূহৰ বিশেষীকৃত ক্ৰিয়াৰ সমন্বয়ত সামূহিক স্বতন্ত্ৰ সামাজিক সংৰচনা গঢ় লৈ উঠে।

(৫) সামাজিক সংস্থাসমূহৰ বিশেষীকৃত আৰু জটিলতাপূৰ্ণ ক্ৰিয়াৰ পৰিণতিত আধুনিক সমাজৰ সৃষ্টি হৈছে। উদাহৰণ হিচাপে ঔদ্যোগিক সমাজৰ কথা দাঙি ধৰিব পাৰি।

(৬) বিৱৰ্তনৰ স্তৰ অনুসৰি স্পেন্চাৰে সমাজক মূলত ঃ চাৰিটা প্ৰকাৰ (types)ত বিভক্ত কৰিছে।। যেনে সৰল, যৌগিক, দ্বি-যৌগিক আৰু ত্ৰি-যৌগিক।

## (১) ঘাই শব্দসমূহ

(১) অংগীবাদ
(২) শ্ৰম বিভাজন
(৩) আন্তঃ ক্ৰিয়া
(৪) পৃথকীকৰণ
(৫) বিশেষীকৰণ
(৬) সামাজিক সূত্ৰ
(৭) সামূহিক জ্ঞানেন্দ্ৰিয়
(৮) সমান্তৰালবাদী সূত্ৰ
(৯) ব্যৱহাৰিক তথ্য
(১০) সামাজিক স্তৰীকৰণ

## (২) পাঠ্য নিৰ্দ্দেশনা

1.Timasheff, N.S. : Sociological Theory, its Nature and Growth, Random House, New York, 1967.
2. Martindale, Don : The Nature and Types of Sociological Theory, Boston, 1960.
3.Hussain, M. : A Prologue to Five Sociologists, T.L. Baruah Publication, Dibrugarh, 1996.
4.Hazarika, D. : Samajik Sintadharar Itihas, Bani Mandir, Dibrugarh, 1997.

5.Borgohain, H. and Dutta, Santana : Snatak Mahalar Samajtatta Parichaya, Bidya Bhawan, Jorhat, 2012.

6. Ahmed, G. : Samajtatar Sidhantar Porichoi, Students' Emporium, Dibrugarh, 1996.

## (৩) আৰ্হি প্ৰশ্ন

(১) সামাজিক অংগীবাদ মানে কি? এই তত্ত্বৰ জৰিয়তে স্পেন্‌চাৰে মানৱ সমাজ আৰু জীৱদেহৰ মাজৰ সাদৃশ্যতা কেনেদৰে বিচাৰ কৰিছিল? আলোচনা কৰা।

(২) সামাজিক অংগীবাদৰ সহায়ত মানৱ সমাজ আৰু জীৱদেহৰ মাজৰ বৈসাদৃশ্যতাৰ বিষয়ে আলোচনা কৰা।

(৩) স্পেন্‌চাৰে সামাজিক সংস্থা আৰু সমাজৰ প্ৰকাৰৰ বিষয়ে কিদৰে উল্লেখ কৰিছিল? এক চমু আলোচনা দাঙি ধৰা।

আত্মশিকন সামগ্ৰী

# সমাজতত্ত্ব
# SOCIOLOGY
## Course : SOC-301

# সমাজতাত্ত্বিক চিন্তাধাৰা
# SOCIOLOGICAL THOUGHTS

BLOCK -3 ,4 & 5

**Director of Distance Education**
DIBRUGARH UNIVERSITY
DIBRUGARH-786004

# SOCIOLOGY

## Course : SOC-301

## সমাজতাত্বিক চিন্তাধাৰা

## SOCIOLOGICAL THOUGHTS

**Contributor ::**

**1.** Dr. Moheswar Saikia
Associate Professor and Head
Department of Sociology
Tengakhat College
Dibrugarh, Assam

2. Dr. Bipul Kumar Gogoi
Associate Professor
Department of Sociology
Demow College
Sibsagar, Assam

3. Jyoti Prasad Saikia
Associate Professor
Department of Sociology
Moran Mahila mahavidyalaya
Sibsagar, Assam

**Editor :** Dr. Sarat Chandra Sarma
Honorary Teacher
Directorate of Distance Education,
Dibrugarh University

@ Copy right reserved by Directorate of Distance Education, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form or by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Directorate of Distance Education, Dibrugarh University by the Director, DDE, DU and printed at Parash Printings, Dibrugarh-1

**Ackowledgement**

The Director of Distance Education, Dibrugarh University duley acknowledges the financial assistance from the Distance Education Council IGNOU, New Delhi for preparation of this Self Learning Material.

# SOCIOLOGY

## Course : SOC-301

# সমাজতাত্বিক চিন্তাধাৰা

# SOCIOLOGICAL THOUGHTS


| | | পৃষ্ঠা |
|---|---|---|
| খণ্ড – ৩ | ইমাইল দুৰখেইম (Emile Durkheim) | ২-২৩ |
| গোট ১ | দুৰখেইমৰ সামাজিক তথ্যৰ অধ্যয়ন (Study of Social Facts) | ২-৮ |
| গোট ২ | দুৰখেইমৰ "আত্মহত্যা" তত্ত্ব (Durkheim's Theory of Suicide) | ৯-১৬ |
| গোট ৩ | দুৰখেইমৰ সামাজিক সংহতিৰ স্বৰূপ (Durkheim's forms of Social Solidarity) | ১৭-২৩ |
| খণ্ড – ৪ | কাৰ্লমাৰ্ক্স **(Karl Marx)** | ২৪-৪৫ |
| গোট ১ | ঐতিহাসিক বস্তুবাদ (Historical Materialism) | ২৪-২৯ |
| গোট ২ | শ্ৰেণী সংগ্ৰাম (Class struggle) | ৩০-৩৭ |
| গোট ৩ | অপসাৰিতা তত্ত্ব (Theory of Alienation) | ৩৮-৪৫ |
| খণ্ড – ৫ | মেক্স ৱেবাৰ **(Max Weber)** | ৪৬-৬৫ |
| গোট ১ | সামাজিক ক্ৰিয়া (Social Action) | ৪৬-৫৩ |
| গোট ২ | আদৰ্শ নমুনা **(Ideal Type)** | ৫৪-৫৯ |
| গোট ৩ | প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি আৰু পুঁজিবাদৰ উৎস **(The Protestant Ethics and Spirit of Capitalism)** | ৬০-৬৫ |

## পাঠ্যপুথিৰ পৰিচয় (Course Introduction)

সমাজতত্ত্বৰ এই পুথিখনি ডিব্ৰুগড় বিশ্ববিদ্যালয় দূৰ-শিক্ষা ব্যৱস্থাৰ অন্তৰ্গত স্নাতক মহলাৰ তৃতীয় বাৰ্ষিক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰস্তুত কৰা হৈছে। সমাজতত্ত্বৰ পিতৃস্বৰূপ ধ্ৰুপদী সমাজতাত্ত্বিক তথা সমাজবিজ্ঞানী অগষ্ট ক'টৰ চিন্তাৰ বৰঙনিৰ এক সম্যক আলোচনাৰে এই পুথিখন প্ৰস্তুতকৰা হৈছে ।

পুথিখনি পাঁচোটা খণ্ডত ভাগ কৰি প্ৰতিটো খণ্ডত পাঠ্যসূচী অনুসৰি গোট হিচাপে আলোচনা কৰা হৈছে। ক্ৰম অনুসৰি খণ্ডসমূহৰ শিৰোনাম বিলাক হ'ল-

১) সমাজতাত্ত্বিক চিন্তাধাৰাৰ উদয় আৰু বিকাশ

২) হাৰ্বাৰ্ট স্পেন্চাৰ

৩) ইমাইল দুৰখেইম

৪) কাৰ্ল মাৰ্ক্স

৫) মেক্স ৱেবাৰ

## খণ্ড নং — ৩

# ইমাইল দুৰখেইম
# (Emile Durkheim)

## গোট নং — ১
## দুৰখেইমৰ সামাজিক ঘটনা অধ্যয়ন
## (Study of Social Facts)

**পাঠ গোটৰ গাঁথনি**

১.০ উদ্দেশ্য
- ১.১ প্ৰস্তাৱনা
- ১.২ সামাজিক তথ্যৰ অৰ্থ
- ১.৩ সামাজিক তথ্যৰ প্ৰকাৰ
- ১.৪ সমাজ অধ্যয়নত সামাজিক তথ্যৰ গুৰুত্ব
- ১.৫ পাঠটিৰ পৰা কি শিকিলো

অগ্ৰগতিৰ খতিয়ান

সম্ভাব্য প্ৰশ্ন

পাঠ্য নিৰ্দ্দেশনা

প্ৰসঙ্গ পুথি।

## ১.০ উদ্দেশ্য ঃ

এই গোটটিৰ উদ্দেশ্য হ'ল দুৰখেইমে সমাজতত্ব অধ্যয়নত সামাজিক ঘটনা বা তথ্যক কেনেদৰে গুৰুত্ব দিছে তাৰ বিষয়ে তোমালোকৰ অৱগত কৰা। এই গোটটিত থকা পাঠটি মনোযোগেৰে অধ্যয়ন কৰিলে তোমালোকে তলত উল্লেখ কৰা বিষয়বস্তু সমূহ ভালদৰে বুজিব পাৰিবা।

(ক) তোমালোকে আমাৰ চাৰিওফালে চলি থকা বিভিন্ন ধৰণৰ সামাজিক আন্তঃক্রিয়াবোৰ বৈজ্ঞানিক প্রণালীৰে অধ্যয়ন কৰিবলৈ যাওঁতে দুৰখেইমে "সামাজিক তথ্য" নামৰ তত্বটোত কেনেধৰণৰ ব্যাখ্যা দাঙি ধৰিছে তাক জানিব পাৰিবা।

(খ) তাৰোপৰি "সামাজিক ঘটনা" বিষয়ক আলোচনাত দুৰখেইমে আগবঢ়োৱা দুটি অৱধাৰণাৰ বিষয়ে জানিব পাৰিবা।

(গ) অৱশেষত সমাজ অধ্যয়নত সামাজিক ঘটনা বা তথ্যৰ গুৰুত্ব সম্পৰ্কে কিছু কথা তোমালোকৰ বাবে আলোচনা কৰা হৈছে।

## ১.১ প্রস্তাৱনা ঃ

তোমালোকে দুৰখেইমৰ বিষয়ে কিছু কথা জানা যদিও প্রথমবাৰৰ বাবে দুৰখেইমে উদঘাটন কৰা বহুতো তত্ত্বৰ ভিতৰত তিনিটা প্রধান তত্ত্ব তোমালোকৰ অধ্যয়নৰ বাবে পাঠ্যক্রমত অন্তর্ভুক্ত কৰা হৈছে। এই তিনিটাৰ ভিতৰত প্রথমে তেখেতৰ "**সামাজিক ঘটনা**" (Social Fact) ৰ সম্পৰ্কে তলত আলোচনা কৰা হৈছে। দুৰখেইমৰ মতে সমাজতত্ত্বৰ প্রধান বিষয়বস্তু হ'ল সামাজিক ঘটনা। তেখেতে বিভিন্ন সামাজিক ঘটনাৱলী বৈজ্ঞানিক প্রণালীৰে অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেখেতে সমাজতত্বক সামাজিক ঘটনা বা তথ্য (Social Fact) ৰ বিজ্ঞান বুলি ক'ব বিচাৰে। দুৰখেইমৰ মতে সামূহিকভাৱে কৰা ক্রিয়া, বা সমাজত সংঘটিত হোৱা ঘটনাই হৈছে সামাজিক ঘটনা। সামূহিক চিন্তা বা চেতনাৰ বশবৰ্ত্তী হৈ ব্যক্তিয়ে সমাজত যিবোৰ আচৰণ প্রদর্শন কৰে তাকেই আমি সামাজিক ঘটনা বুলি কওঁ। তোমালোকে এই পাঠটিত সামাজিক ঘটনাৰ অৰ্থ উদাহৰণ সহ বহুল ভাৱে পঢ়িবলৈ পাবা। তাৰোপৰি ইমাইল দুৰখেইমে তেখেতৰ এই তত্বটো ব্যাখ্যা কৰোতে সামাজিক ঘটনাবোৰ দুটা প্রধান দিশ — (১) বাহ্যিকতা (Exteriority) আৰু (২) বাধ্যতা (Coercion) ৰ বিষয়ে ব্যাখ্যা দাঙি ধৰিছে। সেইবোৰো এই পাঠটিত সূক্ষ্মভাৱে আলোচনা কৰা হৈছে। ইয়াৰ উপৰিও পাঠটিত সামাজিক ঘটনা আৰু ব্যক্তিগত ঘটনাৰ মাজত থকা পাৰ্থক্যখিনিও ফঁহিয়াই দেখুৱা হৈছে যাতে তোমালোকে সামাজিক ঘটনাৰ সম্পৰ্কে সুস্পষ্ট জ্ঞান আহৰণ কৰিব পাৰা।

সামাজিক তথ্যৰ ওপৰত দুৰখেইমে যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। দুৰখেইমে

বুজিছিল যে বাস্তৱ তথ্যপাতিৰ অবিহনে বৈজ্ঞানিক অধ্যয়ন সম্ভৱ নহয় আৰু সামাজিক ঘটনাবোৰৰ পৰাহে এই বাস্তৱ তথ্যপাতি সংগ্ৰহ কৰা হয়। এইদৰে এটা সামাজিক ঘটনাৰ যোগেদি কেনেকৈ সমাজক অধ্যয়ন কৰিব পাৰি বা সমাজতত্ত্ব অধ্যয়নত সামাজিক ঘটনাৰ গুৰুত্ব আদি কিছু কথা তোমালোকৰ সুবিধাৰ বাবে দাঙি ধৰা হৈছে।

## ১.২ **সামাজিক ঘটনাৰ অৰ্থ** ঃ (Meaning of Social Facts)

এজন ব্যক্তিয়ে যেতিয়া সমূহৰ অন্তৰ্ভুক্ত হৈ নিজৰ ভূমিকা পালন কৰে তেতিয়া সামূহিকতা প্ৰকাশ পায়। দুৰখেইমৰ মতে "Social facts are the collective ways of acting, thinking and feeling," অৰ্থাৎ সামূহিকভাৱে কৰা ক্ৰিয়া, চিন্তা আৰু অনুভূতিয়েই হৈছে সামাজিক ঘটনা । মানুহে সমাজত সামূহিক চেতনাৰ দ্বাৰা প্ৰভাৱান্বিত হৈ কিছুমান আচৰণ বা ক্ৰিয়া কাণ্ড প্ৰদৰ্শন কৰে। সমাজত কৰা এনে ক্ৰিয়া বা আচৰণক সামাজিক ঘটনা বোলে।

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে ভালদৰে বুজি পাবৰ বাবে সামাজিক ঘটনাৰ এটা উদাহৰণ দাঙি ধৰা হ'ল। যেনে — আত্মহত্যাক এটা সামাজিক ঘটনা হিচাপে আলোচনা কৰিব পাৰি, যিহেতু সাধাৰণতে সমূহগত জীৱন বিপন্ন হোৱাৰ বাবেও আত্মহত্যা সংঘটিত হ'ব পাৰে। সমাজত পূৰ্বৰে পৰা প্ৰচলিত ৰীতি-নীতি, আদৰ্শ, প্ৰতিমান মানুহৰ অৱস্থাৰ লগত আত্মহত্যাৰ সম্পৰ্ক আছে। উক্ত নীতি-নিয়মৰ বিভ্ৰাট ঘটিলে সমূহগত জীৱন বিপন্ন হয় আৰু ব্যক্তিৰ স্বাভাৱিক জীৱন নিৰ্বাহ সম্ভৱ নহয়। ফলস্বৰূপে ব্যক্তিৰ মনত আত্মহত্যাৰ প্ৰৱণতা জাগি উঠে আৰু এই ব্যক্তিগত ঘটনাটো অৱশেষত সামাজিক ঘটনালৈ ৰূপান্তৰিত হয়।

দুৰখেইমৰ মতে মানুহৰ সামূহিক মন (Group mind) বা আচৰণ আৰু ব্যক্তিগত মন বা আচৰণ (Individual mind) ৰ মাজত পাৰ্থক্য আছে। এজন মানুহে নিজৰ সমূহক বাদ দি যি আচৰণ কৰে সেই ব্যক্তিগত আচৰণে সমূহৰ ওপৰত প্ৰভাৱ নেপেলায়। কিন্তু সেইজন মানুহেই সমূহৰ অন্তভুৰ্ক্ত হৈ নিজৰ আচৰণ বা ভূমিকা যদি প্ৰদৰ্শন কৰে তেতিয়াই সামূহিকতা প্ৰকাশ পায়। এনেদৰে ব্যক্তিয়ে পৰিস্থিতিৰ লগত খাপখুৱাই সামাজিক জীৱনত যি আচৰণ বা ক্ৰিয়া প্ৰদৰ্শন কৰে সেই সকলোবিলাক আচৰণে সমাজ এখন প্ৰভাৱান্বিত কৰি ৰাখে। গতিকে এনেদৰে কিছুমান আচৰণ বা ক্ৰিয়া দেখিবলৈ ব্যক্তিগত যেন লাগিলেও প্ৰকৃততে সেইবোৰ সামূহিক জীৱনৰ পৰাই সৃষ্টি হৈছে। সেয়েহে সামূহিক জীৱনৰ সৈতে জড়িত থকা যিকোনো আচৰণ বা কাৰ্য্যকলাপক সামাজিক ঘটনা হিচাপে গণ্য কৰিব পাৰি।

## ১.৩ **সামাজিক ঘটনাৰ প্ৰকাৰ** ঃ (Types of Social Facts)

ইমাইল দুৰখেইমে সামাজিক ঘটনা আলোচনা কৰোতে দুটা প্ৰধান দিশ ব্যক্ত

কৰিছে। ইয়াৰে এটা হ'ল বাহ্যিকতা (Exteriority) আৰু আনটো হ'ল বাধ্যকতা (Coercion or constraint)

(১) **বাহ্যিকতা** (Exteriority) ঃ দুৰখেইমৰ মতে সামাজিক তথ্যৰ বাহ্যিকতা মানে মানুহৰ যিকোনো আচৰণ, ঘটনা বা কাৰ্য্যক নিৰীক্ষণ কৰিব পৰা অৱস্থাটোকে বুজায়। প্ৰত্যেক মানুহৰে সমাজত দুটা আচৰণ দেখা যায় - এটা হ'ল আভ্যন্তৰীন আচৰণ, যিটো ভাগে মানুহৰ মনৰ ভিতৰত থকা চিন্তা ভাৱনা, অনুভূতি আদিক বুজায়। মানুহৰ মনৰ ভিতৰত থকা চিন্তা ভাৱনা, অনুভূতিবোৰ বাহিৰৰ পৰা দেখা নাযায়। আনহাতে আনটো হ'ল বাহ্যিক আচৰণ যিটো ভাগে মানুহৰ মনৰ ভাৱটো তেওঁৰ ব্যক্তিগত আচৰণ বা কাৰ্যকলাপৰ যোগেদি প্ৰকাশ পায় তেতিয়া তাক নিৰীক্ষণ কৰিব পাৰি। ছাত্ৰ-ছাত্ৰীসকল, মানুহৰ এই বাহ্যিক আচৰণ বা নিৰীক্ষণ কৰিব পৰা আচৰণ বিলাককহে সামাজিক তথ্য হিচাপে গ্ৰহণ কৰিব পাৰি। এই বাহ্যিক আচৰণৰ কথা বুজিবৰ বাবে তলত এটা উদাহৰণ দাঙি ধৰা হৈছে। ধৰিলোৱা তোমালোকৰ যিকোনো ছাত্ৰই এটা অলৌকিক শক্তিক বিশ্বাস কৰে আৰু এই বিশ্বাসৰ বাবে কিবা এটা পূজা সেৱা কৰে। এই পূজা পাতল কৰা কাৰ্য্যটো আমি সকলোৱে বাহিৰৰ পৰা নিৰীক্ষণ কৰিব পাৰো। ফলস্বৰূপে ছাত্ৰজনৰ এই অলৌকিক শক্তিক কৰা পূজা-পাতল বা ধৰ্মীয় বিশ্বাসটো বাহিৰৰ পৰা বুজিব পাৰিলেই ই সামাজিক ঘটনালৈ ৰূপান্তৰিত হয়।

(২) **বাধ্যকতা** (Coercion) ঃ দুৰখেইমৰ মতে সামাজিক তথ্যৰ আনটো দিশ হ'ল বাধ্যতা বা বাধ্যকতা। দুৰখেইমে কৈছে যে সামাজিক তথ্য হ'বলৈ হ'লে নিৰীক্ষনীয় বাহ্যিক ৰূপটোৰ লগতে বাধ্যতা উপাদানো থাকিব লাগিব। বাধ্যতা মানে হৈছে আমি সামাজিক জীৱন যাপন কৰিবলৈ যাওঁতে সামাজিক প্ৰতিমান, আদৰ্শ, পৰম্পৰা, আইন, নৈতিকতা আৰু সামাজিক মতামত মানি চলিবলৈ বাধ্য হওঁ। নিজৰ ইচ্ছাৰ পৰিপন্থী হ'লেও সেইবোৰ নীতি নিয়ম, আদৰ্শ, পৰম্পৰা মানি চলিবলৈ বা ৰক্ষা কৰিবলৈ আমি বাধ্য। এনেদৰে বাধ্য হোৱা কাৰ্য্যক সামাজিক অনুশাসন বুলিও ক'ব পাৰি।

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে এই কথাখিনি এটা উদাহৰণৰ সহায়ত বুজি উঠিবলৈ চেষ্টা কৰা। যেনে — কাৰোবাৰ লগত চিনাকী হওঁতে নমস্কাৰ জনোৱা, সভাত থিয় হৈ কথা কোৱা, কিছুমান উৎসৱ-পাৰ্বনত বিশেষ ধৰণৰ সাজ-পোছাক পৰিধান কৰা আদি কাৰ্য্যবোৰ মানুহৰ ব্যক্তিগত ইচ্ছা-অনিচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে। বৰঞ্চ এই কাৰ্য্যবোৰ সমাজৰ নীতি অনুসৰি নকৰিলে সমাজৰ নিন্দাৰ পাত্ৰ হ'ব লাগে বা সমাজৰ পৰা বহিস্কৃত হ'বলগীয়া হয়। এইদৰে সমাজত বাধ্যত পৰি সম্পন্ন কৰা কাৰ্য্যবোৰ হ'ল নিৰীক্ষণীয় কাৰ্য্য। এনে সামূহিক জীৱনৰ লগত জড়িত কাৰ্য্যবোৰক সামাজিক ঘটনা হিচাপে গণ্য কৰা হয়।

## ১.৪ সমাজ অধ্যয়ণত সামাজিক ঘটনাৰ গুৰুত্ব ঃ (Importance of Social Facts in Social Study)

দুৰখেইমে গুৰুত্ব সহকাৰে ক'ব বিচাৰে যে সামাজিক তথ্যবোৰ নিৰীক্ষণীয় বস্তুৰ দৰে গণ্য কৰিব লাগে। দুৰখেইমে নিৰীক্ষণ আৰু পৰীক্ষা প্ৰমাণৰ দ্বাৰা ঠিৰাং কৰিব পৰা সকলো ক্ৰিয়া বা ঘটনাকে মূৰ্ত্তমান বস্তু হিচাপে গণ্য কৰে। দুৰখেইমৰ মতে মানুহৰ চিন্তা-ভাৱনা, বিশ্বাস, আদৰ্শ আদি মানসিক কাৰ্য্যবোৰো বস্তু হ'ব পাৰে যদিহে সেইবোৰ বাহ্যিক ৰূপত নিৰীক্ষণ কৰিব পৰা যায়।

দুৰখেইমে সামাজিক ঘটনাৰ বিষয়ে অধ্যয়ন কৰা গুৰুত্বপূৰ্ণ উদ্দেশ্যটো হ'ল সমাজতত্বই প্ৰকৃত বিজ্ঞান হিচাপে প্ৰতিষ্ঠা কৰিবলৈ হ'লে সামাজিক ঘটনাবোৰ বৈজ্ঞানিক পদ্ধতিৰে অধ্যয়ন কৰিব লাগিব আৰু ইয়াৰ বাবে বাস্তৱ তথ্যপাতিৰ প্ৰয়োজন হয়। গতিকে বৈজ্ঞানিক অধ্যয়নৰ বাবে সামাজিক তথ্যৰ চৰিত্ৰ নিৰ্ণয় কৰিব পাৰিব লাগিব। সেয়েহে দুৰখেইমে এই কথা উপলব্ধি কৰিছিল যে মানুহৰ সকলো আচৰণ বা ঘটনাকেই সামাজিক ঘটনা হিচাপে স্বীকৃতি দিব নোৱাৰি। সেয়েহে তেখেতে সামাজিক ঘটনা আৰু মনস্তাত্বিক তথ্যৰ মাজত পাৰ্থক্য দেখুৱাই সমাজতত্ব অধ্যয়নৰ ক্ষেত্ৰত সামাজিক ঘটনা বা সামাজিক তথ্য অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

## ১.৫ পাঠটিৰ পৰা কি শিকিলো (What we have learnt from the lession) ঃ

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে এই পাঠটি পঢ়ি তলত উল্লেখ কৰা কথাখিনি জানিব পাৰিলা।

(ক) দুৰখেইমৰ মতে মানুহৰ যিকোনো আচৰণ বা কাৰ্য্যকলাপক সামাজিক ঘটনা হিচাপে গণ্য কৰিব পাৰি যদিহে সেইবোৰ সামুহিক জীৱনৰ লগত জড়িত হৈ পৰে।

(খ) দ্বিতীয়তে সামাজিক ঘটনাৰ দুটা চৰিত্ৰ (১) বাহ্যিকতা আৰু (২) বাধ্যতাৰ বিষয়ে উদাহৰণ সহ সম্যক জ্ঞান লাভ কৰিব পাৰিলা।

(গ) আমি জানিব পাৰিলো যে দুৰখেইমে সামাজিক ঘটনাবোৰক দৃশ্যমান বস্তুৰ দৰে গণ্য কৰিছে। গতিকে ই বস্তুৰ আকাৰত হ'লেহে নিৰীক্ষণ আৰু পৰীক্ষাৰ দ্বাৰা প্ৰমাণ কৰিবলৈ সুবিধা হয়।

(ঘ) অৱশেষত আমি জানিব পাৰিলো যে সমাজতত্বই নিজকে প্ৰকৃত বিজ্ঞান হিচাপে পৰিচয় দিবলৈ হ'লে নিজৰ সামাজিক ঘটনা বা তথ্যবোৰ বাস্তৱ ৰূপত নিৰ্ণয় কৰিব লাগিব আৰু লগতে সামাজিক আৰু মনস্তাত্বিক ঘটনাৰ মাজত থকা পাৰ্থক্যখিনি নিৰ্ণয় কৰিব লাগিব।

## অগ্ৰগতিৰ খতিয়ান ঃ

(ক) আত্মহত্যাক এটা সামাজিক ঘটনা হিচাপে আলোচনা কৰিব পাৰিনে?

(খ) সামাজিক ঘটনাৰ মূল উপাদান কি কি?

(গ) দুৰখেইমৰ মতে সামাজিক ঘটনাৰ দুটা দিশ বা প্ৰকাৰ কি কি?

## খতিয়ানৰ উত্তৰ ঃ

(ক) পাৰি।
(খ) সামূহিক ক্ৰিয়া, চিন্তা আৰু অনুভূতি।
(গ) বাহ্যিকতা আৰু বাধ্যতা।

## সম্ভাব্য প্ৰশ্ন ঃ

(১) দুৰখেইমৰ ব্যাখ্যা মতে "সামাজিক ঘটনা" নামৰ অৱধাৰণাটোৰ অৰ্থ প্ৰকাশ কৰা।

(২) সামাজিক ঘটনাৰ নিৰীক্ষণ আৰু বিশ্লেষণৰ সম্পৰ্কত দুৰখেইমে আগবঢ়োৱা নীতি-নিয়মখিনি আলোচনা কৰা।

(৩) "সামাজিক ঘটনা সামূহিক আচৰণ পদ্ধতিৰ ওপৰত নিৰ্ভৰশীল।" — এই কথাষাৰ আলোচনা কৰা।

**পাঠ্য নির্দ্দেশনা** ঃ (Suggested Book)

(১) "আধুনিক সমাজতাত্বিক বিশ্লেষন" — ড° জ্যোতিপ্ৰসাদ শইকীয়া, বিদ্যাভৱন, মহাত্মা গান্ধী পথ, যোৰহাট -১, জানুৱাৰী, ২০১৩

(২) "সমাজতত্ত্বৰ অগ্ৰণী চিন্তাবিদসকলৰ সিদ্ধান্ত" — ড° গিয়াচউদ্দিন আহমদ আৰু হিমান্ত বৰগোঁহাই, বনলতা, ডিব্ৰুগড় আৰু গুৱাহাটী, আগষ্ট, ২০০৯

(৩)"সমাজতত্ত্বৰ অগ্ৰগনীয় লেখক সকলৰ সিদ্ধান্ত" — ড° দুৰ্গেশ্বৰ দলে, ষ্টুডেণ্ট্চ এম্পʼৰিয়াম, ডিব্ৰুগড়।

**প্ৰসঙ্গ পুথি** ঃ (Reference Book)

(১) M. Hussain ঃ "A Prologue to Five Sociologists" T.L. Baruah Publication, Dibrugarh

(২) Lewis A. Coser ঃ "Master of Sociological Thought" Rawat Publication.

# গোট — ২

# দুৰখেইমৰ "আত্মহত্যা" তত্ত্ব
# (Durkheim's Theory of Suicide)

**পাঠৰ গঠন বিন্যাস ঃ** (Structure of the Lession)

২.০ উদ্দেশ্য

২.১ প্রস্তাৱনা

২.২ আত্মহত্যা সম্পৰ্কত দুৰখেইমৰ ধাৰণা আৰু ইয়াৰ সামাজিক কাৰণ

২.৩ দুৰখেইমৰ আত্মহত্যাৰ প্ৰকাৰ

২.৪ আত্মহত্যাৰ ওপৰত দুৰখেইমৰ বস্তুনিষ্ঠ বিশ্লেষণ

২.৫ পাঠটিৰ পৰা কি শিকিলো

অৰ্থ জানিবলগীয়া শব্দ সমূহ

অগ্ৰগতিৰ খতিয়ান

সম্ভাব্য প্ৰশ্ন

পাঠ্য নিৰ্দেৰ্শনা

প্ৰসঙ্গ পুথি।

## ২.০ উদ্দেশ্য ঃ

ছাত্র-ছাত্রীসকল, এই পাঠটি পঢ়িলে তোমালোকে তলত উল্লেখ কৰা কথা কেইটা জানিব পাৰিবা।

(ক) দুৰখেইমৰ মতে আত্মহত্যা মানে কি তাক জানিব পাৰিবা।

(খ) পাঠটিত আত্মহত্যাৰ সামাজিক কাৰণবোৰ ব্যাখ্যা কৰা হৈছে- সেইবোৰ সুন্দৰভাবে বুজিব পাৰিবা।

(গ) তাৰোপৰি কাৰণ অনুসৰি আত্মহত্যাৰ প্ৰকাৰ কেইটাও আলোচনা কৰা হৈছে।

(ঘ) সামৰণিত দুৰখেইমৰ "আত্মহত্যা তত্ত্ব'ৰ যি বস্তুনিষ্ঠ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হৈছে তাকো জানিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

দুৰখেইমৰ "আত্মহত্যা" তত্ত্বটো প্ৰথম বাৰৰ বাবে দূৰশিক্ষাৰ স্নাতক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। এই তত্ত্বটো মনোযোগেৰে পঢ়িলে দুৰখেইমে আত্মহত্যাৰ ওপৰত যি দৃষ্টিভংগী দাঙি ধৰিছে তাক জানিব পাৰিবা। তেখেতে আত্মহত্যা নামৰ ক্ৰিয়াটো কেৱল ব্যক্তিগত দুৰ্বলতা, মানসিকভাৱে হতাশ বা অন্য ব্যক্তিগত, অৰ্থনৈতিক বা পাৰিবাৰিক কাৰণতেই নহয় বুলি কৈছে , বৰঞ্চ দুৰখেইমৰ মতে ইয়াত যে সামাজিক কাৰণ বা ঘটনাও জড়িত হৈ আছে তাৰো ব্যাখ্যা দাঙি ধৰা হৈছে। আত্মহত্যাক সামাজিক ঘটনা হিচাপে আলোচনা কৰিবলৈ যাওঁতে ইয়াৰ সামাজিক কাৰণ সমূহো ব্যাখ্যা কৰা হৈছে।

এই পাঠটিত আত্মহত্যাৰ কাৰণ অনুসৰি ইয়াৰ ভাগবোৰ যেনে (১) আত্মবিশ্লেষণমুখী আত্মহত্যা (২) প্ৰতিমানহীনতা প্ৰসূত আত্মহত্যা আৰু (৩) পৰহিতৈষীমূলক আত্মহত্যা। — এই তিনিপ্ৰকাৰৰ আত্মহত্যাৰ কথা তোমালোকে ভালদৰে বুজি পাবৰ বাবে তলত আলোচনা কৰি দেখুৱা হৈছে।

অৱশেষত এই পাঠটিত দুৰখেইমৰ মতে আত্মহত্যা যে এক গতিশীল সামাজিক ঘটনা, সমাজ ভেদে আত্মহত্যাৰ গতি আৰু হাৰ পৃথক পৃথক হ'ব পাৰে আৰু এই হাৰৰ লগত সামাজিক পৰিবেশ বা সামাজিক অৱস্থা জড়িত হৈ আছে তাকো তোমালোকক বুজাবলৈ চেষ্টা কৰা হৈছে।

## ২.২ আত্মহত্যা সম্পৰ্কত দুৰখেইমৰ ধাৰণা আৰু ইয়াৰ কাৰণ ঃ (DurKheim's Concept of suicide & its causes)

তোমালোকে মনত ৰাখিব লাগিব যে দুৰখেইমে তেখেতৰ ফৰাচী ভাষাত লিখা- "Le Suicide" নামৰ গ্ৰন্থত এই আত্মহত্যা তত্ত্ব (Theory of Suicide)টো ব্যাখ্যা কৰিছে।

এই গ্ৰন্থখনি G. Simpson আৰু J.A. Spaulding নামৰ দুজন সমাজতত্ত্ববিদে ইংৰাজীলৈ অনুবাদ কৰি "Suicide : A study in Sociology" নাম দিছে আৰু এই গ্ৰন্থখনেই বৈজ্ঞানিক তথ্য সমৃদ্ধ প্ৰথম গবেষণা গ্ৰন্থ হিচাপে স্বীকৃতি পাইছে।

দুৰখেইমৰ মতে আত্মহত্যা এবিধ সামাজিক ঘটনা হিচাপে ব্যাখ্যা কৰোতে পৰিসাংখিক দক্ষতাৰ পৰিচয় দিছে। তেখেতৰ এই তত্ত্বৰ বিশ্লেষণে যে এটা নতুন দিশৰ সূচনা কৰিলে এই কথাটো তোমালোকে মনত ৰাখিবা। দুৰখেইমৰ মতে আত্মহত্যা এক গতিশীল সামাজিক ঘটনা। অন্যান্য সমাজতত্ত্ববিদ সকলে মতপোষন কৰাৰ দৰে দুৰখেইমে আত্মহত্যাৰ কাৰণ হিচাপে ব্যক্তিগত দুৰ্বলতা, হতাশা, আৰ্থিক দুৰৱস্থা, পৰিয়াল বিঘটন আদি কাৰণবোৰ অভিহিত কৰিব বিচৰা নাই। দুৰখেইমৰ মতে আত্মহত্যা দেখাত ব্যক্তিগত যেন লাগিলেও ইয়াৰ লগত এখন সমাজ প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ আছে। তেখেতে কৈছে যে সামাজিক কাৰণ আৰু সামাজিক পৰিৱেশৰ বশৱৰ্তী হৈ এজন ব্যক্তিয়ে মনত আত্মহত্যাৰ ভাৱ জাগ্ৰত কৰি তোলে। দুৰখেইমে প্ৰমাণ কৰি দেখুৱাইছে যে এখন সমাজৰ কৰ্তৃত্বমূলক বা দমনমূলক প্ৰভাৱৰ ফলস্বৰূপে ব্যক্তিৰ মনত আত্মহত্যা ভাৱ জাগি উঠে। এই কাৰ্য্যই ব্যক্তিয়ে নিজৰ অৱস্থাক প্ৰতিফলিত কৰাতকৈ সামাজিক অৱস্থাটোকহে প্ৰতিফলিত কৰে।

দুৰখেইমে আত্মহত্যা সম্পৰ্কত কৈছে যে – "The term suicide is applied to all cases resulting directly or indirectly from a positive or negative act of the victim himself, which he knows will produce this result." তোমালোকে বুজিবৰ বাবে এই কথাষাৰ অসমীয়াত এনেদৰে অনুবাদ কৰা হৈছে যে "সকলো ধৰণৰ মৃত্যুকে আত্মহত্যা বুলি অভিহিত কৰিব পাৰি যদিহে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ব্যক্তিজনৰ মৃত্যুৱে ঋণাত্মক বা ধনাত্মক কাৰ্য্য উদ্ভৱ কৰে আৰু যাৰ ফলাফলৰ সম্পৰ্কে তেওঁ জ্ঞাত হৈ থাকে"। আত্মহত্যাৰ কাৰণবোৰ (Factors of Suicide) তলত আলোচনা কৰা হ'ল ।

**(১) বিপন্ন সামাজিক পৰিৱেশ ঃ** ছাত্ৰ-ছাত্ৰীসকল, আত্মহত্যাৰ কাৰণ হিচাবে দুৰখেইমে বিপন্ন সামাজিক পৰিৱেশৰ কথাও উনুকিয়াই গৈছে। তেখেতৰ মতে ই প্ৰধানতঃ সমাজৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। তেখেতে কৈছে যে সমূহগত জীৱন বিপন্ন হোৱা এটা পৰিৱেশ সৃষ্টি হোৱাৰ লগে লগে আত্মহত্যা সংঘটিত হ'ব পাৰে। সামাজিক পৰিৱেশ বিপন্ন হোৱাৰ প্ৰধান কাৰণবোৰ হ'ল - পৰিয়াল বিঘটন, প্ৰচলিত নীতি-আদৰ্শ, মূল্যবোধৰ উলংঘন ইত্যাদি। এই বিলাক অসুবিধাই সমাজৰ সংহতি ৰক্ষা বা সামাজিক জীৱনত শৃংখলতা ৰক্ষা কৰাত বাধা জন্মায়। তেখেতৰ মতে সামাজিক সংহতি যিমানেই মজবুট হ'ব আত্মহত্যাৰ প্ৰতি ব্যক্তিৰ আসক্তি সিমানেই কম হ'ব।

**(২) লক্ষ্যভ্ৰষ্ট পৰিস্থিতি ঃ** ছাত্ৰ-ছাত্ৰীসকল, দুৰখেইমে আত্মহত্যাৰ বিশ্লেষণত ক'ব বিচাৰিছে যে মানুহে যেতিয়া লক্ষ্যকেন্দ্ৰিক কামটো সম্পাদন কৰোতে সামাজিকভাৱে বাধাপ্ৰাপ্ত হয় তেতিয়াই ভগ্ন মনোবৃত্তিৰ দ্বাৰা ব্যক্তিজন হতাশ হয় আৰু অৱশেষত আৱশ্যকীয় সামগ্ৰীসমূহ আহৰণ কৰাত অসফল হৈ আত্মহত্যাৰ পথ অৱলম্বন কৰিব পাৰে।

**(৩) অভাৱ পূৰণ নোহোৱা** ঃ দুৰখেইমৰ মতে আকৌ দেখা যায় যে মানুহৰ সীমাহীন অভাৱক সীমিত সম্পদৰ দ্বাৰা পূৰণ কৰিব নোৱাৰাৰ বাবেও হতাশগ্ৰস্ত হৈ সমাজত আত্মহত্যাৰ দৰে ঘটনাও উদ্ভৱ হয়।

**(৪) ঋণাত্মক হেঁচা** ঃ দুৰখেইমৰ বিশ্লেষণত পোৱা যায় যে কিছুমান ক্ষেত্ৰত সমাজে কেতিয়াবা কিছুমান ঋণাত্মক হেঁচা দি মানুহ এজনক নিৰাপত্তাহীনতাৰ মাজলৈ ঠেলি পঠায়। এনেধৰণৰ নিৰাপত্তাহীনতা অৱস্থাই ব্যক্তিক অসুখী কৰি তোলে আৰু তাৰ বাবে ব্যক্তি এজনে নিজক ধ্বংস কৰাৰ কথা চিন্তা কৰে।

## ২.৩ দুৰখেইমৰ আত্মহত্যাৰ প্ৰকাৰ ঃ (Durkheim's types of Suicide)

ছাত্ৰ-ছাত্ৰীসকল, দুৰখেইমে আত্মহত্যাক তিনিটা প্ৰধান ভাগত ভাগ কৰি দেখুৱাইছে। তেখেতৰ আত্মহত্যাৰ বিভাজনৰ মূল ভিত্তি হিচাপে আত্মহত্যা উদ্ভৱ হ'ব পৰা সামাজিক অৱস্থা, প্ৰকৃতি বা পৰিবেশ আদিৰ কথা উল্লেখ কৰিছে। তেখেতৰ আত্মহত্যাৰ ভাগ কেইটা এটা এটাকৈ তলত উদাহৰণসহ বিশ্লেষণ কৰা হৈছে।

(১) **আত্ম বিশ্লেষণমূলক আত্মহত্যা** ঃ (Egoistic Suicide) দুৰখেইমৰ মতে এইবিধ আত্মহত্যা হ'ল যেতিয়া মানুহে নিজৰ সামাজিক জীৱন বা সামাজিক সমূহৰ সৈতে মিলিব নোৱাৰি অকলশৰীয়া বুলি ভাবে তেতিয়া ব্যক্তিয়ে এনেধৰণৰ আত্মহত্যা কৰে। যিবিলাক মানুহ অতিমাত্ৰাই আত্মকেন্দ্ৰিক হয়, যি আনৰ বিষয়ে নেভাবে বা আনৰ ভাল-বেয়া, ৰুচি-অভিৰুচিৰ বিচাৰ নকৰে সেইবিলাক মানুহে নিজৰ সমূহৰ লগত খাপ খুৱাই চলিব নোৱাৰি হতাশাত ভোগে। আচলতে এনে মানুহ মানসিকভাৱে নিজৰ সমাজৰ পৰা বিচ্ছিন্ন হৈ থাকে। এনেধৰণৰ আত্মকেন্দ্ৰিক মানুহে সমাজৰ পৰা নিজক দূৰত ৰাখি চলাৰ বাবে যিকোনো পৰিবৰ্তিত পৰিস্থিতিত সমাজৰ পৰা কোনো নৈতিক মনোবল লাভ কৰিবলৈ সুবিধা নেপায়। দুৰখেইমৰ মতে এনে অৱস্থাত সেইজন ব্যক্তিয়ে অন্য ব্যক্তিৰ তুলনাত নিজৰ সামাজিক স্থান নিম্ন হোৱা বুলি অনুভৱ কৰে। এনে আৱেগিক অৱস্থা বা মুহূৰ্ত্তত তেওঁ নিজকে সমাজৰ বোজা বা কলঙ্ক বুলি ভাবে। অৱশেষত এনে চিন্তাই তেওঁক আত্মহত্যা কৰিবলৈ বাধ্য কৰায়। এটা উদাহৰণ দি দুৰখেইমে কৈছে যে খ্ৰীষ্টান ধৰ্মৰ প্ৰটেষ্টাণ্ট গোষ্ঠীতকৈ কেথলিক গোষ্ঠীৰ মাজত আত্মহত্যাৰ প্ৰৱণতা কম। কাৰণ কেথলিক গোষ্ঠীৰ তুলনাত প্ৰটেষ্টাণ্ট গোষ্ঠীয়ে ব্যক্তিৰ স্বাধীনতাৰ ওপৰত বেছি হস্তক্ষেপ নকৰে। কিন্তু কেথলিক গোষ্ঠীয়ে নিজক অধিক সংগঠিত কৰি ৰাখিবলৈ ধৰ্মৰ নীতি-আদৰ্শ অধিক কঠোৰভাৱে পালন কৰাত মানুহৰ মাজত একাত্মতা বাঢ়ে। অন্যহাতে প্ৰটেষ্টাণ্ট সকলৰ মাজত শিথিল নিয়ম-নীতিৰ বাবে ব্যক্তি অধিক স্বাধীন হৈ গাইগুটিয়া স্বভাৱৰ হয় আৰু অনেক সময়ত বিভিন্ন কাৰণত হতাশাত ভুগি আত্মহননৰ পথ বাছি লয়।

(২) **প্ৰতিমানহীনতা প্ৰসূত আত্মহত্যা** ঃ (Normlessness or Anomic Suicide) ঃ সমাজৰ প্ৰতিমানহীনতাই আত্মহত্যাৰ দৰে কাৰ্য্য উদ্ভৱ কৰে। দুৰখেইমৰ মতে সাধাৰণতে সমাজৰ পৰিৱৰ্ত্তনৰ বাবে সমাজত বিঘটনমুখী বা বিভ্ৰান্তিমূলক অৱস্থাৰ উদ্ভৱ

হ'লে প্ৰতিমানহীনতাই দেখা দিয়ে। সেই অৱস্থাত সমাজ নিয়ন্ত্ৰণৰ প্ৰতিনিধি বিলাক বিকল হৈ পৰে। লাহে লাহে সামাজিক সংহতিও নাইকিয়া হ'বলৈ ধৰে। ফলস্বৰূপে সমাজত উচিত-অনুচিত, ভাল-বেয়া, ভুল-শুদ্ধ আদি দিশবোৰ বিবেচনা কৰিব নোৱাৰা হয়। প্ৰচলিত সমাজ পদ্ধতিৰ প্ৰতি সদস্যসকলৰ বিৰাগভাৱ জন্ম হয়। তেনে সমাজৰ পৰা আদৰ্শগতভাৱে বিচ্ছিন্ন হৈ অকলশৰীয়া অনুভৱ কৰে আৰু চৰম হতাশাত কিংকৰ্তব্য বিমূঢ় হৈ আত্মহত্যাৰ নিচিনা পথ বাছি ল'ব লগাত পৰে।

দুৰখেইমে প্ৰতিমানহীন সামাজিক অৱস্থাটোক "এনমি" (Anomie) শব্দৰে ব্যাখ্যা কৰিছে। তেখেতৰ মতে সমাজত যেতিয়া সামাজিক নিয়ন্ত্ৰণৰ অভাৱ ঘটে তেতিয়া সমাজত ব্যক্তিয়ে যিকোনো ধৰণৰ পথভ্ৰষ্টমূলক কামত লিপ্ত হৈ পৰে। এনে এনমিক বা প্ৰতিমানহীন অৱস্থাত মিলিবলৈ অপাৰগ হ'লেই মনত আত্মহননৰ প্ৰৱণতা জাগি উঠে। দুৰখেইমে এটা উদাহৰণ দি এইবিধ আত্মহত্যাৰ কথা এনেদৰে কৈছে যে চৰম অৰ্থনৈতিক বৃদ্ধিৰ সময়ত যেতিয়া এবাৰ অৰ্থনৈতিক মন্দা অৱস্থাৰ সৃষ্টি হয় তেতিয়া আত্মহত্যাৰ হাৰ বৃদ্ধি পাবলৈ ধৰে।

(৩) **<u>পৰহিতৈষীমূলক আত্মহত্যা</u>** (Altruistic Suicide) ঃ এইবিধ আত্মহত্যা আত্মবিশ্লেষণমূলক আত্মহত্যাৰ বিপৰীত বুলি ক'ব পাৰি। দুৰখেইমৰ এইবিধ আত্মহত্যাৰ মতে এটা সামাজিক সমূহৰ সৈতে আৱেগিকভাৱে আপোনভাৱ অহাত সেই সমূহটোৰ কল্যাণৰ বাবে বিশেষ পৰিস্থিতিত কৰা আত্মহত্যা। কিছুমান ব্যক্তিয়ে ব্যক্তিগত স্বাৰ্থতকৈ সমূহীয়া স্বাৰ্থৰ ওপৰত বেছি গুৰুত্ব দিয়া দেখা যায়। এনে ব্যক্তি নিজৰ সমূহটোৰ কল্যাণৰ বাবে সদায়ে সচেতন হৈ থাকে। এইবিধ আত্মহত্যাত আনৰ কল্যাণৰ বাবে আত্ম-উৎসৰ্গাৰ মনোভাৱ জড়িত হৈ থাকে। নিজৰ প্ৰয়োজনীয়তাতকৈ সমূহৰ প্ৰয়োজনীয়তা বেছি দৰকাৰী বুলি বিবেচনা কৰে। তেনে ব্যক্তিয়ে সমাজৰ কল্যাণৰ বাবে নিজৰ প্ৰাণ উৰ্চগা কৰিবলৈ কুণ্ঠাবোধ নকৰে।

এইবিধ আত্মহত্যাক মূল্যকেন্দ্ৰিক আত্মহত্যা বুলিও ক'ব পাৰি ; যিহেতু এনে আত্মহত্যা সাধাৰণতে নিজৰ সমূহটোৰ কোনো এটা লক্ষ্য বা মূল্যক কেন্দ্ৰ কৰি হৈ উঠে। আমি দেখিবলৈ পাওঁ যে যেতিয়া লক্ষ্য বা উদ্দেশ্য দুৰ্বল হৈ পৰে তেতিয়াই পৰহিতৈষীমূলক আত্মহত্যা সংঘটিত হয়। উদাহৰণ স্বৰূপে ভাৰতত পূৰ্বতে "সতীদাহ" প্ৰথাৰ কথা উল্লেখ কৰিব পাৰি। এই প্ৰথামতে পতিৰ মৃত্যু হ'লে তেওঁৰ চিতাৰ জুইত পত্নীয়ে নিজে দাহ যাব লাগে। ফটেহ সিঙে পঞ্জাৱৰ সমূহীয়া স্বাৰ্থৰ বাবে নিজে আত্মহত্যা কৰিছিল। এনে ধৰণৰ আত্মহত্যাক পৰহিতৈষীমূলক আত্মহত্যা বোলা হয়।

## ২.৪ **আত্মহত্যাৰ ওপৰত দুৰখেইমৰ বস্তুনিষ্ঠ বিশ্লেষণ** (Durkheim's objective analysis on Suicide)

দুৰখেইমে আত্মহত্যাৰ ওপৰত কিছুমান বাস্তৱ তথ্যপাতি সংগ্ৰহ কৰি এটি বস্তুনিষ্ঠ বিশ্লেষণ দাঙি ধৰিছে। এই সংগৃহীত তথ্যপাতিৰ সহায়ত বিশ্লেষণ কৰি দুৰখেইমে কৈছে যে আত্মহত্যা এবিধ গতিশীল সামাজিক ঘটনা আৰু ইয়াৰ সামাজিক অৱস্থাই প্ৰভাৱান্বিত

কৰে। এইবিলাক তথ্যপাতিৰ সহায়ত দুৰখেইমে আগবঢ়োৱা বস্তুনিষ্ঠ বিশ্লেষণৰ ফলাফল সমূহ তলত দাঙি ধৰা হৈছে। এই কথাখিনি তোমালোকে ভালদৰে বুজিবলৈ যত্ন কৰিবা।

(১) দুৰখেইমৰ বিশ্লেষণত দেখা গৈছে যে তুলনামূলকভাবে বিবাহিত ব্যক্তিতকৈ অবিবাহিত আৰু হতাশাগ্ৰস্ত ব্যক্তিৰ মাজত আত্মহত্যাৰ হাৰ বেছি। যিবিলাক বিবাহিতলোকৰ সন্তানৰ অকাল মৃত্যু হয় বা তেওঁলোক নিঃসন্তান হয়, তেওঁলোকৰ মাজত আত্মহত্যাৰ হাৰ বেছি হয়।

(২) লিংগ আৰু বয়স অনুসৰিও আত্মহত্যাৰ হাৰ কম বেছি হয়। সেইমতে তিৰোতাৰ তুলনাত পুৰুষৰ মাজত আত্মহত্যাৰ হাৰ অধিক। আনহাতে বয়সৰ ভিত্তিত চাবলৈ গ'লে কম বয়সীয়া সকলৰ তুলনাত বেছি বয়সীয়া সকলৰ মাজত আত্মহত্যাৰ হাৰ অধিক।

(৩) আন এটা বিশ্লেষণত দুৰখেইমে কৈছে যে শীতকালৰ তুলনাত গ্ৰীষ্মকালত অধিক হাৰত আত্মহত্যা হয়। সেইদৰে গ্ৰাম্য সমাজৰ তুলনাত নগৰীয়া সমাজত অধিক হাৰত আত্মহত্যা হৈ উঠে।

(৪) ধৰ্ম অনুসৰি প্ৰটেষ্টাণ্ট সকলৰ তুলনাত কেথলিক সকলৰ মাজত আত্মহত্যাৰ হাৰ কম। সেইদৰে প্ৰটেষ্টাণ্ট সকলতকৈ ইহুদী সকলৰ মাজত আত্মহত্যাৰ হাৰ অধিক কম।

(৫) পুনৰ আন এটা অধ্যয়ণত দুৰখেইমে প্ৰমাণ কৰিছে যে সাধাৰণ মানুহ বা সাধাৰণ নাগৰিকৰ তুলনাত সৈনিক আৰু অন্যান্য গধুৰ দায়িত্ব থকা মানুহৰ মাজত আত্মহত্যাৰ হাৰ বেছি।

উল্লেখিত বিশ্লেষণ সমূহৰ পৰা প্ৰতিফলিত হৈছে যে দুৰখেইমৰ আত্মহত্যা সম্পৰ্কীয় তত্ত্বটো সমাজবাদী চিন্তাধাৰাৰ ওপৰত প্ৰতিষ্ঠিত। তেখেতে বাস্তৱ তথ্যপাতিৰ দ্বাৰা প্ৰমাণ কৰি দেখুৱাইছে যে সমাজ আৰু সামাজিক কাৰণসমূহেই আত্মহত্যাৰ বাবে দায়ী। সমাজত যেতিয়ালৈকে সংহতি বৰ্ত্তি থাকে তেতিয়ালৈকে কমপৰিমাণৰ আত্মহত্যা দেখা যায়। সমাজত সংহতিৰ অভাৱ হ'লেও আত্মহত্যাৰ হাৰ অধিক হয়। মুঠৰ ওপৰত দুৰখেইমৰ এই সিদ্ধান্তই সমাজতত্বীয় চিন্তাধাৰাৰে পৰিসাংখ্যিক বাস্তৱ তথ্যপাতিসহ ব্যাখ্যা কৰি সমাজতত্বৰ ক্ৰমশীল বৃদ্ধিত যথেষ্ট অৰিহণা যোগাইছে।

## ২.৫ পাঠটিৰ পৰা কি শিকিলো ঃ

ছাত্ৰ-ছাত্ৰীসকল, এই পাঠটি অধ্যয়ন কৰি তোমালোকে তলত উল্লেখ কৰা কথাখিনি জানিব পাৰিলা।

(১) আত্মহত্যা এটা সামাজিক ঘটনা বা আত্মহত্যাৰ লগত সদায়ে প্ৰত্যক্ষ বা পৰোক্ষভাবে এখন সমাজ জড়িত হৈ থাকে।

(২) সামাজিক জীৱনত বিশৃংখলতাৰ এটা মূল ৰূপ হৈছে আত্মহত্যা।

(৩) দুৰখেইমৰ মতে সমূহীয়া জীৱন বিপন্ন হোৱা অৱস্থাৰ সৃষ্টি হ'লেই আত্মহত্যা সংঘটিত হয়।

(৪) আত্মহত্যাক তিনিটা ভাগত ভাগ কৰিছে। যেনে - (১) আত্মবিশ্লেষণমূলক (২) প্রতিমানহীনতা প্রসূত আৰু (৩) পৰহিতৈষী বা নিঃস্বাৰ্থমূলক।

(৫) দুৰখেইমৰ মতে সমাজ আৰু পৰিৱেশ ভেদে আত্মহত্যাৰ মাত্রা সুকীয়া সুকীয়া হোৱা দেখা যায়।

## অৰ্থ জানিবলগীয়া শব্দসমূহ ঃ

এই গোটটিত ব্যৱহাৰ হোৱা প্রধান শব্দসমূহ হ'ল - আত্ম বিশ্লেষণ, প্রতিমানহীনতা, পৰহিতৈষী, বস্তুনিষ্ঠ বিশ্লেষণ, সতীদাহ, অৰ্থনৈতিক মন্দা, সংহতি, বাস্তৱ তথ্য। এই শব্দবোৰৰ অৰ্থ নিজে যত্ন কৰি বিচাৰি ল'বা।

## অগ্ৰগতিৰ খতিয়ান ঃ

(১) আত্মহত্যা সম্পৰ্কে দুৰখেইমে ফৰাচী ভাষাত লিখা গ্রন্থখনৰ নাম কি?

(২) আত্মহত্যাৰ কাৰণ হিচাপে দুৰখেইমে চমুকৈ কি কি কাৰণ উল্লেখ কৰিছে ?

(৩) দুৰখেইমৰ তিনি প্রকাৰৰ আত্মহত্যা কি কি?

**খতিয়ান উত্তৰ ঃ**

(১) "Le Suicide"

(২) (ক) বিপন্ন সামাজিক পৰিবেশ, (খ) লক্ষ্যভ্ৰষ্ট পৰিস্থিতি (গ) অভাৱ পূৰণ নোহোৱা (ঘ) ঋণাত্মক হেঁচা।

(৩) (ক) আত্মবিশ্লেষণমূলক (খ) প্ৰতিমানহীনতা প্ৰসূত আৰু (গ) পৰহিতৈষীমূলক আত্মহত্যা।

**সম্ভাব্য প্ৰশ্ন ঃ**

(১) 'দুৰখেইমে আত্মহত্যাক সামাজিক ঘটনা হিচাপে অভিহিত কৰিছে' – আলোচনা কৰা।

(২) দুৰখেইমৰ "আত্মহত্যা" তত্ত্বটো আলোচনা কৰা।

(৩) দুৰখেইমৰ আত্মহত্যাৰ প্ৰকাৰ কেইটা আলোচনা কৰা।

(৪) আত্মহত্যাৰ কাৰণ সমূহ চমুকৈ আলোচনা কৰা।

**পাঠ্য নিৰ্দেশনা ঃ** (Suggested Book)

(১) "সমাজতত্ত্বৰ অগ্ৰণী চিন্তাবিদ সকলৰ সিদ্ধান্ত" – ড° গিয়াচউদ্দিন আহমদ আৰু হিমান্ত বৰগোঁহাই, বনলতা; ডিব্ৰুগড় আৰু গুৱাহাটী, ২০০৯

(২) "সমাজশাস্ত্ৰ সিদ্ধান্ত পৰিচয়" – গুণমণি নাথ, বনলতা; গুৱাহাটী আৰু ডিব্ৰুগড়।

**প্ৰসঙ্গ পুথি ঃ** (Reference Book)

১"Structure of Sociological Theory" – J.N. Turner, Jaipur, Rawat Publication.

২."সমাজ তাত্বিক সিদ্ধান্ত" - জ্যোতি প্ৰসাদ শইকীয়া, বনলতা, ডিব্ৰুগড়।

# গোট নং - ৩
# দুৰখেইমৰ সামাজিক সংহতিৰ স্বৰূপ
## (Durkheim's forms of Social Solidarity)

**পাঠৰ গঠন বিন্যাস ঃ**

৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা

৩.২ সামাজিক সংহতি আৰু শ্ৰমবিভাজনৰ মাজত সম্পৰ্ক

৩.৩ সামাজিক সংহতিৰ মূল বৈশিষ্ট্য

৩.৪ দুৰখেইমৰ সামাজিক সংহতিৰ বিভাজন

৩.৫ সামৰণি

ঘাই শব্দ সমূহ

সম্ভাব্য প্ৰশ্ন

পাঠ্য নিৰ্দ্দেশনা

প্ৰসঙ্গ পুথি

## ৩.০ উদ্দেশ্য ঃ

এই পাঠটিত তোমালোকে তলত উল্লেখ কৰা কথাখিনি জানিব পাৰিবা।

(ক) সামাজিক সংহতি মানে দুৰখেইমে কি বুজাইছে আৰু সামাজিক সংহতিৰ লগত শ্ৰম বিভাজনৰ সম্পৰ্ক কেনে তাক জানিব পাৰিবা।

(খ) দুৰখেইমৰ সামাজিক সংহতিৰ বৈশিষ্ট্যখিনি বুজিব পাৰিবা।

(গ) শ্ৰম বিভাজনৰ ভিত্তিত বিভাজিত দুই প্ৰকাৰৰ সামাজিক সংহতিৰ বিষয়ে জানিব পাৰিবা।

## ৩.১ প্ৰস্তাৱনা ঃ

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে আগতে দুৰখেইমৰ সম্পৰ্কে কিছু কথা জানিব পাৰিছা যদিও তেখেতৰ শ্ৰম বিভাজনৰ ভিত্তিত গঢ় লৈ উঠা সামাজিক সংহতি (Social solidarity) ৰ বিষয়ে এই পাঠটিত ভালদৰে বুজিব পাৰিবা।

হাৰ্বাট স্পেনচাৰৰ দৰে দুৰখেইমো সামাজিক বিৱৰ্ত্তন ধাৰণাত বিশ্বাসী আৰু এনেধৰণৰ ধাৰণাৰ বশৱৰ্ত্তী হৈ দুৰখেইমে ক'ব বিচাৰিছে যে আমাৰ সমাজত জনসংখ্যাৰ মাজত শ্ৰম বিভাজন যিমানেই জটিল ৰূপত প্ৰকাশ হ'ব ধৰিছে সিমানেই সমাজৰ স্বৰূপটোও সৰল অৱস্থাৰ পৰা জটিল অৱস্থালৈ গতি কৰিছে আৰু জৈৱিক সামাজিক সংহতিৰ সৃষ্টি হৈছে।

দুৰখেইমৰ মতে ব্যক্তিৰ নিজৰ প্ৰয়োজনীয়তা সমূহ পূৰণ কৰাৰ বাবে হৈ উঠা চুক্তিৰ ফলতেই সমাজত শ্ৰম বিভাজনৰ সৃষ্টি হৈছে। আনহাতে জনসংখ্যা বৃদ্ধিৰ লগে লগে শ্ৰম বিভাজনৰ প্ৰতি আগ্ৰহো ক্ৰমাগতভাৱে বাঢ়ি গৈছে। এখন সমাজৰ শ্ৰম বিভাজনৰ স্বৰূপটো সৰল অৱস্থাৰ পৰা জটিল অৱস্থালৈ আগবাঢ়ি গৈ থকাৰ লগে লগে সামাজিক বিবৰ্ত্তনৰ গতিও বেছি হোৱা দেখা যায়। সেই মতে সামাজিক সংহতিৰ স্বৰূপটোও জটিল ৰূপত প্ৰকাশ পাইছে।

দুৰখেইমে শ্ৰম বিভাজনৰ ওপৰত নিৰ্ভৰ কৰি সমাজত যান্ত্ৰিক (Mechanical) আৰু জৈৱিক (Organic) - এই দুই প্ৰকাৰৰ সামাজিক সংহতি দেখিবলৈ পোৱা যায় বুলি ক'বলৈ বিচাৰিছে। যি বিলাক সমাজত সৰল শ্ৰম বিভাজন দেখা যায় সেইবিলাক আদিম প্ৰকৃতিৰে বসবাস কৰা মানুহৰ মাজত অধিক সাদৃশ্য আছে। তেওঁলোকে প্ৰায়ে একে বৃত্তি, একে ৰীতি-নীতি আৰু একে মূল্যবোধক বিশ্বাস কৰে। সমাজত এনেধৰণৰ একতাৰ মাজত বাস কৰা ব্যক্তিৰ মাজত যান্ত্ৰিক সংহতি (Mechanical Solidarity)য়ে বিৰাজ কৰে।

আনহাতে সমাজত শ্ৰম বিভাজন জটিল হোৱাৰ লগে লগে ব্যক্তিৰ মাজত বৃত্তি, আচাৰ ব্যৱহাৰ, ধ্যান-ধাৰণা আদি বিভিন্ন দিশত ভিন্নতা প্ৰকাশ পায়। দুৰখেইমে এনেধৰণৰ আধুনিক জীৱন যাপন কৰা মানুহখিনিৰ মাজত জৈৱিক সংহতি (Organic Solidarity) বিৰাজ কৰিছে বুলি ক'ব বিচাৰিছে। দুৰখেইমৰ মতে মানৱ সমাজখনেই প্ৰথমে যান্ত্ৰিক

সংহতিৰ পৰা জটিল শ্ৰম বিভজনৰ জৰিয়তে ক্ৰমান্বয়ে জৈৱিক সংহতিপূৰ্ণ সমাজলৈ ৰূপান্তৰিত হয়।

তাৰোপৰি দুৰখেইমে আলোচনা কৰা শ্ৰম বিভাজনৰ জৰিয়তে সমাজত সৃষ্টি হোৱা পৃথক পৃথক প্ৰকাৰৰ সামাজিক সংহতিৰ কেইটামান বৈশিষ্ট্য উদাহৰণসহ বিতংভাবে এই পাঠটিত লিখা হৈছে।

## ৩.২ **সামাজিক সংহতি আৰু শ্ৰম বিভাজন** ঃ (Social solidarity & Division of Labour)

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে জানিব পাৰিবা যে সামাজিক সংহতিৰ লগত শ্ৰম বিভাজনৰ সদায়ে এটা ওতঃপ্ৰোতঃ সম্বন্ধ থাকে। সামাজিক সংহতিৰ বিষয়ে অধ্যয়ন কৰাৰ লগে লগে আমাৰ সমাজত প্ৰচলিত শ্ৰম বিভাজনৰ বিষয়ে কিছু কথা জানিবই লাগিব। প্ৰথমে সামাজিক সংহতিৰ অৰ্থ বিশ্লেষণ কৰি চাওঁহক।

**সামাজিক সংহতিৰ অৰ্থ** (Meaning of Social solidarity)

দুৰখেইমে সামাজিক শ্ৰমবিভাজনৰ ওপৰত ভিত্তি কৰি সামাজিক সংহতিৰ ধাৰণা প্ৰকাশ কৰিছে। দুৰখেইমে “Division of Labour in Society” নামৰ গ্ৰন্থখনিত (ক) সামাজিক সংহতি (খ) শ্ৰমবিভাজন আৰু (গ) সামাজিক বিবৰ্ত্তন, - সামাজিক জীৱনৰ এই তিনিটা দিশৰ ওপৰত আলোকপাত কৰিছে। যদিও তেখেতে এই তিনিওটা দিশ পৃথকে পৃথকে আলোচনা কৰিছে তথাপি তিনিওটাৰ মাজত এটা পাৰস্পৰিক সম্পৰ্ক আছে। যিকি নহওঁক সমাজৰ একতা বা সংহতি বজাই ৰখাত শ্ৰম বিভাজনৰ বিশেষ ভূমিকা আছে। দুৰখেইমৰ মতে শ্ৰম বিভাজন এনে এটা উপায় যাৰ যোগেদি সমাজৰ ব্যক্তিবোৰক সংগঠিত আৰু ওচৰ চপাই আনিব পাৰে। অন্যহাতেদি এই শ্ৰমবিভাজনৰ যোগেদি ব্যক্তিবোৰক সংগঠিত কৰাৰ লগে লগে সামাজিক সংহতি ৰক্ষা বা উন্নীত কৰণ কাৰ্য্য সম্ভৱ হৈ উঠে।

সাধাৰণতে সামাজিক সংহতিয়ে সমাজৰ ঐক্যমত বা সমাজখনৰ শৃংখলাবদ্ধতাকে বুজাইছে। এই সামাজিক সংহতিত সামূহিক সচেতনতা, আনুভৌতিক ঐক্য, নৈতিকতা, আভ্যন্তৰীণ আচৰণ প্ৰণালী আদি দিশ সমূহ জড়িত হৈ আছে।

দুৰখেইমৰ মতে সামাজিক সংহতি হ'ল এক অমূৰ্ত্ত সামাজিক ঘটনা। এই ঐক্য কেৱল অনুভৱৰ দ্বাৰাইহে সৃষ্টি হৈছে। তেখেতে নৈতিকতাক সামাজিক সংহতিৰ মূল আধাৰ বুলি ক'ব বিচাৰিছে। দুৰখেইমৰ মতে এখন সমাজৰ প্ৰচলিত সামাজিক প্ৰথা আৰু পৰম্পৰা সমূহ কেৱল নৈতিক বিধিৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ আছে। এখন সমাজৰ সদস্য হিচাপে সকলোৰেই নৈতিক বাধ্যবাধকতাৰ প্ৰতি দায়বদ্ধ হৈ থাকে আৰু ইয়াৰ বাবে সামূহিক চেতনা জাগ্ৰত হোৱাটো নিতান্ত প্ৰয়োজন। এই নৈতিক বিধি আৰু বাধ্যবাধকতা সমূহ মানি চলাৰ বাবেই আমি সকলোৱে মাৰ্জিত আচৰণ প্ৰদৰ্শন কৰো। সেয়ে হ'লে আমাৰ সমাজত সামাজিক সংহতি গঢ় লৈ উঠিব। ইয়াৰ উপৰিও সামূহিক চেতনাৰ দ্বাৰা ব্যক্তিগত অহংভাৱ নিয়ন্ত্ৰিত হয়। গতিকে দুৰখেইমে ক'ব বিচাৰিছে যে এনেদৰে অৰ্থপূৰ্ণ আৰু

পাৰস্পৰিক ভাৱে গঢ়ি উঠা সামাজিক সম্বন্ধৰ দ্বাৰা সামাজিক সংহতি সৃষ্টি হৈছে।

## ৩.৩ দুৰখেইমৰ সামাজিক সংহতিৰ মূল বৈশিষ্ট্যসমূহ ঃ (Main features of Durkheim's Social solidarity)

ছাত্ৰ-ছাত্ৰীসকল, সামাজিক সংহতিৰ অৰ্থ প্ৰকাশ কৰিবলৈ যাওঁতে ইয়াৰ লগত জড়িত কিছুমান মূল উপাদান চমুকৈ তোমালোকক ইতিমধ্যে জনোৱা হৈছে। তথাপিও দুৰখেইমৰ "সামাজিক সংহতি" ধাৰণাৰ প্ৰসঙ্গত কেইটামান বিশেষ লক্ষণ উল্লেখ কৰিব পাৰি। সেইবোৰৰ বিষয়ে ব্যাখ্যা কৰিলেহে সামাজিক সংহতিৰ বিষয়ে এটা স্পষ্ট ধাৰণা লাভ কৰিব পাৰিবা। দুৰখেইমৰ সামাজিক সংহতিৰ লগত জড়িত এই লক্ষণ সমূহ তোমালোকৰ বুজিবৰ সুবিধাৰ্থে তলত এটা এটাকৈ আলোচনা কৰা হৈছে।

(১) **নৈতিক ঘটনা ঃ** (Moral facts)

দুৰখেইমে কৈছে যে এখন সমাজ সাধাৰণতে আমোদ-প্ৰমোদ (Hegalism) চিন্তাধাৰাৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠে ; কিন্তু এই আমোদ-প্ৰমোদ সদায়ে সমাজৰ একতা আৰু উন্নতি আনিব নোৱাৰে। সামাজিক ঐক্যতা আৰু সংহতি মানুহৰ নৈতিক দৃষ্টিভংগী আৰু নৈতিকতাৰ সহায়তহে লাভ কৰিব পাৰি। সেয়েহে দুৰখেইমে সামাজিক সংহতিক এক নৈতিক সামাজিক ঘটনা বা কাৰ্য্য বুলি অভিহিত কৰিছে।

(২) **অমূৰ্ত্ত ঘটনা ঃ** (Abstract facts)

দুৰখেইমৰ মতে সামাজিক সংহতি এটা অমূৰ্ত্ত ঘটনা বা ধাৰণাহে। সামাজিক সংহতি এটা ভৌতিক বস্তু নহয় বা ইয়াক বাহিৰৰ পৰা দেখা নাযায় বা স্পৰ্শ কৰিব নোৱাৰি বা জোখমাখ কৰিব নোৱাৰি, কেৱল সামূহিক আচৰণৰ যোগেদিহে সামাজিক সংহতিক উপলব্ধি কৰিব পাৰি।

(৩) **সামূহিক সচেতনতাৰ প্ৰকাশ ঃ**(Manifestation of Collective consciousness)

দুৰখেইমৰ মতে সমূহীয়া সচেতনতা গঢ়ি উঠা সমাজতহে সামাজিক সংহতি সম্ভৱপৰ হয়। এই সামূহিক সচেতনতাই ব্যক্তিসকলৰ মাজত আনুভূতিক ঐক্য স্থাপন কৰে। আনুভূতিক ঐক্য যিমানেই বাঢ়ি যায় সিমানেই সামাজিক সংহতি মজবুট হৈ পৰে।

**(৪) সামাজিক সংহতি গতিশীল প্ৰকৃতিৰ ঃ** (Dynamic nature of Social solidarity)

সামাজিক সংহতিৰ স্বৰূপটো সময়ৰ লগে লগে পৰিৱৰ্ত্তন হৈ থাকে। সাধাৰণতে জনসংখ্যাৰ ঘনত্ব আৰু শ্ৰম বিভাজনৰ স্বৰূপটো পৰিবৰ্ত্তনৰ লগে লগে সামাজিক সংহতিৰো পৰিবৰ্ত্তন হৈ আহে। উদাহৰণ স্বৰূপে দুৰখেইমৰ মতে ক'ব পাৰি যে সীমিত ধৰণৰ শ্ৰম বিভাজন আৰু কম সংখ্যক জনসংখ্যা থকা আদিম প্ৰকৃতিৰ সহজ সৰল সমাজত দেখা পোৱা যান্ত্ৰিক সংহতি সময় আগবাঢ়ি যোৱাৰ লগে লগে জটিল শ্ৰমবিভাজন আৰু জনসংখ্যাৰ ঘনত্ব বৃদ্ধি হৈ জৈৱিক সংহতিলৈ ৰূপান্তৰিত হয়।

(৫) **সামাজিক সংহতিৰ মূল্যাঙ্কণৰ জটিলতা** ঃ(Difficulty of assessment of Social solidarity)

যিহেতু সামাজিক সংহতি এটা নৈতিক ঘটনা ই অমূৰ্ত্ত আৰু পৰিৱৰ্ত্তনশীল প্ৰকৃতিৰ। ইয়াক সহজে মূল্যাঙ্কণ কৰাটো সম্ভৱ নহয়। এই সামাজিক সংহতিৰ প্ৰকৃত স্বৰূপটো সামাজিক কাৰ্য্যাৱলী বা সামাজিক আচৰণৰ সহায়ত উপলব্ধি কৰিব পাৰি। উদাহৰণ স্বৰূপে এখন গাঁৱৰ জনসাধাৰণৰ মাজত অন্তৰ্নিহিত হৈ থকা ঐক্যবোধ আপাততঃ দৃষ্টিত জনাটো সম্ভৱ নহয়। কিন্তু যেতিয়া সেই গাঁৱৰ জনসাধাৰণৰ সন্মুখত বিপদে দেখা দিয়ে তেতিয়া সেই বিপদ নিবাৰণৰ বাবে চেষ্টা কৰিবলৈ যাওঁতে সেই জন সমষ্টিৰ মাজত অন্তৰ্নিহিত হৈ থকা সংহতিৰ ভাৱ তেওঁলোকৰ কাৰ্য্যৰ যোগেদি প্ৰকাশিত হৈ পৰে।

(৬) **সামাজিক সংহতিত আনুভূতিক ঐক্য** ঃ (Emotional attachment in Social solidarity)

সমাজৰ ব্যক্তিসকলৰ মাজত আনুভূতিক ঐক্যই গা কৰি উঠিলেহে সামাজিক সংহতি সম্ভৱ হয়। সমাজৰ ব্যক্তিসকলৰ ইচ্ছা নহ'লে সামাজিক সংহতি কেতিয়াও সম্ভৱ নহয় নাইবা কোনো সমাজতে বলেৰে সংহতি বা আনুভূতিক ঐক্য আনিব নোৱাৰি।

ছাত্ৰ-ছাত্ৰী সকল, উল্লেখিত এই ছয়টা সামাজিক সংহতিৰ চৰিত্ৰ ভালদৰে মনত ৰাখিব পাৰিলে সামাজিক সংহতিৰ সম্পৰ্কে স্পষ্ট ধাৰণা এটা আহৰণ কৰিব পাৰিবা।

## ৩.৪ দুৰখেইমৰ সামাজিক সংহতিৰ প্ৰকাৰ ঃ (Durkheim's Types of Social solidarity)

দুৰখেইমে শ্ৰমবিভাজনৰ ওপৰত ভিত্তি কৰি সমাজত দুই প্ৰকাৰৰ সামাজিক সংহতি দেখা যায় বুলি ক'ব বিচাৰিছে। ইয়াৰে এবিধ হ'ল যান্ত্ৰিক সংহতি যিবিলাক সৰল সমাজত পৰিলক্ষিত হয়। আনবিধ হ'ল জৈৱিক সংহতি, যিটো জটিল সমাজত দেখা যায়।

(১) **যান্ত্ৰিক সংহতি** (Mechanical Solidarity)

দুৰখেইমৰ মতে সাধাৰণতে যিখন সমাজত ব্যক্তিগত স্বাৰ্থলৈ আওঁকাণ কৰি সমূহীয়া স্বাৰ্থৰে কাম কৰে, য'ত আনুভূতিক ঐক্য অতি গভীৰ, একে ধৰণৰ কামত সকলোৰে আপোনভাৱে অংশগ্ৰহণ কৰে তেনে সমাজত যান্ত্ৰিক সংহতি দেখা যায়। যেনে-এটা সম্প্ৰদায়ৰ মাজত থকা ঐক্য। সাধাৰণতে এই ধৰণৰ সংহতি আদিম প্ৰকৃতিৰে জীৱন-যাপন কৰা, সহজ-সৰল, সীমিত জনসংখ্যা থকা আৰু সৰল শ্ৰম বিভাজন থকা সমাজত দেখিবলৈ পোৱা যায়। এনে যান্ত্ৰিক সংহতি সম্পন্ন সমাজত আত্মকেন্দ্ৰিকতাৰ পৰিবৰ্ত্তে সামূহিক বা উমৈহতীয়া মনোবৃত্তিও বেছি দৃঢ়। মানুহবিলাক এনে মানসিক দৃষ্টিভংগী আৰু একে নৈতিক আচৰণৰ দ্বাৰা পৰিচালিত হয়। এই যান্ত্ৰিক সংহতি থকা সমাজত সামাজিক বান্ধোন বা হেঁচা প্ৰয়োগ কৰি হ'লেও এই সংহতি জীয়াই ৰাখিবলৈ যত্ন কৰে। ইয়াত সমূহৰ বিৰুদ্ধে যাব বিচৰা মানুহক শাস্তি প্ৰদান কৰাৰ ব্যৱস্থা আছে।

(২) **জৈৱিক সংহতি** (Organic Solidarity)

এইবিধ সংহতিৰ মূল ভিত্তিয়েই হ'ল পাৰ্থক্য বা বৈসাদৃশ্য আৰু ব্যক্তিবাদীতা দিশটোহে গুৰুত্ব লাভ কৰে। যিখন সমাজত জনসাধাৰণৰ বসতি ঘন, য'ত বিশেষীকৰণৰ ওপৰত নিৰ্ভৰ কৰি অতিমাত্ৰা শ্ৰম বিভাজন হয়, যিখন সমাজৰ ব্যক্তিসকলৰ মাজত জটিল ৰূপত সামাজিক সম্বন্ধ দেখা যায়, য'ত সমাজবাদী চিন্তাৰ পৰিবৰ্তে ব্যক্তিবাদী চিন্তাই প্ৰতিষ্ঠা লাভ কৰে তেনে সমাজতেই এই জৈৱিক সংহতি দেখা যায়।

এনে জৈৱিক সংহতি সম্পন্ন সমাজত মানুহৰ আচাৰ-ব্যৱহাৰ, চাল-চলন, কথা-বতৰা, ভাৱ-চিন্তা ব্যৱসায়-বৃত্তি ইত্যাদিত কৃত্ৰিমতা দেখা যায়। আনহাতে এনে সংহতি সম্পন্ন সমাজত যিকোনো ক্ষেত্ৰতে প্ৰতিযোগিতামূলকভাৱ বৃদ্ধি পায়। এই জৈৱিক সংহতি সম্পন্ন সমাজক নিয়ন্ত্ৰণৰ বাবে জনৰীতি, লোকাচাৰ বা সামাজিক প্ৰথাতকৈ চৰকাৰী লিখিত আইনৰ প্ৰয়োগহে বেছি গুৰুত্বপূৰ্ণ। উদাহৰণ স্বৰূপে আমি আধুনিক ঔদ্যোগিক বা নগৰীয়া সমাজত থকা জৈৱিক সংহতিৰ কথা উল্লেখ কৰিব পাৰো।

ছাত্ৰ-ছাত্ৰীসকল, খুব চমুকৈ ক'বলৈ গ'লে তোমালোকে গ্ৰাম্য সমাজ আৰু নগৰীয়া সমাজত থকা পাৰ্থক্যখিনি চালিজাৰি চালেই দুয়োবিধ সংহতিৰ বিষয়ে এটা ধাৰণা লাভ কৰিব পাৰিবা।

## ৩.৫ সামৰণি ঃ

ছাত্ৰ-ছাত্ৰীসকল, দুৰখেইমৰ সামাজিক সংহতিৰ সম্পৰ্কত কৰা উল্লেখিত আলোচনা সমূহৰ পৰা তলত উল্লেখ কৰা কথাখিনি শিকিব পাৰিলো।

(১) সামাজিক সংহতিৰ লগত শ্ৰম বিভাজনৰ কথা জড়িত হৈ আছে, আৰু এই শ্ৰমবিভাজনৰ ওপৰত নিৰ্ভৰ কৰিয়েই সুকীয়া সুকীয়া স্বৰূপৰ সংহতি দেখা যায়। মুঠতে সংহতিৰ পৰিবৰ্ত্তনৰ ক্ষেত্ৰত শ্ৰমবিভাজনে মূখ্য ভূমিকা গ্ৰহণ কৰে।

(২) লগতে এইটো কথাও জানিব পাৰিলো যে শ্ৰম বিভাজনৰ ওপৰত ভিত্তি কৰিয়েই সমাজৰ প্ৰকৃতি যান্ত্ৰিক অৱস্থাৰ পৰা জৈৱিক অৱস্থা প্ৰাপ্ত হোৱাটোৱে মানৱ সমাজৰ ক্ৰমবিৱৰ্ত্তনৰ কথাকেই সূচাইছে।

(৩) আমি শিকিব পাৰিলো যে মানৱ সমাজখনৰ প্ৰগতি বা উন্নতিৰ পথত আগবাঢ়ি অহাৰ লগে লগে সামাজিক সংহতিৰ চৰিত্ৰও নতুন ৰূপত প্ৰকাশিত হ'ব ধৰিছে। আনহাতে সংহতি বিনষ্ট হোৱাৰ লগে লগে সামাজিক গাঁথনিটোও পৰিৱৰ্ত্তন হোৱা দেখা যায়।

## ঘাই শব্দসমূহ ঃ

এই পাঠটিত ব্যৱহাৰ হোৱা প্ৰধান শব্দসমূহ হ'ল – সংহতি, যান্ত্ৰিক সংহতি, জৈৱিক সংহতি, শ্ৰমবিভাজন, বিবৰ্ত্তন, নৈতিক, অমূৰ্ত্ত, সামূহিক সচেতনতা, গতিশীল, আনুভূতিক ঐক্য। তোমালোকে এই শব্দবোৰৰ অন্তৰ্নিহিত অৰ্থ নিজে যত্ন কৰি আয়ত্ব কৰিবা।

## সম্ভাব্য প্ৰশ্ন ঃ

(১) দুৰখেইমে সামাজিক সংহতিৰ অৰ্থ কেনেদৰে প্ৰকাশ কৰিছে? তেখেতে সংহতিৰ সহায়ত মানৱ সমাজখনক কেনেদৰে ব্যাখ্যা কৰিছে?

(২) সামাজিক সংহতি মানে কি বুজা? দুৰখেইমে আগবঢ়োৱা সামাজিক সংহতিৰ বিষয়ে আলোচনা কৰা।

(৩) দুৰখেইমৰ যান্ত্ৰিক সংহতি আৰু জৈৱিক সংহতিৰ বিষয়ে চমু টোকা লিখা।

## পাঠ্য নিৰ্দ্দেশনা (Suggested Book)

(১) "সমাজতত্বৰ অগ্ৰণী চিন্তাবিদ সকলৰ সিদ্ধান্ত" – ড° গিয়াচউদ্দিন আহমদ আৰু হিমান্ত বৰগোঁহাই, বনলতা, ডিব্ৰুগড় আৰু গুৱাহাটী, ২০০৯

(২) "সমাজশাস্ত্ৰৰ সিদ্ধান্ত পৰিচয়" – গুণমণি নাথ, বনলতা, গুৱাহাটী আৰু ডিব্ৰুগড়।

## প্ৰসঙ্গ পুথি (Reference Book)

(১) "Modern Sociological Theory" – An Introduction", — M,Francis Abraham, Oxford University Press.

# খণ্ড নং - ৪
# কাৰ্লমাৰ্ক্স
# (Karl Marx)

## গোট নং - ১
## ঐতিহাসিক বস্তুবাদ (Historical Materialism)

### পাঠৰ গঠন বিন্যাস

১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ কাৰ্লমাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদৰ অৰ্থ আৰু ইয়াৰ পটভূমি।

১.৩ মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদৰ মূল বৈশিষ্ট্য

১.৪ সামৰণি

অগ্ৰগতিৰ খতিয়ান

সম্ভাব্য প্ৰশ্নাৱলী

পঢ়িবলগীয়া গ্ৰন্থসমূহ

প্ৰসঙ্গ পুথি।

## ১.০ উদ্দেশ্য ঃ

এই পাঠটি তোমালোকৰ পাঠ্যক্ৰমৰ চতুৰ্থ খণ্ডৰ প্ৰথম গোট হিচাপে অন্তভুৰ্ক্ত কৰা হৈছে। এই পাঠটি অধ্যয়ন কৰিলে তোমালোকে তলত উল্লেখ কৰা দিশ কেইটাৰ ওপৰত জ্ঞান লাভ কৰিব পাৰিবা।

(১) মাৰ্ক্সৰ মতে ইতিহাস মানে কি তাক জানিব পাৰিবা।

(২) মাৰ্ক্সে দ্বন্দ্বমূলক বস্তুবাদৰ বিশ্লেষণ কেনেদৰে কৰিছে তাক জানিব পাৰিবা।

(৩) মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদৰ মূল বৈশিষ্ট্যখিনি চিন্তাক্ত কৰিব পাৰিবা।

(৪) বৰ্ত্তমান সময়ত ঐতিহাসিক বস্তুবাদৰ উপযোগিতা সম্পৰ্কে জানিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা ঃ

এই পাঠটিত মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদৰ অৰ্থ, ইয়াৰ পটভূমি, বৈশিষ্ট্য আৰু বৰ্ত্তমান সময়ত ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা হৈছে।

সাধাৰণতে মাৰ্ক্সৰ দ্বন্দাত্মক পদ্ধতিক বস্তুবাদী আখ্যা দিয়া হৈছে। তেওঁ বাহ্যিক জগত বা বস্তুৰ অস্তিত্বক প্ৰথম স্বীকৃতি দি দ্বান্দ্বিকবাদ দৰ্শন স্থাপন কৰিছে।

মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদৰ মূল কথা হ'ল— এইযে আৰ্থিক উৎপাদনৰ দ্বাৰা মানুহৰ সামাজিক সম্বন্ধ নিৰ্ণয় কৰা হয়। যুগে যুগে এই আৰ্থিক পদ্ধতিৰ পৰিবৰ্ত্তন হোৱাত সামাজিক সংৰচনা পদ্ধতিৰো পৰিবৰ্ত্তন হৈ থাকে। মাৰ্ক্সৰ মতে ইতিহাস মানে নিৰ্দ্দিষ্ট কিছুমান স্মৰণীয় ঘটনা বা প্ৰখ্যাত লোকৰ জীৱনী বিশ্লেষণৰ দলিল নহয়; ইতিহাস তথ্য গধুৰ। ইতিহাসৰ বস্তুবাদী ব্যাখ্যামতে যিকোনো এখন সমাজৰ বস্তুগত আধাৰৰ ওপৰত নিৰ্ভৰ কৰি ইতিহাসে এক দ্বান্দ্বিক গতিত বিকাশ লাভ কৰে। এই মতবাদৰ মতে সমগ্ৰ মানৱ ইতিহাসেই বস্তুগত জগতৰ সংঘৰ্ষৰ দলিল বুলি কোৱা হয়। সেয়েহে মাৰ্ক্সৰ মতে ঐতিহাসিক ব্যাখ্যা বস্তুগত অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। এই সম্পৰ্কত মাৰ্ক্সৰ বক্তব্য এই যে যিকোনো মানৱ সমাজৰ ইতিহাসৰ সত্যতা সেই জাতিৰ আৰ্থিক উৎপাদন পদ্ধতি আৰু বস্তুগত অৱস্থাৰ ওপৰত ভিত্তি কৰিহে বিচাৰ কৰি চাব লাগিব। মাৰ্ক্সৰ এই দ্বান্দ্বিক বস্তুবাদী দৰ্শনক ঐতিহাসিক বস্তুবাদী দৰ্শন বুলি অভিহিত কৰিছে।

## ১.২ মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদৰ অৰ্থ আৰু ইয়াৰ পটভূমি ঃ (Meaning of Marxian Historical Materialism and its basis)

মাৰ্ক্সে মানৱৰ ঐতিহাসিক বস্তুবাদী দৰ্শনক ভাৱবাদী দৰ্শনৰ পৰা পৃথক কৰি ৰাখিছে। মানুহৰ ভাৱবাদী জগতখনক বাস্তৱ পৰিবেশে প্ৰভাৱ বিস্তাৰ কৰি কিছুমান বৈপ্লৱিক চিন্তাৰ জন্ম দিব পাৰে। মাৰ্ক্সে এই কথাখিনি যুক্তিসহকাৰে বিশ্লেষণ কৰিছে। মাৰ্ক্সৰ মতে মানুহে নিজৰ প্ৰয়োজনীয়খিনি পূৰণৰ বাবে নতুন আশা মনত পুহিবলৈ ধৰে। এইক্ষেত্ৰত জীৱশ্ৰেষ্ঠ মানুহে শাৰীৰিক শ্ৰমক প্ৰধান চালিকা শক্তি হিচাপে ব্যৱহাৰ কৰে। আকৌ কোৱা হয় যে এখন সমাজৰ অৰ্থনৈতিক সংৰচনাই সেই সমাজৰ ইতিহাস সৃষ্টি কৰে। আনহাতে উৎপাদন পদ্ধতিয়ে সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক, বৌদ্ধিক, আৰু সাংস্কৃতিক জীৱনো নিৰ্ধাৰণ কৰে। এইদৰে উৎপাদন পদ্ধতিৰ পৰিবৰ্ত্তনৰ লগে লগে মানৱ সমাজো ধাৰাবাহিকভাৱে পৰিবৰ্ত্তনমুখী হৈ বৰ্ত্তমানৰ অৱস্থাত উপনীত হয়হি। মানুহৰ এই বাহ্যিক বা বস্তুগত অৱস্থাৰ পৰিবৰ্ত্তনৰ ফলস্বৰূপে নানা ধৰণৰ বিপৰীত ধৰ্মী পৰিস্থিতি সৃষ্টি হয়। এই পৰিবৰ্তিত পৰিস্থিতিবোৰে মানুহৰ মাজত নানা ধৰণৰ সংঘাত সৃষ্টি কৰে। মাৰ্ক্সে মত পোষণ কৰিছে যে এনেধৰণৰ বস্তুবাদী চিন্তাধাৰা মানুহৰ মনত গা কৰি উঠে। এনেদৰে বস্তুবাদী চিন্তাৰ দ্বাৰা হোৱা পৰিবৰ্ত্তনে মাৰ্ক্সৰ মনত বস্তুবাদী দৰ্শনৰ প্ৰভাৱ পেলায়।

মাৰ্ক্সৰ এই ঐতিহাসিক বস্তুবাদৰ ব্যাখ্যামতে যিকোনো এখন সমাজৰ বস্তুগত আধাৰৰ ওপৰত ভিত্তি কৰি ইতিহাসে এক দ্বান্দ্বিক গতিত আগবাঢ়ি যায়। এই মতবাদে ইতিহাসৰ বস্তুগত যুক্তি প্ৰতিষ্ঠা আৰু জটিল সামাজিক ঘটনাৱলীৰ মাজত মূল আধাৰ হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি মৌলিক বিষয়সমূহৰ ভিতৰ চ'ৰাত প্ৰবেশ কৰে। মাৰ্ক্সৰ মতে সমগ্ৰ মানৱ ইতিহাসেই বস্তুগত জগতৰ সংঘৰ্ষৰ দলিল বুলি অভিহিত কৰা হয়। সেয়েহে এইটো নিশ্চিতভাৱে ক'ব পাৰি যে বস্তুগত অৱস্থাৰ ওপৰত ভিত্তি কৰিয়েই ঐতিহাসিক ব্যাখ্যা দাঙি ধৰিব লাগিব।

মাৰ্ক্সৰ মতে মানুহৰ ব্যক্তিগত সম্পত্তি বৃদ্ধিৰ বাবে হাবিয়াস হোৱাৰ বাবেই এক শ্ৰেণী মানুহৰ হাতত উৎপাদনৰ আহিলা বিলাক আৰু উৎপাদিত বস্তুবিলাক জমা হয় আৰু ইয়াৰ ফলস্বৰূপে শাৰীৰিক শ্ৰমজীৱি উৎপাদনকাৰী শ্ৰেণীতকৈ উৎপাদনৰ আহিলাৰ মালিকপক্ষ বেছি লাভবান হয়। সেয়েহে দুখীয়া বা শ্ৰমিক শ্ৰেণী আৰু চহকী বা মালিক শ্ৰেণীৰ মাজত সংগ্ৰামী মানসিকতাই থিতাপি লয়। মাৰ্ক্সৰ ভাষাত এই শ্ৰেণী সংগ্ৰামৰ আধাৰতেই ভৱিষ্যত ইতিহাসৰ বুনিয়াদ গঢ়ি উঠে। সেয়েহে মাৰ্ক্সে কৈছে যে **"মানৱ সমাজৰ ইতিহাস মানেই হ'ল এক অন্তহীন শ্ৰেণীসংগ্ৰামৰ ইতিহাস"**। মুঠতে এই বস্তুগত ধাৰণাৰ বাবেই ইতিহাসৰ বিকাশ একেৰাহে দ্বান্দ্বিক গতিৰে আগবাঢ়িছে।

**ঐতিহাসিক বস্তুবাদৰ পটভূমি** (Basis of Historical Materialism)

মাৰ্ক্সৰ এই দ্বান্দ্বিক দৰ্শনৰ জন্মৰ পটভূমিত কেইটামান ঐতিহাসিক ঘটনা জড়িত হৈ আছে। ইয়াৰে এটা হ'ল ফ্ৰান্সৰ ৰাজনৈতিক তথা সমাজ বিপ্লৱ আৰু আনটো হ'ল ইংলেণ্ডত হোৱা শিল্প বিপ্লৱ। ফ্ৰান্স বিপ্লৱ আৰু শিল্প বিপ্লৱৰ ফলত ইউৰোপৰ মধ্যযুগৰ সমাজ ব্যৱস্থা ধ্বংস হয় আৰু লাহে লাহে ধনতান্ত্ৰিক সমাজব্যৱস্থা সৃষ্টি হয়। এই নতুন

ধনতান্ত্ৰিক সমাজব্যৱস্থা সৃষ্টিৰ ফলত নতুন আৰু পুৰণা দুয়োখন সমাজৰ মাজত শ্ৰেণী সংগ্ৰাম গা কৰি উঠে। মাৰ্ক্সে বিশ্লেষণ কৰি দেখুৱাইছে যে সমাজৰ এই অৱস্থাবিলাকৰ পৰিবৰ্ত্তনৰ মূলতে মানুহৰ বস্তুগত চিন্তাধাৰা আৰু বাহ্যিক দৃশ্যমান পৰিবেশে মানুহৰ চিন্তা-চৰ্চা আৰু কাৰ্য্যকলাপ বিলাক নিয়ন্ত্ৰণ কৰি আছে। উল্লিখিত শিল্প-বিপ্লৱে উৎপাদন পদ্ধতিত যন্ত্ৰৰ ব্যৱহাৰ কৰালে আৰু এই যন্ত্ৰ উৎপাদন পদ্ধতিত খাপ্‌খুৱাই চলিবলৈ যত্ন কৰাৰ ফলস্বৰূপেই মানুহৰ বস্তুগত বা বাহ্যিক জগতৰ সামাজিক ব্যৱস্থাত নতুন নতুন পৰিবৰ্ত্তনে গা কৰি উঠিল। আকৌ এই পৰিবৰ্ত্তনৰ ফলত নানা ধৰণৰ নতুন নতুন বিপৰীত ধৰ্মী পৰিস্থিতিও সৃষ্টি হ'ব ধৰিলে। নতুন নতুন পৰিস্থিতি বিলাকে মানুহৰ মাজত সংঘাতৰ সৃষ্টি কৰি ধৰ্মীয়, অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আদি দিশত পৰিৱৰ্ত্তন আনিব পাৰে। এইদৰে বস্তুগত অৱস্থাই মাৰ্ক্সৰ মনত বস্তুবাদী দৰ্শনৰ প্ৰভাৱ পেলায়। মাৰ্ক্সৰ এই ঐতিহাসিক বস্তুবাদৰ ওপৰত কৰা বিশ্লেষণত দেখা যায় যে মানুহে অধিক উৎপাদনৰ দ্বাৰা আমাৰ সমাজত থকা সামাজিক সম্বন্ধবোৰ নিয়ন্ত্ৰণ কৰি থাকে। সময় আগবঢ়াৰ লগে লগে আমাৰ সমাজত নতুন নতুন আৰ্থিক পৰিস্থিতি সৃষ্টি হয় আৰু সেইমতে সামাজিক সংৰচনা পদ্ধতিও পৰিবৰ্ত্তনমুখী হৈ পৰে।

## ১.৩ মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদৰ মূল বৈশিষ্ট্য ঃ (Main Characteristics of Marxian Historical Materialism)

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদ তত্ত্বটো ভালদৰে বুজি উঠিবৰ বাবে ইয়াৰ কেইটামান মূল বৈশিষ্ট্য দাঙি ধৰা হৈছে।

(১) মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদক বিশ্লেষণ কৰি চালে দেখা যায় যে আৰ্থিক উৎপাদনৰ দ্বাৰা মানুহৰ সামাজিক সম্বন্ধ নিয়ন্ত্ৰিত হৈ থাকে। সমাজত যুগে যুগে আৰ্থিক উৎপাদন পদ্ধতিৰ পৰিবৰ্ত্তন ঘটে আৰু এই পৰিবৰ্ত্তনৰ লগে লগে সমগ্ৰ সমাজ ব্যৱস্থাত সামাজিক সংৰচনা পদ্ধতিৰো পৰিবৰ্ত্তন ঘটিবলৈ আৰম্ভ কৰে।

(২) মাৰ্ক্সৰ মতে সমাজত আৰ্থিক সম্বন্ধৰ ওপৰত ভিত্তি কৰি আমাৰ সমাজ ব্যৱস্থা আৰু ৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত কিছুমান বিধি-উপবিধি প্ৰস্তুত হয় যাৰ দ্বাৰা এখন সমাজ বা দেশ নিয়ন্ত্ৰিত হয়।

(৩) আমাৰ সমাজত মানুহৰ চিন্তাধাৰা, ধৰ্ম, দৰ্শন, সাহিত্য, ৰাষ্ট্ৰীয় ধাৰণা, বিজ্ঞান ইত্যাদিবিলাক সমাজৰ আৰ্থিক সম্বন্ধ আৰু মানুহে প্ৰস্তুত কৰা বেলেগ বেলেগ বিধি ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি নিয়ন্ত্ৰণ কৰা হয়। এনে সামাজিক ব্যৱস্থাই মানুহৰ মনোবৃত্তি, মনৰ ভাৱ বা কল্পনা নিয়ন্ত্ৰণ কৰে। সেয়েহে মাৰ্ক্সৰ চিন্তাধাৰা মতে দেখা গ'ল যে সামাজিক সত্ত্বাৰ দ্বাৰা মানুহৰ সামাজিক চিন্তা নিয়ন্ত্ৰিত হয়।

উল্লেখিত বৈশিষ্ট্যসমূহৰ আলোচনাৰ যোগেদি এইটো প্ৰতীয়মান হৈ পৰিছে যে মানুহৰ সামাজিক চিন্তা এটা নিয়ন্ত্ৰিত ব্যৱস্থা আৰু সামাজিক সত্ত্বাৰ যোগেদি এই নিয়ন্ত্ৰণ সম্ভৱ হৈ উঠে। এইখিনিয়েই হ'ল মাৰ্ক্সবাদী দৰ্শনৰ মূল মন্ত্ৰ। এই তত্ত্বৰ ওপৰত ভিত্তি কৰিয়েই

কার্লমার্ক্সে মানৱ জাতিৰ ঐতিহাসিক ঘটনাৱলী বা পৰিবৰ্ত্তনৰ গতি বা দিশ ব্যাখ্যা কৰাটোৱেই হ'ল ঐতিহাসিক বস্তুবাদী দৰ্শনৰ মূল কথা। সেয়েহে সামৰণিত মাৰ্ক্সে কৈছে যে যি কোনো মানৱ জাতিৰ ইতিহাসত থকা সভ্যতা সেই জন সমষ্টিৰ আৰ্থিক উৎপাদন পদ্ধতি আৰু বস্তুগত অৱস্থাৰ ওপৰত ভিত্তি কৰি বিচাৰ কৰিব লাগিব।

## ১.৪ সামৰণি

ছাত্ৰ-ছাত্ৰীসকল, এই পাঠটি পঢ়ি কি শিকিলো তাক থোৰতে তলত দাঙি ধৰা হ'ল।

**প্ৰথমতে,** ঐতিহাসিক বস্তুবাদী ব্যাখ্যা হ'ল এক দ্বান্দ্বিক বস্তুবাদী দৰ্শন।

**দ্বিতীয়তে,** মানৱ ইতিহাস হ'ল এখন বস্তুবাদী জগতৰ সংঘৰ্ষৰ প্ৰতিফলন মাথোন

**তৃতীয়তে,** মাৰ্ক্সৰ মতে ইতিহাসে দ্বান্দ্বিক গতিত বিকাশ লাভ কৰে।

**চতুৰ্থতে,** ঐতিহাসিক বস্তুবাদে সমাজৰ অস্তিত্বক মুখ্য হিচাবে আৰু সামাজিক চেতনাক গৌণ হিচাপে প্ৰতিপন্ন কৰি দেখুৱাইছে।

**পঞ্চমতে**, ঐতিহাসিক বস্তুবাদত শ্ৰেণীগত দ্বন্দ্ব বিদ্যমান। শ্ৰেণী সংগ্ৰামৰ পৰিণতিয়েই হৈছে এখন সমাজৰ ইতিহাস।

**ষষ্ঠতে,** আধাৰ (Basic Structure) আৰু ওপৰসৌধ (Super Structure) — এই দুটাক ঐতিহাসিক বস্তুবাদৰ স্তৰ হিচাপে বিবেচনা কৰা হয়।

**অগ্ৰগতিৰ খতিয়ান ঃ**

(ক) মাৰ্ক্সৰ মতে মানৱ সমাজৰ প্ৰধান চালিকা শক্তিটো কি ?

______________________________

______________________________

______________________________

(খ) মাৰ্ক্সৰ মতে মানুহৰ সামাজিক সম্বন্ধ কিহৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ থাকে ?

______________________________

______________________________

______________________________

(গ) মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদী চিন্তাধাৰা জন্মৰ লগত জড়িত থকা ঐতিহাসিক ঘটনা দুটা কি কি?

________________________________________

________________________________________

________________________________________

## খতিয়ানৰ উত্তৰ ঃ

(ক) মানুহৰ শ্ৰম।
(খ) আৰ্থিক উৎপাদনৰ দ্বাৰা।
(গ) এটা হ'ল, ফ্ৰান্সৰ ৰাজনৈতিক তথা সামাজিক বিপ্লৱ আৰু আনটো হ'ল - ইংলেণ্ডৰ শিল্প বিপ্লৱ।

## সম্ভাব্য প্ৰশ্নাৱলী

(১) মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদৰ ওপৰত এটা আলোচনা দাঙি ধৰা।
(২) মাৰ্ক্সৰ ঐতিহাসিক বস্তুবাদৰ প্ৰধান বৈশিষ্ট্যখিনি আলোচনা কৰা ।
(৩) "মানৱ সমাজৰ ইতিহাস মানেই হ'ল এক অন্তহীন শ্ৰেণী সংগ্ৰামৰ ইতিহাস।" —— কথাষাৰ আলোচনা কৰা।

## অধিক জানিবৰ বাবে পঢ়িবলগীয়া গ্ৰন্থসমূহ ঃ

(১) "আধুনিক সমাজতাত্ত্বিক বিশ্লেষণ" – ড° জ্যোতি প্ৰসাদ শইকীয়া, বিদ্যা ভৱন, মহাত্মাগান্ধী পথ, যোৰহাট, জানুৱাৰী, ২০১৩।

(২) "সমাজতত্বৰ অগ্ৰগণীয় লেখক সকলৰ সিদ্ধান্ত" – ড° দুৰ্গেশ্বৰ দলে, ষ্টুডেন্ট্চ এম্পৰিয়াম, ডিব্ৰুগড়।

## প্ৰসঙ্গ পুথি ঃ

(১) "Masters of Sociological Thought" – Lewis A. Coser, Rawat Publication, Jaipur.
(২) "The Development of Social Thought" – Emory S. Bogardus, Fiffer and Simons Pvt. Ltd, Bombay, Vakils.

# গোট নং - ২

# শ্ৰেণী সংগ্ৰাম (Class struggle)

## পাঠৰ গঠন বিন্যাস

২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ কাৰ্লমাৰ্ক্সৰ শ্ৰেণীৰ অৰ্থ আৰু এই শ্ৰেণীৰ মূল ভিত্তি।

২.৩ সামাজিক শ্ৰেণীৰ বৈশিষ্ট্য সমূহ

২.৪ মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰাম ঃ ইয়াৰ কাৰণ আৰু ফলাফল।

২.৫ সামৰণি

অগ্ৰগতিৰ খতিয়ান

সম্ভাব্য প্ৰশ্নাৱলী

পাঠ্য নিৰ্দেশনা

প্ৰসঙ্গ পুথি

## ২.০ উদ্দেশ্য ঃ

এই গোটটিত তোমালোকে কাৰ্লমাক্সৰ সামাজিক শ্ৰেণী আৰু শ্ৰেণী সংগ্ৰাম তত্ত্বৰ সম্পৰ্কত তলত উল্লেখ কৰা দিশ কেইটাৰ ওপৰত জ্ঞান আহৰণ কৰিব পাৰিবা।

(ক) মাৰ্ক্সৰ মতে সামাজিক শ্ৰেণী ব্যৱস্থা সমাজত কেনেকৈ উদ্ভৱ হ'ল আৰু সামাজিক শ্ৰেণীৰ মূলভিত্তি কি তাক জানিব পাৰিবা।

(খ) সামাজিক শ্ৰেণীৰ নিজস্ব কিছুমান বৈশিষ্ট্য আছে আৰু সেইখিনি এই গোটটিৰ অধ্যয়ণৰ যোগেদি জানিব পাৰিব।

(গ) মাৰ্ক্সৰ মতে সমাজত সময়ে সময়ে উদ্ভৱ হোৱা শ্ৰেণী সংগ্ৰামৰ কাৰণ আৰু ইয়াৰ ফলাফলৰ বিষয়ে জানিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

তোমালোক ইতিমধ্যে উচ্চতৰ মাধ্যমিক শ্ৰেণীত সামাজিক শ্ৰেণীৰ সম্পৰ্কে এটি ধাৰণা আহৰণ কৰি আহিছা। এই গোটটিত তোমালোকৰ বাবে মাৰ্ক্সৰ মতে সামাজিক শ্ৰেণীনো কি, এই সামাজিক শ্ৰেণীৰ মূল ভিত্তি কি, অৰ্থনৈতিক উৎপাদনৰ লগত সামাজিক শ্ৰেণীৰ সম্পৰ্ক আৰু শ্ৰেণী সংগ্ৰাম কেনেদৰে, কি কাৰণে উদ্ভৱ হয় তাৰে ব্যাখ্যা দাঙি ধৰা হৈছে।

কাৰ্লমাৰ্ক্সে উদ্ভাৱন কৰা বিভিন্ন তত্ত্ববোৰৰ ভিতৰত "শ্ৰেণী আৰু শ্ৰেণী সংগ্ৰাম" নামৰ তত্ত্বটোৱে সমাজতত্ত্বীয় বিশ্লেষণত বিশেষ স্থান অধিকাৰ কৰি আহিছে। মাৰ্ক্সৰ শ্ৰেণী আৰু শ্ৰেণী সংগ্ৰামৰ বিষয়ে বুজিব পাৰিলেহে মাৰ্ক্সীয় চিন্তাধাৰা উপলব্ধি কৰাটো সহজ সাধ্য হৈ পৰিব। মাৰ্ক্সে এই গুৰুত্বপূৰ্ণ আৰ্থ সামাজিক অৱধাৰণা দুটা (শ্ৰেণী আৰু শ্ৰেণী সংগ্ৰাম) বস্তুবাদী দ্বান্দ্বিক চিন্তাধাৰাৰ মাধ্যমেৰে ব্যাখ্যা কৰিছে।

মাৰ্ক্সৰ মতে আৰ্থিক অৱস্থাই সামাজিক শ্ৰেণীৰ মূল ভিত্তি। আন কথাত, সামাজিক শ্ৰেণী একো একোটা অৰ্থনৈতিক স্বাৰ্থ জড়িত গোট। মাৰ্ক্সে অৰ্থনৈতিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি সমাজত তিনিটা শ্ৰেণীৰ কথা উল্লেখ কৰিছে। সেয়া হ'ল - (১) ভূমিপতি বা মাটিৰ মালিক, (২) পুঁজিপতি আৰু (৩) সাধাৰণ বনুৱা বা সৰ্বহাৰা। অৰ্থনৈতিক উপাৰ্জনৰ উৎস, বৃত্তি, উপাৰ্জনৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি সামাজিক শ্ৰেণী নিৰ্ণয় কৰিলেও দুজন বা তিনিজন মানুহৰ ভিতৰত জীৱন-নিৰ্বাহৰ মানদণ্ড পৃথক পৃথক হ'ব পাৰে। গতিকে একে সামাজিক শ্ৰেণীৰ অন্তৰ্ভুক্ত হ'বৰ বাবে প্ৰথম চৰ্তটো হ'ল - উৎপাদন পদ্ধতিৰ ভিত্তিত সৃষ্টি হোৱা মানুহৰ বস্তুগত বা আৰ্থিক অৱস্থা ; দ্বিতীয়টো চৰ্ত হ'ল - উৎপাদন পদ্ধতিৰ পৰা উদ্ভৱ হোৱা সম্পত্তি বিতৰণৰ দ্বাৰা ৰাজনৈতিক ক্ষমতা আহৰণ ; তৃতীয়তে, এটা শ্ৰেণীৰ আন এটা শ্ৰেণীৰ মাজত স্বাৰ্থজড়িত বিৰোধভাব আৰু চতুৰ্থতে - উমৈহতীয়া স্বাৰ্থজড়িত সংগঠন আদি চৰ্ত থাকিব লাগিব।

মাৰ্ক্সে পুজিবাদী ব্যৱস্থাত প্ৰধানতঃ দুটা শ্ৰেণী দেখুৱাইছে — এটা হ'ল 'বুৰ্জোৱা' আৰু আনটো হ'ল 'প্ৰলেটৰিয়েট'। তেখেতে পূঁজিপতি আৰু ভূমিপতিক একেলগে বুৰ্জোৱা বুলি কৈছে আৰু শাৰীৰিক শ্ৰম বিক্ৰী কৰি যি উপাৰ্জন কৰে সেই সকলক প্ৰলেটেৰিয়েট বুলি অভিহিত কৰিছে।

÷±Ë ₵ ÷Ëi Â› ¶Ëi ÆBÁü±÷±ÿeÃÁÎ| íÏË1 Î| íÏ üËàÂ Âöî Â± (Class consciousness) বিদ্যমান। মানুহে স্বাৰ্থৰ বাবে সদায়ে এক গোট হৈ পৰে। এই শ্ৰেণীগত স্বাৰ্থ ৰক্ষা কৰিবলৈ চেষ্টা কৰাৰ ফলতেই শ্ৰেণী সংগ্ৰামৰ উদ্ভৱ হয়।

ছাত্ৰ-ছাত্ৰী সকল, তলত বিতংভাবে মাৰ্ক্সৰ সামাজিক শ্ৰেণীৰ উৎপত্তি আৰু শ্ৰেণী সংগ্ৰামৰ বিষয়ে উদাহৰণ সহ আলোচনা কৰা হৈছে। তোমালোকে সেইবোৰ মনোযোগেৰে পঢ়ি বৰ্ত্তমান সমাজ ব্যৱস্থাৰ আলমত বুজিবলৈ যত্ন কৰিবা।

## ২.২ মাৰ্ক্সৰ সামাজিক শ্ৰেণীৰ অৰ্থ ঃ (Meaning of Marx's Social Class)

মাৰ্ক্সে সামাজিক শ্ৰেণী মানে মাত্ৰ 'অৰ্থনৈতিক শ্ৰেণী'ক (Economic Class) বুজাইছে, যিটোক সমাজৰ অৰ্থনৈতিক উৎপাদন পদ্ধতি আৰু বিতৰণ পদ্ধতিৰ ওপৰত মূল ভিত্তি হিচাপে অভিহিত কৰা হৈছে। মাৰ্ক্সৰ মতে অৰ্থনৈতিক উৎপাদন সমূহৰ যদি সমবিতৰণ হ'লহেতেন তেন্তে সমাজত শ্ৰেণীব্যৱস্থাৰ সৃষ্টি নহ'লহেতেন। উদাহৰণ স্বৰূপে মাৰ্ক্সে দেখুৱাইছে যে আদিম সমাজত উৎপাদনৰ বিতৰণৰ ক্ষেত্ৰত এনেধৰণৰ অসমতা আৰু পাৰ্থক্য নাছিল। সেয়ে সেই সমাজত বিভিন্ন ধৰণৰ সামাজিক শ্ৰেণীও নাছিল।

মাৰ্ক্সে "Das Capital" নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে - "Society divides itself into classes the previleged and the dispossessed, the exploiters and the exploited, the rulers and the ruled." সমাজ ব্যৱস্থাই নিজেই ক্ষমতাভোগী আৰু ক্ষমতাচ্যুত, শোষক আৰু শোষিত, শাসক আৰু শাসিত হিচাপে সৰল শ্ৰেণী বিভাজন কৰিছে। অৱশ্যে মাৰ্ক্সৰ বাবে সামাজিক শ্ৰেণী সম্পৰ্কীয় অৱধাৰণাটো কোনো নতুন কথা নহয়। তেখেতৰ বহুদিনৰ আগৰ পৰা আনকি এৰিষ্টটলৰ দিনৰ পৰাই সমাজ দাৰ্শনিক আৰু অৰ্থনীতিবিদে তেওঁলোকৰ লিখনিত ধনী-দুখীয়া, শাসক-শাসিত, আদি শব্দৰে সামাজিক শ্ৰেণীক বুজাইছিল।

প্ৰত্যেক সমাজতে কিছুমান ব্যক্তিৰ গোট আছে যিবিলাকৰ লক্ষ্য আৰু আদৰ্শৰ ভিতৰত পৃথক পৃথক ভাগত ভাগ কৰিব পাৰি। উদাহৰণ স্বৰূপে দাস আৰু প্ৰভু, পুঁজিপতি-শ্ৰমিক, ধনী-দুখীয়া আদি ভাগবোৰ উল্লেখ কৰিব পাৰি। এই প্ৰত্যেকটো গোটেই একোটা শ্ৰেণী বুলি অভিহিত কৰিব পাৰি। মাৰ্ক্সৰ মতে এই শ্ৰেণীক একোটা অৰ্থনৈতিক স্বাৰ্থ জড়িত সামাজিক গোট বুলি কোৱা হয়।

কাৰ্লমাৰ্ক্সে তেখেতৰ অধ্যয়ণত সাধাৰণতে তিনিটা সামাজিক শ্ৰেণীৰ কথা উল্লেখ কৰিছে। সেই কেইটা হ'ল - (ক) ভূমিপতি বা মাটিৰ মালিক (খ) পুঁজিপতি আৰু (গ) সাধাৰণ বনুৱা বা সৰ্বহাৰা। প্ৰথমটো শ্ৰেণীৰ উপাৰ্জনৰ উৎস হ'ল - মাটিৰ খাজনা ; দ্বিতীয়টো শ্ৰেণীৰ উপাৰ্জনৰ উৎস হ'ল - সুদ আৰু লাভাংশ আৰু তৃতীয়টো শ্ৰেণীৰ উৎস হ'ল -

শাৰীৰিক শ্ৰম। তেওঁলোকে শাৰীৰিক শ্ৰম বিক্ৰী কৰি উপাৰ্জন কৰে। শাৰীৰিক শ্ৰমৰ বাদে অন্য কোনো উৎস নথকা বাবে তেওঁলোকক সৰ্বহাৰা শ্ৰেণী বুলিও কোৱা হয়।

**সামাজিক শ্ৰেণীৰ মূল ভিত্তি** ঃ (Main basis of Social Class)

মাৰ্ক্সৰ মতে সামাজিক শ্ৰেণীৰ মূলভিত্তি হ'ল আৰ্থিক অৱস্থা। তেখেতৰ মতে উৎপাদন পদ্ধতিৰ পাৰ্থক্যই আৰ্থিক অৱস্থাৰো পাৰ্থক্য আনে। প্ৰত্যেক মানুহেই নিজৰ মৌলিক প্ৰয়োজনীয়তাখিনি পূৰণৰ অৰ্থে সুকীয়া সুকীয়া উৎপাদনমুখী কাৰ্য্যত মনোনিবেশ কৰা দেখা যায়। মানুহে এই উৎপাদনমুখী কামত নিজকে নিয়োগ কৰোতে কিছুমান সুকীয়া সুকীয়া ধৰণৰ সম্পৰ্ক গঢ়ি তোলে। ইয়াৰ ফলস্বৰূপে মানুহৰ জীৱন নিৰ্বাহৰ ধৰণকৰণত পাৰ্থক্য দেখা যায়। এইদৰে মানুহৰ মাজত পৃথক পৃথক ধৰণৰ জীৱনধাৰণ পদ্ধতি অৱলম্বন কৰা দেখা যায়। উদাহৰণ স্বৰূপে আমি পুঁজিপতি বা মালিক আৰু শ্ৰমিক শ্ৰেণীৰ জীৱন-ধাৰণ পদ্ধতিত দেখা পোৱা পাৰ্থক্যৰ কথা উল্লেখ কৰিব পাৰো। উক্ত দুয়োটা শ্ৰেণীৰ মাজত কাৰ্য্য-কলাপ, আদৰ্শ, প্ৰতিমান, দৃষ্টিভংগী, মূল্যবোধ, চালচলন আদি দিশত অনেক পাৰ্থক্য পৰিলক্ষিত হয়। মাৰ্ক্সৰ মতে এই পাৰ্থক্যৰ মূল কাৰণ হিচাপে দুয়োটা শ্ৰেণীৰ মাজত থকা উৎপাদনমুখী কাৰ্য্য আৰু আয়ৰ ভিন্নতাৰ কথাকে উল্লেখ কৰিব পাৰি। মাৰ্ক্সৰ মতে সামাজিক শ্ৰেণী ব্যৱস্থা শাশ্বত নহয়। অতি পুৰণি কালত যেতিয়া মালিকানা ব্যৱস্থা নাছিল সেই সময়ত সামাজিক শ্ৰেণী ব্যৱস্থাৰো উৎপত্তি হোৱা নাছিল। লাহে লাহে ব্যক্তিগত মালিকানা ব্যৱস্থা উদ্ভৱ হোৱাৰ লগে লগে সামাজিক শ্ৰেণী ব্যৱস্থাইও প্ৰাধান্য পাবলৈ ললে আৰু ভিন্ন প্ৰকাৰৰ সামাজিক শ্ৰেণীৰ আবিৰ্ভাৱ হ'বলৈ ধৰিলে। মাৰ্ক্সে এই তত্বৰ ওপৰত ভিত্তি কৰি ভৱিষ্যতবাণী কৰি কৈছে যে আকৌ যেতিয়া ব্যক্তিগত মালিকানা ব্যৱস্থাৰ অৱসান হ'ব তেতিয়া সামাজিক শ্ৰেণী ব্যৱস্থাৰ অৱসান হ'ব । মুঠৰ ওপৰত দেখা গ'ল যে মাৰ্ক্সৰ মতে আৰ্থিক উৎপাদন ব্যৱস্থাই সামাজিক শ্ৰেণীৰ মূল ভিত্তি। অৰ্থাৎ সামাজিক শ্ৰেণী হ'ল একো একোটা অৰ্থনৈতিক স্বাৰ্থ জড়িত গোট।

## ২.৩ সামাজিক শ্ৰেণীৰ মূল বৈশিষ্ট্য ঃ (Main features of Social class)

মাৰ্ক্সৰ মতে সামাজিক শ্ৰেণীৰ কেইটামান চৰিত্ৰ চিনাক্ত কৰিব পাৰি। তোমালোকে সেইবোৰ পঢ়ি আয়ত্ব কৰিব পাৰিলে সামাজিক শ্ৰেণীৰ সম্পৰ্কে এটা সুস্পষ্ট ধাৰণা আয়ত্ব কৰিব পাৰিবা। সেইবিলাক তলত উল্লেখ কৰা হৈছে।

(১) মাৰ্ক্সৰ মতে সামাজিক শ্ৰেণীৰ সৃষ্টিৰ মূলতে উৎপাদন পদ্ধতি যাৰ ওপৰত ভিত্তি কৰি মানুহৰ বস্তুগত ভাৱধাৰা আৰু আৰ্থিক অৱস্থা নিৰ্ণয় হয়। জীৱন-যাপনৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ পাবৰ বাবে মানুহে আৰ্থিক উৎপাদন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে আৰু এই উৎপাদন পদ্ধতিৰ দ্বাৰা মানুহৰ **অৰ্থনৈতিক অৱস্থাৰ সৃষ্টি হয়।** পৃথক পৃথক অৰ্থনৈতিক অৱস্থা অনুসৰি জীৱন ধাৰণৰ মানদণ্ডও পৃথক পৃথক ৰূপত দেখা যায়। জীৱন ধাৰণৰ এই মানদণ্ডৰ পাৰ্থক্যই হ'ল সামাজিক শ্ৰেণী সৃষ্টিৰ প্ৰথম অৱস্থা।

(২) মাৰ্ক্সৰ মতে উৎপাদন পদ্ধতিৰ যোগেদি মানুহে সম্পদ আহৰণ কৰে আৰু প্ৰভূত সম্পদ আহৰণৰ সহায়ত ৰাজনৈতিক ক্ষমতা লাভ কৰে। মাৰ্ক্সৰ মতে পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাত সাধাৰণতে মালিক বা পুঁজিপতি সকলে অৰ্থনৈতিক ক্ষমতাৰ সহায়ত ৰাজনৈতিক ক্ষমতাও লাভ কৰে আৰু তেওঁলোকেই প্ৰকৃত শাসক হৈ পৰে। আনহাতে এই উৎপাদন পদ্ধতিত যিবিলাকৰ অৰ্থনৈতিক অৱস্থা দুৰ্বল তেওঁলোকেই পুঁজিপতি সকলৰ দ্বাৰা শাসিত হৈ পৰে। ফলস্বৰূপে সম্পদ আহৰণৰ তাৰতম্যৰ ফলত সমাজত উল্লেখিত দুই ধৰণৰ সামাজিক শ্ৰেণীৰ সৃষ্টি হয়।

(৩) মাৰ্ক্সে আলোচনাত দেখুওৱা মতে সমাজত সদায়ে এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীৰ সৈতে বিৰোধভাৱ প্ৰদৰ্শন কৰে। সামাজিক শ্ৰেণীৰ মাজত উদ্ভৱ হোৱা এই বিপৰীতমুখী স্বাৰ্থৰ বাবে দুয়োটাই প্ৰত্যক্ষ বা পৰোক্ষভাৱে সদায়ে বিৰোধভাৱ পোষণ কৰে। একে স্বাৰ্থৰ মানুহৰ মাজত এটা সমুদায়গত মনোভাৱেৰে (Community feeling) এক হৈ পৰে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে উদ্যোগৰ মালিকৰ অধিক লাভৰ হাৰ বজাই ৰখা আৰু শ্ৰমিকৰ মজুৰি বৃদ্ধি কাৰ্য্য। ইয়াৰ পৰা এইটো প্ৰতীয়মান হ'ল যে পুঁজিপতি আৰু শ্ৰমিকসকলৰ যি সামাজিক সম্পৰ্ক সেইটো আৰ্থিক স্বাৰ্থৰ পৰা উদ্ভৱ হোৱা পৰস্পৰ বিৰোধী সম্পৰ্ক। এইদৰে দেখা যায় যে এই পৰস্পৰ বিৰোধী স্বাৰ্থই সামাজিক শ্ৰেণীবিলাক সৃষ্টি হোৱাত মুখ্য ভূমিকা গ্ৰহণ কৰে।

(৪) মাৰ্ক্সৰ মতে সামাজিক শ্ৰেণী সৃষ্টি হোৱাত সাংগঠনিক কাৰ্য্যৰো প্ৰয়োজন হয়। অৰ্থাৎ মানুহৰ মাজত উমৈহতীয়া স্বাৰ্থ থাকিব পাৰে; কিন্তু সংগঠনৰ অভাৱত সামাজিক শ্ৰেণী সৃষ্টি হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে তোমালোকৰ বাবে কৃষক শ্ৰেণীৰ কথা উল্লেখ কৰিব পাৰো। কৃষক সকলৰ মাজত উমৈহতীয়া স্বাৰ্থ থাকিলেও কম ভূমি থকা কৃষক আৰু ভূমিহীন কৃষকৰ মাজত সংগঠন নেথাকিলে কৃষক আন্দোলন ফলৱতী হ'ব নোৱাৰে। এইদৰে শ্ৰেণী সচেতনতা, সংগঠন আৰু নিজৰ আৰ্থিক অৱস্থাৰ প্ৰতি সচেতন নহ'লে মজবুট সামাজিক শ্ৰেণী উদ্ভৱ হ'ব নোৱাৰে।

## ২.৪ শ্ৰেণী সংগ্ৰাম আৰু ইয়াৰ ফলাফল (Class Struggle and its results)ঃ

মাৰ্ক্সৰ মতে উদ্যোগ প্ৰধান সমাজত প্ৰধানতঃ দুটা শ্ৰেণী দেখিবলৈ পোৱা যায়। ইয়াৰে এটা হ'ল - 'বুৰ্জোৱা' (Bourgeoisie) আৰু আনটো হ'ল - 'প্ৰলেটেৰিয়েট' (Proletariate)। মাৰ্ক্সে পুঁজিপতি আৰু ভূমিপতি সকলক একেলগে বুৰ্জোৱা বুলি কৈছে, যিসকলে নিজৰ মূলধন খটুৱাই অধিক মুনাফা বা সুদ সংগ্ৰহ কৰিবলৈ যত্ন কৰে আৰু এটা আড়ম্বৰপূৰ্ণ জীৱন যাপন কৰিব পাৰে। আনহাতে তেওঁলোকৰ বিপৰীতে প্ৰলেটেৰিয়েট বা সাধাৰণ শ্ৰমিক সকলে নিজৰ শাৰীৰিক শ্ৰম বিক্ৰী কৰি যি সামান্য উপাৰ্জন কৰে তাৰ দ্বাৰা সাধাৰণ নিম্ন মানদণ্ডৰে জীৱন যাপন কৰিবলৈ সক্ষম হয়।

আকৌ আনহাতে মাৰ্ক্সে বুৰ্জোৱাক, '**পেটি বুৰ্জোৱা**' আৰু প্ৰলেটেৰিয়েটক

**'পেটি প্ৰলেটেৰিয়েট'** - নামেৰে আৰু দুটা শ্ৰেণীত ভাগ কৰিছে। আমি যদি পেটি বুৰ্জোৱাৰ উদাহৰণ দাঙি ধৰো তেন্তে ডাক্তৰ, উকিল, অধ্যাপক আদিৰ শ্ৰেণী উল্লেখ কৰিব লাগিব। তেওঁলোকেও নিজৰ বুদ্ধি, বৃত্তিৰ যোগেদি এটা ভাল উপাৰ্জন কৰি সমাজত প্ৰতিষ্ঠা লাভ কৰে। এওঁলোকক বুদ্ধিজীৱি বুলিও ক'ব পাৰি। পেটি বুৰ্জোৱা সকলৰ দৰে প্ৰলেটেৰিয়েট সকলৰ মাজতো পেটি প্ৰলেটেৰিয়েট নামেৰে আন এটা শ্ৰেণী দেখা যায়। এওঁলোকে সামান্য পৰিমাণৰ মূলধন বিনিয়োগ কৰি সৰু সুৰা ব্যৱসায় বাণিজ্য কৰি প্ৰলেটেৰিয়েট সকলৰ তুলনাত কিছু উন্নত মানদণ্ডৰে জীৱন যাপন কৰে।

যিকি নহওঁক মাৰ্ক্সে প্ৰধানতঃ আধুনিক উদ্যোগিক সমাজত পুঁজিপতি বা বুৰ্জোৱা আৰু শ্ৰমিক বা প্ৰলেটেৰিয়েট - এই দুটা সামাজিক শ্ৰেণীৰ মাজত হোৱা শ্ৰেণী সংগ্ৰাম (Class Struggle)ৰ কথা আলোচনা কৰিছে। এই শ্ৰেণী সংগ্ৰামৰ প্ৰসঙ্গত মাৰ্ক্সে তলত উল্লেখ কৰা কথাখিনি ক'ব বিচাৰিছে।

প্ৰথমে উল্লেখ কৰিছে যে সমাজত যিমান বিলাক শ্ৰেণী দেখা গৈছে তেওঁলোকৰ মাজত এটা আনটোৰ বিপৰীত ধৰ্মী স্বাৰ্থ সম্পন্ন হিচাপে পৰিলক্ষিত হৈছে। যেনে - পুঁজিপতি সকলৰ স্বাৰ্থ সাধাৰণ শ্ৰমিক সকলৰ স্বাৰ্থ একে নহয়। এই ক্ষেত্ৰত থোৰতে ক'ব পাৰি যে এই বিপৰীত মুখী স্বাৰ্থৰ বাবেই দুয়োটা শ্ৰেণীৰ মাজত শ্ৰেণী সংগ্ৰাম আৰম্ভ হয়। এই শ্ৰমজীৱি বনুৱা সকলে পুঁজিপতি সকলৰ শোষণৰ বিৰুদ্ধে এক গোট হৈ সংগ্ৰাম কৰিবলৈ বাধ্য হয়।

এই বিপৰীতমুখী স্বাৰ্থৰ উপৰিও মাৰ্ক্সে আন এটা বিশেষ লক্ষণ শ্ৰেণী সচেতনতাৰ (Class Consciousness) কথা ক'ব বিচাৰিছে যিটো শ্ৰেণী সংগ্ৰামৰ মূল ভিত্তি বুলি বিবেচনা কৰিব পাৰি। শ্ৰেণী বিলাকৰ নিজৰ নিজৰ আৰ্থিক স্বাথৰ বাবেই শ্ৰেণী সচেতনতাৰ ভাব জাগ্ৰত হয়। মাৰ্ক্সৰ মতে শোষক শ্ৰেণী বিলাকে নিজৰ নিজৰ আৰ্থিক স্বাৰ্থবিলাক সুৰক্ষিত কৰি ৰাখিবৰ বাবে পৰম্পৰাগত ভাৱে চলি অহা উৎপাদন মুখী সম্পৰ্ক সদায়ে জীয়াই ৰাখিব বিচাৰে। ইয়াৰ বিপৰীতে শোষিত শ্ৰেণীয়ে পৰম্পৰাগত ভাৱে চলি অহা আৰ্থিক সম্পৰ্কৰ পৰিবৰ্ত্তন আনি তেওঁলোকৰ বাবে লাভজনক নতুন সম্পৰ্ক গঢ়ি তুলিব বিচাৰে যাৰ ফলশ্ৰুতিত দুয়োটা শ্ৰেণীৰ মাজত বিপৰীতমুখী স্বাৰ্থলৈ সংগ্ৰাম আৰম্ভ হয়।

মাৰ্ক্সৰ মতে পুঁজিবাদী উৎপাদন পদ্ধতিত পুঁজিপতি সকলে শ্ৰমিক সকলৰ শ্ৰমৰ মূল্য হিচাপে যিখিনি পাব লাগে সিমান দিব নিবিচাৰে। এই উৎপাদন পদ্ধতিত দেখা যায় যে শ্ৰমিক সকলে শ্ৰমৰ বিনিময়ত পাব লগা মূল্যৰ এটা অংশ পুঁজিপতিসকলে লাভাংশ হিচাপে উপভোগ কৰে আৰু শ্ৰমিকক প্ৰকৃত প্ৰাপ্যৰ পৰা বঞ্চিত কৰে। গতিকে শ্ৰমিকে শ্ৰমৰ উচিত মূল্য পাবৰ বাবে সংগঠিত হৈ মালিক পক্ষ বা পুঁজিপতিৰ বিৰুদ্ধে সংগ্ৰামত লিপ্ত হয়।

মুঠতে মাৰ্ক্সে ক'ব বিচাৰিছে যে এই পুঁজিবাদী উৎপাদন পদ্ধতিৰ প্ৰতি শ্ৰমিকৰ অপসাৰণমূলক (Alienation) মানসিকতা গঢ় লৈ উঠে। এই বস্তুগত অৱস্থাৰ পৰা উদ্ভৱ হোৱা অপসাৰণমূলক মনোভাৱে শ্ৰেণী সংঘৰ্ষ সৃষ্টি হোৱাত বহুখিনি অৰিহণা যোগায়।

## ২.৫ পাঠটিৰ পৰা কি শিকিলো ঃ

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে কাৰ্লমাৰ্ক্সৰ 'শ্ৰেণী সংগ্ৰাম' (Class Struggle) তত্বটোৰ পৰা কি কি শিকিব পাৰিলা তাক চমুকৈ উল্লেখ কৰিলো।

(১) সামাজিক শ্ৰেণী হ'ল এটা অৰ্থনৈতিক স্বাৰ্থ জড়িত সামাজিক গোট।

(২) জানিব পাৰিলো যে সাধাৰণতে সমাজত (১) ভূমিপতি (২) পুঁজিপতি আৰু (৩) সাধাৰণ বনুৱা বা সৰ্বহাৰা নামেৰে তিনিটা শ্ৰেণী দেখা যায়।

(৩) সামাজিক শ্ৰেণীৰ মূল ভিত্তি হিচাবে (ক) আৰ্থিক অৱস্থা (খ) ৰাজনৈতিক ক্ষমতা আহৰণ (গ) স্বাৰ্থজড়িত বিৰোধভাৱ আৰু (ঘ) স্বাৰ্থজড়িত সংগঠন - এই চাৰিটা মূল বৈশিষ্ট্যৰ কথা জানিব পাৰিলো।

(৪) মাৰ্ক্সৰ মতে শ্ৰেণী সংগ্ৰামৰ মূল উৎস হিচাপে (ক) বিপৰীতধৰ্মী স্বাৰ্থ (খ) শ্ৰেণী সচেতনতা (গ) শ্ৰমৰ প্ৰাপ্য মূল্যৰ দাবী (ঘ) অপসাৰণমূলক মানসিকতা - এই চাৰিটা প্ৰধান দিশৰ কথা জানিব পাৰিলো।

## অগ্ৰগতিৰ খতিয়ান ঃ

(ক) মাৰ্ক্সৰ অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি ভাগ কৰা তিনিটা শ্ৰেণী কি কি?

(খ) সামাজিক শ্ৰেণীৰ মূল ভিত্তি কি কি?

(গ) মাৰ্ক্সৰ মতে শ্ৰেণী সংগ্ৰামৰ মূল উৎস কেইটা উল্লেখ কৰা

## খতিয়ানৰ উত্তৰ ঃ

(ক) ভূমিপতি, পুঁজিপতি আৰু সাধাৰণ বনুৱা।

(খ) আৰ্থিক অৱস্থা, ৰাজনৈতিক ক্ষমতা আহৰণ, স্বাৰ্থজড়িত বিৰোধ আৰু স্বাৰ্থজড়িত সংগঠন।

(গ) বিপৰীত ধৰ্মী স্বাৰ্থ, শ্ৰেণী সচেতনতা, শ্ৰমৰ প্ৰাপ্যমূল্যৰ দাবী আৰু অপসাৰণ মূলক মানসিকতা।

## সম্ভাব্য প্ৰশ্নাৱলী ঃ

(১) শ্ৰেণী মানে কি? মাৰ্ক্সৰ "শ্ৰেণী সংগ্ৰাম" তত্ত্বটো আলোচনা কৰা।

(২) মাৰ্ক্সে সামাজিক শ্ৰেণীক কেনেদৰে নিৰূপন কৰিছে — তাক বহলাই আলোচনা কৰা।

(৩) 'শ্ৰেণী সংগ্ৰাম' আৰু 'শ্ৰেণী সচেতনতা'ৰ ওপৰত চমুটোকা লিখা।

## পাঠ্য নিৰ্দ্দেৰ্শনা ঃ

(১) "সমাজশাস্ত্ৰৰ সিদ্ধান্ত পৰিচয়" — গুণমনি নাথ, বনলতা, গুৱাহাটী আৰু ডিব্ৰুগড়।

(২) সমাজতত্ত্বৰ অগ্ৰণী চিন্তাবিদসকলৰ সিদ্ধান্ত" - ড° গিয়াচউদ্দিন আহমদ আৰু হিমান্ত বৰগোঁহাই, বনলতা, ডিব্ৰুগড় আৰু গুৱাহাটী, ২০০১

## প্ৰসঙ্গ পুথি ঃ

(১) "Masters of Sociological Thought, – Ideas in Historical Context." Lewis A. Coser, Rawat Publication, Jaipur, 1996

(২) "Main Currext in Sociological Thought"– Vol. I & Vol. II - Raymond Aron, Pelican Books 1983 (RP) Paper back.

# গোট নং - ৩
# অপসাৰিতা তত্ত্ব (Theory of Alienation)

## পাঠৰ গঠন বিন্যাস

৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা

৩.২ অপসাৰিতা অৱধাৰণাৰ অৰ্থ

৩.৩ মাৰ্ক্সৰ অপসাৰিতাৰ প্ৰকাৰ

৩.৪ মাৰ্ক্সৰ "অপসাৰিতা তত্ত্ব"ৰ ব্যাখ্যা

৩.৫ পাঠটিৰ পৰা কি শিকিলো ।

অগ্ৰগতিৰ খতিয়ান

সম্ভাব্য প্ৰশ্নাৱলী

অধিক জানিবৰ বাবে পঢ়িবলগীয়া গ্ৰন্থ

প্ৰসঙ্গ পুথি।

## ৩.০ উদ্দেশ্য

ছাত্ৰ-ছাত্ৰী সকল, এই পাঠটি চতুৰ্থ খণ্ডৰ তৃতীয় গোটত তোমালোকৰ পাঠ্যক্ৰম হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। মাৰ্ক্সৰ এই “**অপসাৰিতা তত্ব**” (Theory of Alienation) তোমালোকে প্ৰথমবাৰৰ বাবে অধ্যয়ন কৰিবলৈ পাইছা। গতিকে তলত উল্লেখ কৰা দিশ সমূহৰ পৰা অপসাৰিতা সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিবা।

(১) মাৰ্ক্সে **উদ্ভাৱন কৰা** এই “অপসাৰিতা” তত্বটোৰ যোগে অপসাৰিতাৰ অৰ্থ জানিব পাৰিবা।

(২) আধুনিক পুঁজিবাদী সমাজ ব্যৱস্থাত কি কি প্ৰকাৰে অপসাৰিতা হ’ব পাৰে আৰু অপসাৰিতাৰ লগত কি কি **উৎস জড়িত হৈ আছে তাক জানিব পাৰিবা।**

(৩) অপসাৰিতা তত্বটো বুজিবৰ বাবে তাৰ ওপৰত এটা পৰ্য্যালোচনা পঢ়িবলৈ পাবা।

## ৩.১ প্ৰস্তাৱনা ঃ

ইয়াৰ আগৰ পাঠটিত মাৰ্ক্সৰ শ্ৰেণী আৰু শ্ৰেণী সংগ্ৰামৰ বিষয়ে অধ্যয়ন কৰা হৈছে। ইয়াত মাৰ্ক্সৰ মতে বনুৱা বা সৰ্বহাৰা শ্ৰেণীটো পুঁজিপতি বা মালিক শ্ৰেণীটোৰ উৎপাদিত সামগ্ৰী, শ্ৰমিক সকলৰ শ্ৰম আৰু অৱশেষত আত্ম সত্বাৰ পৰা অপসাৰিত বা বিচ্ছিন্ন হ’বলগীয়া হয়। মুঠতে পুঁজিবাদী উৎপাদন ব্যৱস্থাত শ্ৰমিক সকল উৎপাদিত সামগ্ৰীৰ পৰা যিকোনো প্ৰকাৰ বিচ্ছিন্ন হোৱাকে ‘অপসাৰিতা’ বুলি কোৱা হয়।

মাৰ্ক্সৰ মতে এই অপসাৰণ তিনি প্ৰকাৰে হয়। প্ৰথমে, শ্ৰমিক সকল নিজৰ উৎপাদিত দ্ৰব্যৰ পৰা অপসাৰণ হয়। দ্বিতীয়তে, শ্ৰমিকসকল তেওঁলোকে নিজে কৰা শ্ৰমৰ পৰা অপসাৰণ হয় আৰু তৃতীয়তে, তেওঁ বাস কৰা সমাজখন বা গোষ্ঠীগত জীৱনৰ পৰা অপসাৰণ বা বঞ্চিত হয়।

তাৰোপৰি এই পাঠটিত আলোচনা কৰা হৈছে যে শ্ৰমিকৰ অপসাৰণমূলক চিন্তাই তেওঁলোকক সামাজিক জীৱন যাপনত হতাশভাৱ আনি দিয়ে। তেওঁলোকক এটা দুখলগা পৰিস্থিতিৰ সন্মুখীন হ’বলৈ বাধ্য কৰে। আৰু এই অপসাৰণ মূলক মানসিকতাৰ বাবে শ্ৰমিক - মালিক আৰু গ্ৰাহকৰ মাজত এক বৈষম্যমূলক মনোভাৱ উদ্ভৱ হয়।

মুঠতে মাৰ্ক্সৰ মতে, পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাত শ্ৰমিকে নিজে সৃষ্টি কৰা বস্তুৱাজিৰ পৰা যি আনন্দ পাব লাগিছিল সেইটো প্ৰকৃততে পোৱা নাই। যিকোনো এজন শ্ৰমিকৰ উৎপাদিত সামগ্ৰী বজাৰত বিক্ৰী কৰি পোৱা লাভ খিনি পুঁজিপতিৰ হাতলৈ যায়। উদ্যোগৰ শ্ৰমিক সকল উৎপাদনৰ পৰা পাব লগা আনন্দ আৰু পাৰিশ্ৰমিক - এই দুয়োটাৰে পৰা তেওঁলোকে বঞ্চিত। সেয়েহে উৎপাদন প্ৰক্ৰিয়াৰ প্ৰতি শ্ৰমিকসকলৰ মাজত

অপসাৰণমূলক মনোভাৱ গঢ়লৈ উঠে। এই গোটেই কথাখিনি উদাহৰণ সহ তোমালোকে তলৰ আলোচনাৰ পৰা জানিব পাৰিবা।

## ৩.২ অপসাৰিতা অৱধাৰণাৰ অৰ্থ ঃ (Meaning of Alienation)

কাৰ্লমাৰ্ক্সে পুঁজিবাদী অৰ্থনৈতিক উৎপাদন ব্যৱস্থাত উৎপাদনকাৰী বা শ্ৰমিক সকল উৎপাদিত সামগ্ৰীৰ পৰা বঞ্চিত বা বিচ্ছিন্ন হোৱাকে অপসাৰিতা বুলি অভিহিত কৰিছে। শ্ৰমিক সকলে আনকি নিজৰ পাৰ্থিৱ শৰীৰটোৰ পৰা নিজৰ মনটো বা আত্মাটোক অপসাৰণ কৰে। এই 'অপসাৰিতা' নামৰ অৱধাৰণাটো মাৰ্ক্সৰ পূৰ্বে সমাজ দাৰ্শনিক জহান্ ফিক্‌টি (The Philosophy of History) য়ে গধূৰ দাৰ্শনিক ব্যাখ্যা আগবঢ়াইছিল। হেগেলেও তেওঁৰ বিখ্যাত গ্ৰন্থ "The Philosophy of Mind" ত এক **আধিভৌতিক** ব্যাখ্যা আগবঢ়ায়। হেগেলে কৈছে যে প্ৰত্যেক মানুহেই নিজে সৃষ্টি কৰা একোখন ভাৱ ৰাজ্যত বাস কৰে। কালক্ৰমত তেওঁলোকে নিজৰ স্থিতি হেৰুৱাবলৈ বাধ্য হয়। অৰ্থাৎ মানুহে নিজেই সৃষ্টি কৰা বৌদ্ধিক ভাৱ জগতৰ পৰা নিজৰ মন বিচ্ছিন্ন বা অপসাৰিত হয়। মাৰ্ক্সে হেগেলৰ এই ভাৱবাদী ব্যাখ্যা গ্ৰহণ নকৰি নিজে এই অপসাৰিতাক বস্তুনিষ্ঠ সমাজতত্ত্বীয় প্ৰক্ৰিয়া হিচাপে উপস্থাপন কৰিবলৈ যত্ন কৰিছিল। মাৰ্ক্সৰ মতে অপসাৰিতা মনোভাৱ বস্তুগত অৱস্থাৰ পৰাই মানুহৰ মাজত সৃষ্টি হয়। মুঠতে এজন শ্ৰমিক প্ৰথমে, **উৎপাদিত দ্ৰব্যৰ পৰা**, দ্বিতীয়তে, **নিজৰ শ্ৰম শক্তিৰ** পৰা আৰু অৱশেষত, তেওঁ নিজে বাস কৰা সমাজ বা **সমুদায়টোৰ পৰা** অপসাৰিত বা বিচ্ছিন্ন হৈ পৰে।

## ৩.৩ মাৰ্ক্সৰ অপসাৰিতাৰ প্ৰকাৰ ঃ (Types of Alienation)

কাৰ্লমাৰ্ক্সে তেখেতৰ প্ৰকাশিত "Economic and Philosophical Manuscript of 1844" নামৰ ৰচনাত তিনি প্ৰকাৰৰ অপসাৰিতাৰ কথা উল্লেখ কৰিছে। সেইবোৰ হ'ল- (ক) উৎপাদিত দ্ৰব্যৰ পৰা অপসাৰিতা (খ) শ্ৰমৰ পৰা অপসাৰিতা (গ) সমাজ বা সামূহিক জীৱনৰ পৰা অপসাৰিতা। মুঠতে তিনি প্ৰকাৰে শ্ৰমিক সকল অপসাৰিত হয়।

**(ক) উৎপাদিত দ্ৰব্য বা সামগ্ৰীৰ পৰা অপসাৰিতা** ঃ (Alienation from the Products)

মাৰ্ক্সৰ মতে সমগ্ৰ পুঁজিবাদী উৎপাদন ব্যৱস্থাটোৱেই পুঁজিপতি সকলৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ থাকে। গতিকে দেখা যায় যে উদ্যোগ প্ৰতিষ্ঠানত যি সকল শ্ৰমিকে উৎপাদন কৰে সেই উৎপাদিত সামগ্ৰীৰ ওপৰত তেওঁলোকৰ কোনো ধৰণৰ অধিকাৰ বা কৰ্তৃত্ব নেথাকে। কেৱল মূলধন ব্যৱহাৰ কৰা মালিক বা পুঁজিপতি শ্ৰেণীটোৱে উৎপাদিত সামগ্ৰী হস্তগত কৰি অধিক লাভৰ চেষ্টা কৰে। বিপৰীতে দেখা যায় যে শ্ৰমিক শ্ৰেণীটোৱে উৎপাদন বৃদ্ধি কৰিলেও আৰ্থিকভাৱে তেওঁলোক লাভবান নহয়। আকৌ দেখা যায় যে উৎপাদন বৃদ্ধিৰ লগে লগে মালিক পক্ষই শ্ৰমিক পক্ষক অধিক মাত্ৰাত শোষণ কৰিবলৈ ধৰে। শাৰীৰিক শ্ৰম বিক্ৰী কৰি জীয়াই থকা শ্ৰমিক সকলে শ্ৰমৰ মাত্ৰা অনুসৰি মজুৰি নেপায়। গতিকে

শ্ৰমিকে উৎপাদন বৃদ্ধি কৰি মালিকক অধিক লাভবান কৰিবলৈ প্ৰয়াস বা যত্ন নকৰে। ক্ৰমান্বয়ে শ্ৰমিকৰ বিচক্ষণতা হ্ৰাস পোৱাৰ লগে লগে শ্ৰমিকৰ সামাজিক আচৰণো পৰিৱৰ্তন হ'বলৈ ধৰে। এইদৰে দেখা যায় যে শ্ৰমিকে উৎপাদন কৰা দ্ৰব্যৰ ওপৰত নিজৰ কৰ্তৃত্ব নেথাকে। লাহে লাহে উৎপাদিত সামগ্ৰীৰ পৰা শ্ৰমিকৰ মন-মগজু অপসাৰিত হৈ পৰে। মাৰ্ক্সে ইয়াক উৎপাদিত সামগ্ৰীৰ পৰা অপসাৰিতা বুলি কৈছে।

(খ) **শ্ৰমৰ পৰা অপসাৰিতা** (Alienation from Labour)

শ্ৰমিক সকলে নিজৰ শাৰীৰিক শক্তিৰ সহায়ত উৎপাদন কৰিলেও তেওঁলোকৰ শ্ৰমৰ ওপৰত মালিক শ্ৰেণীৰহে কৰ্তৃত্ব থাকে। ফলস্বৰূপে এই পুঁজিবাদী উৎপাদন ব্যৱস্থাত শ্ৰমিক সকল নিজৰ শ্ৰমৰ পৰাও অপসাৰিত বা বিচ্ছিন্ন হৈ পৰে। তেওঁলোকে নিজৰ উৎপাদিত দ্ৰব্য নিজ ইচ্ছামতে উপভোগ কৰিব নোৱাৰে। মালিক শ্ৰেণীয়ে এই উৎপাদিত দ্ৰব্য নিজৰ হাতলৈ নিয়ে আৰু ইয়াৰ লাভাংশ নিজে উপভোগ কৰে। এনেধৰণৰ উৎপাদন ব্যৱস্থাত শ্ৰমিকৰ শ্ৰমৰ প্ৰতি আগ্ৰহ কমি আহে আৰু শ্ৰমৰ প্ৰতি থকা কৰ্মস্পৃহা নাইকিয়া হৈ আহে। এনে সময়ত শ্ৰমিক এজনৰ নিজৰ শ্ৰম বা কৰ্মস্পৃহা আৰু ব্যক্তিত্বৰ মাজত দ্বন্দ্ব আৰম্ভ হয়। লাহে লাহে শ্ৰমিকৰ শ্ৰম বাহ্যিক বস্তুলৈ ৰূপান্তৰিত হয়। অৰ্থাৎ বস্তুৰ মাধ্যমত শ্ৰমৰ জোখমাখ কৰিবলৈ লয়। অৱশেষত শ্ৰমিকে কেৱল জীয়াই থকাৰ আশাতহে শ্ৰমদান কৰিবলৈ বাধ্য হয়। এনেধৰণৰ শ্ৰমে শ্ৰমিকক কোনোধৰণৰ সন্তুষ্টি বা আনন্দ দিব নোৱাৰে। এইদৰে শ্ৰমিক এজনৰ শ্ৰম জৈৱিক ক্ৰিয়ালৈ ৰূপান্তৰিত হয় বুলি ক'ব পাৰি। এনে অৱস্থাত এজন শ্ৰমিকে মানসিকভাৱে শ্ৰমৰ পৰা অপসাৰিত হৈ আত্ম অস্তিত্বও হেৰুৱাই পেলায়। এই পুঁজিবাদী উৎপাদন ব্যৱস্থাত শ্ৰমিকৰ শ্ৰম যেতিয়াই নিজৰ কাৰণে নহয় বুলি অনুভৱ হয় তেতিয়াই তেওঁ আন্তৰিকতাৰে শ্ৰম নকৰে। লাহে লাহে শ্ৰমিকজন উৎপাদিত সামগ্ৰীৰ দৰে নিজৰ শ্ৰমৰ পৰাও অপসাৰিত হয়।

**(গ) সমাজ বা সামূহিক জীৱনৰ পৰা অপসাৰিতা ঃ** (Alienation from the society or community life)

মানুহে সমাজৰ প্ৰচলিত ৰীতি-নীতি, মূল্যবোধ, প্ৰতিমান আদি পালন কৰি সামাজিক জীৱন যাপন কৰিবলৈ ভাল পায়। আৰ্থিক আৰু সামাজিক স্বাৰ্থ চৰিতাৰ্থ কৰিবৰ বাবে মানুহে নিজৰ ক্ৰিয়াসমূহকো স্বপ্ৰণোদিত উৎসাহ-উদ্দীপনাৰে সমাধান কৰিবলৈ লয়। এনে পুঁজিবাদী উৎপাদন ব্যৱস্থাত শ্ৰমিকে নিজৰ স্বাভাৱিক চৰিত্ৰ বা প্ৰকৃতি হেৰুৱাই কৃত্ৰিম আচৰণৰ বশৱৰ্ত্তী হৈ পৰে। সেয়েহে মাৰ্ক্সে কৈছে যে মানুহে মানুহৰ লগত ৰক্ষা কৰা স্বাভাৱিক সম্পৰ্ক কৃত্ৰিম বা বস্তুগত সম্পৰ্কলৈ ৰূপান্তৰিত হয়। মানুহৰ মাজত থকা স্বাভাৱিক সম্পৰ্ক লুপ্ত হ'বলৈ আৰম্ভ কৰে। ফলস্বৰূপে মানুহৰ মাজত প্ৰচলিত সমূহীয়া চেতনাৰ পৰিৱৰ্ত্তে ব্যক্তিগত চেতনাৰে যান্ত্ৰিক সম্পৰ্কলৈ পৰিৱৰ্ত্তিত হয়। এনে অৱস্থাত শ্ৰমিক সকল যান্ত্ৰিক সম্পৰ্কৰ প্ৰতি আগ্ৰহী হৈ পৰে। এনে পুঁজিবাদী উৎপাদন ব্যৱস্থাত শ্ৰমিকে নিজৰ সমাজ বা সমুদায়টোৰ প্ৰতি থকা সকলোধৰণৰ আৱেগ অনুভূতি হেৰুৱাবলৈ আৰম্ভ কৰে। লাহে লাহে শ্ৰমিক এজন সমূহীয়া জীৱনৰ পৰা বিচ্ছিন্ন হৈ এক সম্পৰ্ক বিহীন ব্যক্তিবাদী চিন্তাৰ সত্বালৈ ৰূপান্তৰিত হয়। এনেদৰে শ্ৰমিক এজন নিজৰ সমূহটোৰ পৰা

বিচ্ছিন্ন বা অপসাৰিত হৈ পৰে।

## ৩.৪ মাৰ্ক্সৰ অপসাৰিতা তত্বৰ ব্যাখ্যা ঃ (Analysis of Mark's Alienation Theory)

মাৰ্ক্সৰ মতে পুঁজিপতি সকলে নিজৰ আৰ্থিক লাভৰ প্ৰতি থকা অত্যাধিক আশা বা স্বাৰ্থৰ বাবে শ্ৰমিক শ্ৰেণীৰ ওপৰত শোষণ চলায় আৰু শ্ৰমিক সকলে এই অৱস্থাৰ পৰা নিজকে মুক্ত কৰিবৰ বাবে মালিক শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলগীয়া হয়। ইয়াৰ লগত শ্ৰমিকৰ আন এটা সমস্যা জড়িত হৈ আছে ; সেইটো হ'ল - উৎপাদিত বস্তুৰ পৰা সৃষ্টি হোৱা অপসাৰিতা সমস্যা।

এই অপসাৰিতা সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে মাৰ্ক্সে মানুহ আৰু অন্যান্য জীৱৰ মাজত পাৰ্থক্য দেখুৱাই কৈছে যে মানুহৰ সামাজিক সৃষ্টিশীলতা আছে। সৃষ্টিৰ আৰম্ভণিৰ পৰাই দেখা গৈছে যে মানুহে অন্য মানুহৰ সহযোগত প্ৰকৃতিৰ পৰা নিজৰ প্ৰয়োজনীয় দ্ৰব্য সমূহ সৃষ্টি কৰি সামাজিকভাৱে জীৱন-নিৰ্বাহ কৰি আহিছে। এনে সামাজিক জীৱন-নিৰ্বাহৰ জৰিয়তে মানুহে নৃত্য, গীত, সাহিত্য আদি কলা সংস্কৃতিও গঢ়ি তুলিছে। মানুহে ভাবিছিল যে মুক্তভাৱে আৰু সাধ্যানুসাৰে প্ৰকৃতিৰ পৰা নিজৰ প্ৰয়োজনীয় বস্তুসমূহ সৃষ্টি কৰিব পৰাটোৱেই তেওঁলোকৰ মহত্ব।

অৱশ্যে মানুহৰ দৰে অন্যান্য জীৱ জন্তুবোৰেও প্ৰকৃতিৰ পৰা বস্তু সৃষ্টি কৰি ল'ব পাৰে। উদাহৰণ স্বৰূপে ক'ব পাৰি - চৰাই চিৰিকতিয়ে গছৰ ডাল পাত গোটাই বাঁহ সাজি লোৱা কাৰ্য্যৰ কথা। কিন্তু জীৱ-জন্তুৱে নিজৰ প্ৰয়োজনৰ তাগিদাতহে সৃষ্টি কৰে আৰু সকলো ঠাইতে একে সময়তে একে ধৰণৰ কাৰ্য্য, যেনে - টোকোৰা চৰাইয়ে সকলো ঠাইতে একে সময়তে একেধৰণৰ বাঁহ সাজে।

কিন্তু মানুহৰ স্বভাৱ বিশ্লেষণ কৰিলে দেখা যায় যে মানুহে প্ৰকৃতিৰ পৰা বস্তু সৃষ্টি কৰোঁতে নিজৰ প্ৰয়োজনৰ উপৰিও আনৰ বাবেও সৃষ্টি কৰে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে মানুহে খোৱা বস্তু সমূহ উৎপাদন কৰোঁতে নিজৰ উপৰিও পৰিয়ালৰ বাকী সদস্য, বন্ধু বান্ধব, ওচৰ-চুবুৰীয়া, আলহী আদি আৰু লগতে দেশৰ আন আন সদস্যৰ কথাও চিন্তা কৰে। গতিকে দেখা যায় যে মানুহে ভৌতিক প্ৰয়োজনীয়তাৰ চাহিদা পূৰণ কৰাৰ উপৰিও সামাজিক আৰু সৌন্দৰ্য্যবোধৰ কথা চিন্তা কৰে। সেয়েহে ক'ব পাৰি যে বস্তু সৃষ্টিৰ লগত মানুহৰ এটা আত্মিক সম্পৰ্ক আছে। কিন্তু পুঁজিবাদী উৎপাদন পদ্ধতিত এই আত্মিক ভাৱৰ গুৰুত্ব কমি আহিব ধৰিছে। পুঁজিপতি সকলে এনেধৰণৰ উৎপাদন পদ্ধতিৰ জৰিয়তে নিজৰ লাভা লাভৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে। শ্ৰমিকৰ শ্ৰমৰ দ্বাৰা উৎপাদিত সামগ্ৰী বিক্ৰী কৰি পোৱা বৃহৎ পৰিমাণৰ লাভাংশ পুঁজিপতিৰ হাতলৈ যায়। বস্তুবোৰৰ ওপৰত শ্ৰমিকৰ কোনোধৰণৰ নিয়ন্ত্ৰণ বা অধিকাৰ নাইকিয়া হৈ পৰে। ফলস্বৰূপে শ্ৰমিক সকলে নিজে সৃষ্টি কৰা বস্তুবোৰৰ পৰা অপসাৰিত হৈ পৰে।

আকৌ পুঁজিবাদী উৎপাদন ব্যৱস্থাত যন্ত্ৰপাতি প্ৰয়োগ কৰাৰ লগে লগে কম সময়তে অধিক পৰিমাণৰ আৰু গুণগত বস্তু উৎপাদন কৰিব পৰা হ'ল। গতিকে দেখা গ'ল যে এই আধুনিক উৎপাদন পদ্ধতিও যিমান পাৰে সিমানেই শ্ৰমবিভাজন বঢ়াই যোৱাত শ্ৰমিকে একোটা সামান্য অংশতহে নিজকে নিয়োজিত কৰিবলগীয়া হয়। এনেধৰণৰ শ্ৰমে

শ্ৰমিকক কোনোধৰণৰ আত্ম সন্তুষ্টি নিদিয়ে। লাহে লাহে শ্ৰমৰ প্ৰতি আগ্ৰহ কমি আহি ইয়াৰ পৰা অপসাৰিত হৈ পৰে।

আকৌ মাৰ্ক্সে কৈছে যে পুঁজিবাদী উৎপাদন পদ্ধতিত বস্তু সৃষ্টি কৰোঁতে মানুহে মানুহৰ সৈতে যি সামাজিক সম্পৰ্ক বা সম্বন্ধ সৃষ্টি কৰে সেইটোও লুপ্ত পাবলৈ ধৰে। মানুহ ব্যক্তিকেন্দ্ৰিক হৈ পৰে। এই পদ্ধতিত নিজকে উৎপাদন যন্ত্ৰৰ এটা অংশ হিচাপেহে বিবেচনা কৰিবলৈ লয়। লাহে লাহে এজন মানুহে নিজৰ সমাজ বা নিজৰ সমূহৰ পৰাও বিচ্ছিন্ন বা অপসাৰিত হ'বলৈ আৰম্ভ কৰে।

শেষত মাৰ্ক্সে কৈছে যে - এই তিনিটা দিশতে এজন শ্ৰমিক অপসাৰিত হৈ পৰে আৰু অপসাৰণমূলক সামাজিক আৰু মানসিক অৱস্থাটোকে মাৰ্ক্সে অপসাৰিতা বুলি কৈছে।

## ৩.৫ পাঠটিৰ পৰা কি শিকিলো ঃ

ছাত্ৰ-ছাত্ৰীসকল, মাৰ্ক্সৰ এই অপসাৰিতা তত্বটো অধ্যয়ন কৰি তোমালোকে তলত উল্লেখ কৰা দিশসমূহ খৰচি মাৰি বুজিব পাৰিলা।

(১) তোমালোকে জানিব পাৰিলা যে মাৰ্ক্সে হেগেলৰ দৰে ভাৱবাদী দৃষ্টিভংগী ব্যৱহাৰ নকৰি, স্বতন্ত্ৰভাৱে এটি বস্তুনিষ্ঠ সমাজতত্বীয় প্ৰক্ৰিয়াৰে এই বিচ্ছিন্নতা বা অপসাৰিতা তত্বৰ ব্যাখ্যা দাঙি ধৰিছে।

(২) পাঠটি পঢ়ি তোমালোকে জানিব পাৰিলা যে পুঁজিবাদী সমাজ ব্যৱস্থাত এজন শ্ৰমিক, নিজৰ উৎপাদিত দ্ৰব্যৰ পৰা, শ্ৰমিকে তেওঁৰ স্পৃহাৰ পৰা আৰু শ্ৰমিকে বস্তুবাদী চিন্তাচৰ্চাৰে সামাজিক জীৱন চলাই নিয়াত নিজৰ সমূহ বা সমুদায়টোৰ পৰা অপসাৰিত হৈ পৰে।

(৩) জানিব পাৰিলা যে পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাত শ্ৰমিকে যি আনন্দ আৰু পাৰিশ্ৰমিক পাব লাগিছিল তাক নেপাই তেওঁলোকে নিজৰ স্বাৰ্থতে শ্ৰেণী সচেতনতা বৃদ্ধি কৰে। এই শ্ৰেণী সচেতনতাৰ লগত অপসাৰিতা জড়িত হৈ আছে। এই অপসাৰিতাই শ্ৰেণী সংঘৰ্ষৰ সৃষ্টি হোৱাত বহুতো বৰঙণি আগবঢ়াইছে।

**অগ্ৰগতিৰ খতিয়ান ঃ**

(১) মাৰ্ক্সে ভাৱবাদী দৃষ্টিভংগীৰে নে বস্তুবাদী দৃষ্টিভংগীৰে অপসাৰিতা শব্দটো ব্যাখ্যা কৰিছে?

(২) মাৰ্ক্সৰ মতে কি কি দিশৰ পৰা এজন শ্ৰমিক অপসাৰিত হ'ব পাৰে?

(৩) "শ্ৰেণী সংগ্ৰামৰ লগত অপসাৰিতা জড়িত হৈ আছে" - কথাষাৰ সঁচানে মিছা?

**খতিয়ানৰ উত্তৰ ঃ**

(১) বস্তুবাদী দৃষ্টিভংগীয়ে।

(২) এজন শ্ৰমিক নিজৰ উৎপাদিত দ্ৰব্যৰ পৰা, শ্ৰমিকে তেওঁৰ স্পৃহাৰ পৰা আৰু নিজৰ সমুদায়টোৰ পৰা অপসাৰিত হৈ পৰে।

(৩) কথাষাৰ সঁচা।

**সম্ভাব্য প্ৰশ্নাৱলী ঃ**

(১) ভাৱবাদী আৰু বস্তুবাদী দৰ্শনৰ মাজত থকা পাৰ্থক্যখিনি নিৰূপন কৰা।

(২) মাৰ্ক্সৰ অপসাৰিতা তত্ত্বটো ব্যাখ্যা কৰা।

(৩) মাৰ্ক্সে তেওঁৰ "Economic and Philosophical Manuscript of 1844" নামৰ ৰচনাত প্ৰকাশ কৰা তিনি প্ৰকাৰৰ অপসাৰিতাৰ বিষয়ে আলোচনা কৰা।

**অধিক জানিবৰ বাবে পঢ়িবলগীয়া গ্ৰন্থ ঃ**

(১) “আধুনিক সমাজতাত্ত্বিক বিশ্লেষণ” - ড° জ্যোতি প্ৰসাদ শইকীয়া, বিদ্যাভৱন, মহাত্মা গান্ধী পথ, যোৰহাট, জানুৱাৰী, ২০১৩

(২) “সমাজতত্ত্বৰ অগ্ৰণী চিন্তাবিদ সকলৰ সিদ্ধান্ত” - ড° গিয়াচউদ্দিন আহমদ আৰু হিমান্ত বৰগোঁহাই, বনলতা, ডিব্ৰুগড় আৰু গুৱাহাটী, ২০০৯

**প্ৰসঙ্গ পুথি ঃ**

(১) “A Prologue to Five Sociologists” - J. L. Baruah, P.B. No.8, Dibrugarh.

(২) “Sociological Thought from -- Lore to Science” Vol. I & Vol II - H.Becker & H.E.Barnes, Newyork, Dover Publication 1961

## খণ্ড নং - ৫

# মেক্স ৱেবাৰ
# (Max Weber)

## গোট নং - ১
## সামাজিক ক্রিয়া (Social Action)

### পাঠৰ গঠন বিন্যাস

১.০ উদ্দেশ্য ঃ

১.১ প্ৰস্তাৱনা ঃ

১.২ সামাজিক ক্রিয়াৰ অৰ্থ ঃ

১.২.১ সামাজিক ক্রিয়াৰ বৈশিষ্ট্য ঃ

১.২.২ সামাজিক ক্রিয়াৰ শ্ৰেণীকৰণ ঃ

১.২.৩ সামৰণি (অধ্যয়নটিৰ পৰা আমি কি শিকিলো)

অগ্ৰগতিৰ খতিয়ান

অধিক জানিবৰ বাবে

সম্ভাব্য প্ৰশ্নাৱলী

প্ৰসঙ্গ পুথি

## ১.০ উদ্দেশ্য ঃ

এই গোটটো অধ্যয়ন কৰিলে তোমালোকে

- সামাজিক ক্ৰিয়াৰ প্ৰকৃত অৰ্থ ব্যাখ্যা কৰিব পাৰিবা।
- সামাজিক ক্ৰিয়াৰ বৈশিষ্ট্য নিৰ্ণয় কৰিব পাৰিবা।
- সামাজিক ক্ৰিয়াৰ শ্ৰেণীকৰণ সম্পৰ্কে অনুধাৱন কৰিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা ঃ

সমাজতত্ত্বৰ অগ্ৰগতিৰ ক্ষেত্ৰত যিসকল সমাজ দাৰ্শনিকে উল্লেখযোগ্য অৱদান আগবঢ়াইছে তেখেত সকলৰ ভিতৰত জাৰ্মান দাৰ্শনিক মেক্স ৱেবাৰ অন্যতম। তেখেতে সমাজতত্ত্বক এক বিজ্ঞান সন্মত বিষয় হিচাপে প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। মেক্স ৱেবাৰৰ সামাজিক ক্ৰিয়া সমাজতত্ত্বৰ বাবে এক উল্লেখযোগ্য অৱধাৰণা। সামাজিক ক্ৰিয়াৰ হৈছে ব্যক্তিৰ আচৰণ আৰু সামাজিক ঘটনাৰ মূৰ্ত্ত প্ৰকাশ। সামাজিক ক্ৰিয়াৰ ফলস্বৰূপেই সামাজিক সম্বন্ধবোৰ গঢ় লৈ উঠে। গতিকে সামাজিক ক্ৰিয়া আৰু সামাজিক সম্বন্ধৰ পাৰস্পৰিক সম্পৰ্কৰ কথা বাদ দিলে সমাজতত্ত্বিয় অধ্যয়নৰ সম্পূৰ্ণতা আশা কৰিব নোৱাৰি। সামাজিক ক্ৰিয়া মেক্স ৱেবাৰৰ সকলো সমাজতত্ত্বিয় বিশ্লেষণৰ মূল কেন্দ্ৰবিন্দু। সামাজিক ক্ৰিয়াৰ আবিহনে সামাজিক ঘটনাৰ অস্তিত্বৰ কথা ভাবিব নোৱাৰি। গতিকে সামাজিক ক্ৰিয়াৰ বিষয়ে এটা সুস্পষ্ট সংজ্ঞা আগবঢ়োৱাটো সমাজতত্ত্বিয় অধ্যয়নৰ বাবে অতি আৱশ্যক। সেয়েহে মেক্স ৱেবাৰে প্ৰথমে সামাজিক ক্ৰিয়াৰ বিষয়ে আলোচনা আগবঢ়াইছে।

## ১.২ সামাজিক ক্ৰিয়াৰ অৰ্থ ঃ (Meaning of social action)

ৱেবাৰৰ মতে, সমাজত অৰ্থপূৰ্ণভাৱে যিবিলাক ক্ৰিয়া সংঘটিত হয়, তাকে সামাজিক ক্ৰিয়া বোলে। সমাজত সংঘটিত হোৱা সকলোবিলাক ক্ৰিয়াকে সামাজিক ক্ৰিয়া বুলিব নোৱাৰি। কাৰণ প্ৰত্যেক সামাজিক ক্ৰিয়াৰে প্ৰতিক্ৰিয়া আছে। যিবিলাক ক্ৰিয়াক সামাজিক ক্ৰিয়া হিচাপে আখ্যা দিয়া হয়, সেইবিলাক ক্ৰিয়া কৰ্তাৰ দ্বাৰা ব্যক্তিৰ মনত অৰ্থপূৰ্ণ ভাৱে প্ৰতিক্ৰিয়াৰ ভাৱ সৃষ্টি কৰে। এনেক্ষেত্ৰত কৰ্তাৰ দ্বাৰা বিশেষ এক আত্মনিষ্ঠ (subjective) অৰ্থ প্ৰকাশ কৰে। আত্মনিষ্ঠ অৰ্থ প্ৰকাশ নোহোৱা ক্ৰিয়াক সামাজিক ক্ৰিয়া হিচাপে আখ্যা দিব নোৱাৰি।

মেক্স ৱেবাৰে সামাজিক ক্ৰিয়াক, এক বিজ্ঞান সন্মত আৰু তত্ত্বগধুৰ ব্যাখ্যাৰে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা চলাইছে। তেখেতৰ মতে সমাজতত্ত্ব এনে এক বিভাজন, যাৰ সহায়ত

সামাজিক ক্রিয়াৰ বিষয়ে অৰ্থপূৰ্ণ ভাবে বুজাত সহায়ক হৈছে। সামাজিক ক্রিয়াৰ বিষয়ে বুজিবলৈ সমাজতত্ত্বহে একমাত্র নির্ভৰযোগ্য সমাজ বিজ্ঞান। ইয়াৰ দ্বাৰা সামাজিক ক্রিয়াৰ কাৰণ, প্রকাৰ আৰু ফলাফল সম্পর্কে একোটা সিদ্ধান্ত প্রকাশ কৰিবলৈ যত্ন কৰা হয়।

ৱেবাৰে ব্যক্তিৰ জ্ঞানৰ দ্বাৰা পৰিচালিত ক্রিয়াকহে সামাজিক ক্রিয়া হিচাপে ব্যাখ্যা আগবঢ়াইছে। কোনো এজন ব্যক্তিয়ে অজ্ঞাত অৱস্থাত সম্পাদন কৰা কামক ৱেবাৰৰ ভাষাত সামাজিক ক্রিয়া হিচাপে আখ্যা দিব নোৱাৰি। ব্যক্তিয়ে আনক অনুকৰণ কৰি কোনো এটা কার্য্য সম্পন্ন কৰাকো সামাজিক ক্রিয়া বুলি ধৰা নহয়। উদাহৰণ স্বৰূপে, যদি কোনো ছাত্র বা ছাত্রীয়ে শ্রেণীত শিক্ষকক অনুকৰণ কৰি শিক্ষকে কৰা কার্য্য পুনৰ ছাত্র ছাত্রীৰ আগত কৰি দেখুৱায় তেনে ক্রিয়া সামাজিক ক্রিয়া হ'ব নোৱাৰে। কিন্তু এজন ছাত্রই যদি ভবিষ্যত জীৱনত এজন শিক্ষক হিচাপে নিজক প্রতিষ্ঠা কৰিবলৈ শুদ্ধ আচৰণ কৰি শিক্ষা দান কৰে, তেনে ক্ষেত্রত তাক সামাজিক ক্রিয়া হিচাপে আখ্যা দিব পাৰি। সেয়েহে যিকোনো এটা ক্রিয়াক সামাজিক ক্রিয়া হিচাপে আখ্যা দিব পাৰি, যদিহে ইয়াৰ লগত ভাবগত অর্থ বা উদ্দেশ্য নিহিত হৈ থাকে। অর্থযুক্তভাৱে আনৰ ব্যৱহাৰৰ প্রতি লক্ষ্য ৰাখি কৰা কার্য্যকে ৱেবাৰে সামাজিক ক্রিয়া বুলি কৈছে। এনে ক্রিয়াক অর্থযুক্ত ভাৱে ব্যাখ্যা কৰিব আৰু বুজিব পাৰি।

মেক্স ৱেবাৰৰ মতে, সামাজিক ক্রিয়াৰ ওপৰত ভিত্তি কৰিয়েই বিভিন্ন প্রকাৰৰ সামাজিক সম্বন্ধ আৰু সামাজিক ঘটনাৰ (social phenomena) সৃষ্টি হয়। সামাজিক ক্রিয়াৰ ফলশ্রুতিতেই সামাজিক সম্বন্ধবিলাক গঢ় লৈ উঠে আৰু সামাজিক সম্বন্ধৰ পৰিৱৰ্ত্তনে সামাজিক পৰিৱৰ্তন সূচায়। সমাজত ব্যক্তিসকলৰ মাজত যিবিলাক সামাজিক সম্বন্ধ গঢ়লৈ উঠে, সেই সকলোবিলাকৰ মূলতে আছে সামাজিক ক্রিয়া। সেয়ে সামাজিক সম্বন্ধক সামাজিক ক্রিয়াৰ প্রতিফলন বুলি আখ্যা দিব পাৰি। কোনো এটা সামাজিক ক্রিয়া কেইবাজনো ব্যক্তিৰ মাজত বাৰে বাৰে সংঘটিত হোৱাৰ ফলত ই এটা নতুন ৰূপত গঢ় লৈ উঠে, যাক সামাজিক সম্বন্ধৰে বিবেচনা কৰিব পাৰি। সেয়েহে সামাজিক ঘটনা বিলাকৰ বিষয়ে ভালদৰে জানিবলৈ হ'লে ইয়াৰ লগত জড়িত হৈ থকা ক্রিয়া প্রক্রিয়া বিলাকৰ বিষয়ে ভালদৰে বিশ্লেষণ কৰা প্রয়োজন। কাৰণ ইয়াৰ লগত সামাজিক ক্রিয়াৰ সম্পর্ক আছে। সেয়েহে সমাজৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰিবলৈ হ'লে সমাজতত্ত্বৰ জৰিয়তে সামাজিক ক্রিয়া, ইয়াৰ কাৰণ, প্রকৃতি, স্বৰূপ আৰু ফলাফলৰ বিষয়ে জ্ঞান আহৰণ কৰাটো অতিশয় প্রয়োজনীয়।

## ১.২.১ সামাজিক ক্রিয়াৰ বৈশিষ্ট্য ঃ (Characterstics of Social action)

**(ক) সামাজিক ক্রিয়া অতীত, বর্তমান বা ভবিষ্যতৰ দ্বাৰা প্রভাৱান্বিত** (Socialaction may be influenced by an action of past, present or future) ঃ

সাধাৰণতে সামাজিক ক্রিয়াবোৰ সময়সাপেক্ষে হোৱা দেখা যায়। অর্থাৎ সামাজিক ক্রিয়া অন্য ব্যক্তি বা ব্যক্তিবিশেষৰ অতীত, বর্ত্তমান বা ভৱিষ্যত ক্রিয়াৰ লগত সম্পর্ক থাকিব পাৰে। সামাজিক ক্রিয়া সমাজত পুনঃ পুনঃ সম্পাদিত হয় ; অর্থাৎ সামাজিক ক্রিয়াবোৰ এবাৰতে শেষ হৈ নাযায়। উদাহৰণস্বৰূপে কোনো এজন ব্যক্তিয়ে আন এজন

ব্যক্তিৰ পৰা ১০০০ টকা ধাৰে লৈছিল। দ্বিতীয় ব্যক্তিজনে এবছৰৰ পাছত ধাৰখিনি প্ৰথমজন ব্যক্তিক পৰিশোধ কৰিলে। অৰ্থাৎ ধাৰ পৰিশোধ কৰা কাৰ্য্যটো অতীতৰ কাৰ্য্যৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে। আনহাতে কোনো এজন ব্যক্তিয়ে এজন দুখীয়া মানুহক ভিক্ষা দিছে আৰু দুখীয়া মানুহজনে তেওঁৰ কল্যাণ কামনা কৰিছে, অৰ্থাৎ এই কাৰ্য্যটো বৰ্তমান সময়ৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে। আনহাতে কোনো এজন ব্যক্তিয়ে তেওঁৰ ভৱিষ্যতৰ কথা চিন্তা কৰি ঘৰ বাৰী ধুনীয়াকৈ সজাই তুলিছে যাৰ দ্বাৰা তেওঁ ভৱিষ্যতে বন্ধু বান্ধৱ বা শুভাকাংখীৰ আগমন কামনা কৰিছে।

**(খ) সামাজিক ক্ৰিয়া পৃথকীকৃত নহয়** (Social action is not isolated) ঃ

সামাজিক ক্ৰিয়া সাধাৰণতে সমাজৰ ভিতৰতে সম্পন্ন হয়। সমাজৰ পৰা পৃথকে কৰা কামক সামাজিক ক্ৰিয়া হিচাপে আখ্যা দিব নোৱাৰি। পাৰস্পৰিক সম্পৰ্কবিহীন ভাবে সমাজৰ ব্যক্তি সকলে সংঘটিত কৰা ক্ৰিয়াক সামাজিক ক্ৰিয়া বুলিব নোৱাৰি। উদাহৰণ স্বৰূপে কোনো এজন ব্যক্তিয়ে অকলশৰীয়াকৈ ধৰ্মীয় কাৰ্য্য কৰিলে তেনে ক্ৰিয়া সামাজিক ক্ৰিয়া নহয়, কিন্তু যদি মানুহজনে তেনে আলোচনা ধৰ্মানুষ্ঠানত কৰে তেন্তে ই সামাজিক ক্ৰিয়া হ'ব।

আনহাতে কিছুমান সামাজিক ক্ৰিয়াত কৰ্তাৰ উপৰিও আন ব্যক্তি বা ব্যক্তিবিশেষ উপস্থিত থাকিব পাৰে। কিন্তু তেনে ক্ষেত্ৰত তেনে ব্যক্তিয়ে সেই কামৰ সম্পৰ্কে কোনো ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰে তেন্তে তেনে ধৰণৰ ক্ৰিয়া সামাজিক ক্ৰিয়া হ'ব নোৱাৰে। যেনে - এজন মানুহক সাহিত্যৰ বিষয়ে কিছুমান কথা কোৱা হ'ল, কিন্তু মানুহজনে সাহিত্যৰ প্ৰতি কোনোধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। গতিকে এনেধৰণৰ ক্ৰিয়াক সামাজিক ক্ৰিয়া হিচাপে আখ্যা দিব নোৱাৰি।

**(গ) মনোগত বা আত্মনিষ্ঠ অৰ্থ (Subjective meaning) ঃ**

সামাজিক ক্ৰিয়া অৰ্থপূৰ্ণ হ'বলৈ হ'লে ইয়াৰ সম্পৰ্ক অৰ্থপূৰ্ণ হোৱাৰ লগতে ইয়াৰ কাৰণ আৰু ফলাফল সম্পৰ্কিত হ'ব লাগিব। সামাজিক ক্ৰিয়া বাৰ্তাৰ বাবে সদায় অৰ্থপূৰ্ণ হ'ব লাগিব নহ'লে ই সামাজিক ক্ৰিয়া হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে ৰাস্তাত দুজন চাইকেল আৰোহীয়ে দুফালৰ পৰা আহি ইজনে সিজনক খুন্দিয়ালে, তেন্তে সেইটো সামাজিক ক্ৰিয়া নহয়। কিন্তু এজন চাইকেল আৰোহীয়ে আনজনক আক্ৰমণৰ মনোভাৱেৰে ইচ্ছাকৃত ভাৱে খুন্দা মাৰিলে সি সামাজিক ক্ৰিয়াত পৰিণত হ'ব ।

তেনেদৰে এজন ব্যক্তিৰ ক্ৰিয়াৰ দ্বাৰা প্ৰভাৱান্বিত হৈ যদি আন কেইজনমান ব্যক্তিয়ে স্বয়ংক্ৰিয়ভাবে অন্য কিছুমান কাম কৰে, তেন্তে তেনেধৰণৰ ক্ৰিয়া সামাজিক ক্ৰিয়াৰ অন্তৰ্ভুক্ত নহ'ব। কাৰণ এনেক্ষেত্ৰত বাকী ব্যক্তিসকলে প্ৰথম কৰ্তাজনৰ ক্ৰিয়াৰ অৰ্থ বুজিবলৈ যত্ন কৰা নাই। এইদৰে আনক অনুকৰণ কৰি কৰা ক্ৰিয়া সামাজিক ক্ৰিয়া হিচাপে বিবেচনা কৰা নহয়। অৰ্থাৎ সামাজিক ক্ৰিয়া সমাজৰ একাধিক ব্যক্তিৰ পাৰস্পৰিক আচৰণৰ দ্বাৰা প্ৰভাৱান্বিত হয়। সামাজিক সম্বন্ধৰ প্ৰভাৱত সামাজিক ক্ৰিয়াই স্বীকৃতি লাভ কৰে।

গতিকে মেক্স ৱেবাৰৰ মতে ব্যক্তিৰ আভ্যন্তৰীণ আৰু বাহ্যিক ভাব চিন্তাবোৰ সামাজিক ক্ৰিয়াৰ জৰিয়তে প্ৰকাশ পায়। সামাজিক ক্ৰিয়া হ'ল অৰ্থপূৰ্ণ আৰু ভাৱযুক্ত

আচৰণ প্ৰণালী। অৰ্থাৎ এজন ব্যক্তিৰ ক্ৰিয়া অন্যব্যক্তিৰ প্ৰতি অৰ্থপূৰ্ণভাৱে সম্পাদিত হ'লেহে তাক সামাজিক ক্ৰিয়া হিচাপে আখ্যা দিব পাৰি?

## ১.২.২ সামাজিক ক্ৰিয়াৰ শ্ৰেণীকৰণ (Classification of Social Action)

মেক্স ৱেবাৰে সামাজিক ক্ৰিয়াক চাৰিটা শ্ৰেণীত বিভক্ত কৰিছে। যেনে-

**(ক) যুক্তি নিষ্ঠ সামাজিক ক্ৰিয়া** (Rational social action) ঃ

এই প্ৰকাৰৰ সামাজিক ক্ৰিয়া যুক্তিৰ আধাৰত প্ৰতিষ্ঠিত। যুক্তিনিষ্ঠ সামাজিক ক্ৰিয়া সেইবিলাকক কোৱা হয়, যিবিলাক যুক্তি যুক্তভাৱে বিচাৰ বিশ্লেষণ কৰি ব্যক্তিয়ে সচেতন ভাবে নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বৰ বাবে সম্পন্ন কৰে। এনে প্ৰকাৰৰ সামাজিক ক্ৰিয়াত কিছুমান বিশেষ লক্ষ্য আৰু উদ্দেশ্য নিহিত হৈ থাকে। উদাহৰণ স্বৰূপে কোনো এজন ব্যক্তিয়ে কোনো এটা বিশেষ ৰাজনৈতিক দলত যোগ দিবলৈ যাওঁতে, তেওঁ সেই দলত যোগ দিলে কেনেদৰে লাভবান হ'ব বা কেনে ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব বা সেই ৰাজনৈতিক দলটোৰ ভৱিষ্যত কি ইত্যাদি বহু কথা বিবেচনা কৰি নিজক পতিয়ন নিয়াব পাৰিলেহে সেই দলত যোগ দিব। এনেদৰে কিছুমান যুক্তি বা বিচাৰৰ ভিত্তিত যিবোৰ ক্ৰিয়া সম্পন্ন কৰা হয় সেইবোৰক যুক্তিনিষ্ঠ সামাজিক ক্ৰিয়া বুলি কোৱা হয়।

**(খ) প্ৰমূল্যগত সামাজিক ক্ৰিয়া** (value and action) ঃ

দ্বিতীয় প্ৰকাৰৰ সামাজিক ক্ৰিয়া হৈছে প্ৰমূল্যগত সামাজিক ক্ৰিয়া। সমাজত এনে কিছুমান ক্ৰিয়া আছে, যিবিলাক ক্ৰিয়াৰ লগত ধৰ্মীয় নৈতিক প্ৰমূল্য ইত্যাদি প্ৰয়োজনীয়তাৰ পৰিপ্ৰেক্ষিতত সম্পন্ন হয়। এনে ক্ষেত্ৰত যুক্তি সিদ্ধ বিচাৰ বিশ্লেষণৰ কথা নাথাকে। এনে ধৰণৰ সামাজিক ক্ৰিয়া আত্মবিশ্বাস আৰু আত্মসচেতনতাৰ দ্বাৰা সম্পাদিত হোৱা দেখা যায়। উদাহৰণ স্বৰূপে কোনো এজন ব্যক্তিয়ে যেতিয়া ধৰ্মীয় কাৰ্য্য সম্পাদন কৰে, তেনেক্ষেত্ৰত তেওঁ পুৰোহিতে দিয়া নিৰ্দ্দেশমতে কাৰ্য্য সম্পাদন কৰে। তেনেক্ষেত্ৰত সামাজিক মূল্যবোধ আৰু পৰম্পৰা ইত্যাদিৰ প্ৰভাৱত সামাজিক ক্ৰিয়াবিলাক সম্পন্ন হয়, অৰ্থাৎ এনেক্ষেত্ৰত কোনো ধৰণৰ যুক্তি যুক্ততা বা লাভা লাভৰ প্ৰশ্ন নাহে।

**(গ) আবেগিক সামাজিক ক্ৰিয়া** (Emotional or affectual social action) ঃ

তৃতীয় প্ৰকাৰৰ সামাজিক ক্ৰিয়া হৈছে আবেগিক সামাজিক ক্ৰিয়া। এনেধৰণৰ সামাজিক ক্ৰিয়াত আবেগ, অনুভূতি ইত্যাদি জড়িত হৈ থাকে। সামাজিক প্ৰাণী হিচাপে ব্যক্তিয়ে প্ৰবৃত্তিগত আবেগ অনুভূতিৰ দ্বাৰা পৰিচালিত হয়। এনে প্ৰকাৰৰ সামাজিক ক্ৰিয়া সম্পাদনৰ ক্ষেত্ৰত ব্যক্তি বা কৰ্তাৰ আবেগ অনুভূতিয়ে প্ৰেৰণা যোগায়। উদাহৰণ স্বৰূপে, ভূমিকম্পত বিধ্বস্ত লোকসকলৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে দান বৰঙনি সংগ্ৰহ কৰে, এনে কাৰ্য্য ছাত্ৰ-ছাত্ৰীৰ বাবে নহয়। কিন্তু দুৰ্দশাগ্ৰস্ত মানুহখিনিৰ প্ৰতি থকা মানৱীয় সহানুভূতিৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে দান বৰঙনি সংগ্ৰহ কৰে। এইদৰে মৰম-স্নেহ, শ্ৰদ্ধা -ভক্তি, আবেগ- অনুভূতি ইত্যাদি কাৰণত মানুহে কিছুমান সামাজিক ক্ৰিয়া সম্পন্ন কৰে।

**(ঘ) পৰম্পৰাগত সামাজিক ক্ৰিয়া** (Traditional social action) ঃ

চতুৰ্থ প্ৰকাৰৰ সামাজিক ক্ৰিয়া হৈছে পৰম্পৰাগত সামাজিক ক্ৰিয়া। ব্যক্তিয়ে যিবোৰ কাম দৈনন্দিন জীৱনত সম্পাদন কৰে, সেইবোৰ প্ৰায়ভাগেই পৰম্পৰাগত ভাবে কৰি অহা ক্ৰিয়া। এনেবিলাক ক্ৰিয়া ব্যক্তিয়ে সামাজিক পৰম্পৰা ৰক্ষা কৰি সম্পন্ন কৰে। সামাজিক পটভূমিত ব্যক্তিয়ে অভ্যাসৰ বশবৰ্ত্তী হৈ পৰম্পৰাগত ভাৱে কিছুমান ক্ৰিয়া সম্পাদন কৰে। উদাহৰণ স্বৰূপে ব্যক্তিয়ে মন্দিৰ বা নামঘৰলৈ সোমাওঁতে শ্ৰদ্ধা বা নমস্কাৰ জনাই সোমোৱা, নামঘৰত প্ৰৱেশ কৰোতে বিশেষ সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰি পোছাক পৰিধান কৰা ইত্যাদি উল্লেখ কৰিব পাৰি। পৰম্পৰাগত ভাৱে মানুহে বছৰি নিৰ্দ্দিষ্ট সময়ত কিছুমান উৎসৱ সম্পাদন কৰি থাকে।

মেক্স ৱেবাৰৰ সামাজিক ক্ৰিয়া সমাজতত্ত্বৰ এটা গুৰুত্বপূৰ্ণ অৱধাৰণা। সামাজিক ক্ৰিয়াৰ অবিহনে সামাজিক সম্বন্ধ প্ৰতিষ্ঠা হ'ব নোৱাৰে। ৱেবাৰৰ মতে ব্যক্তিয়ে সামাজিক জীৱনত বিভিন্ন সামাজিক ক্ৰিয়া প্ৰক্ৰিয়াৰ লগত জড়িত হৈ থাকে। এই সকলোবিলাক সামাজিক ক্ৰিয়াৰ এক আত্মনিষ্ঠ অৰ্থ আছে। তেওঁৰ মতে সামাজিক ক্ৰিয়াৰ অৰ্থ, কাৰণ (cause) আৰু ফলাফলৰ (effect) পাৰস্পৰিক সম্পৰ্কৰ ওপৰত নিৰ্ভৰ কৰে। সমাজতত্ত্বৰ দ্বাৰা সামাজিক ক্ৰিয়াৰ বিষয়ে অধ্যয়ন কৰি এটা সিদ্ধান্ত প্ৰকাশ কৰিব পৰা যায় বুলি মেক্স ৱেবাৰে মন্তব্য কৰিছে।

## ১.২.৩ সামৰণি (অধ্যয়নটিৰ পৰা আমি কি শিকিলো)

ইতিমধ্যে আমি গোটটিৰ পৰা সামাজিক ক্ৰিয়া মানে কি আৰু ইয়াৰ বৈশিষ্ট্য বিলাকৰ বিষয়ে অনুধাবন কৰিব পাৰিলো। তদুপৰি সামাজিক ক্ৰিয়াৰ শ্ৰেণীকৰণ সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিলো।

**অগ্ৰগতিৰ খতিয়ান ঃ**

(ক) মেক্স ৱেবাৰৰ মতে, সামাজিক ক্ৰিয়া বুলিলে কি বুজা?

________________________________________

________________________________________

________________________________________

(খ) মেক্স ৱেবাৰে সামাজিক ক্ৰিয়াক কেইটা শ্ৰেণীত বিভক্ত কৰিছে।

________________________________________

________________________________________

________________________________________

## খতিয়ানৰ উত্তৰ ঃ

(ক) মেক্স ৱেবাৰৰ মতে, অৰ্থপূৰ্ণভাৱে আনৰ প্ৰতি লক্ষ্য কৰি যি বিলাক ক্ৰিয়া সম্পাদিত হয়, সেই বিলাকক সামাজিক ক্ৰিয়া বুলি কয়।

(খ) মেক্স ৱেবাৰে সামাজিক ক্ৰিয়াক চাৰিটা ভাগত বিভক্ত কৰিছে। যেনে ঃ যুক্তিনিষ্ঠ, মূল্যবোধক, গুণদায়ক আৰু পৰম্পৰাগত।

## অধিক জানিবৰ বাবে ঃ

R.N. SHARMA & R.K. SHARMA : HISTORY OF SOCIA THOUGHT. MEDIA PROMOTERS & PUBLISHERS PVT LTD. BOMBAY.

F.M. ABRAHAM : MODERN SOCIOLOGICAL THEORY. UNIVERSITY PRESS OF AMERICA.

C.N. SHANKAR RAO : SOCIOLOGY PRIMARY PRINCIPLES

J.N. TURNER : THE STRUCTURE OF SOCIOLOGICAL THEORY, HOMEWOOD, IL : DORSEY PRESS, (1974)

## সম্ভাব্য প্ৰশ্ন ঃ

১। সমাজতত্ত্বলৈ মেক্স ৱেবাৰৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

২। সামাজিক ক্ৰিয়া বুলিলে কি বুজা? মেক্স ৱেবাৰে আলোচনা কৰা সামাজিক ক্ৰিয়াৰ প্ৰকাৰ সম্পৰ্কে ব্যাখ্যা কৰা।

৩। চমুটোকা লিখা

(ক) আদৰ্শ নমুনা

## প্ৰসঙ্গ পুথি ঃ

ড° দুৰ্গেশ্বৰ দলে - পাশ্চাত্য সামাজিক চিন্তাধাৰা আৰু সমাজতত্ব, ষ্টুডেণ্টচ এম্প'ৰিয়াম, ডিব্ৰুগড়।

শ্ৰী গুণমণি নাথ - সমাজশাস্ত্ৰৰ সিদ্ধান্ত পৰিচয়, বনলতা, ডিব্ৰুগড় - ১

ড° জ্যোতি প্ৰসাদ শইকীয়া - আধুনিক সমাজতাত্বিক বিশ্লেষণ, বিদ্যা ভৱন, মহাত্মা গান্ধী পথ, যোৰহাট - ১

ড° বিপুল কুমাৰ গগৈ - সমাজশাস্ত্ৰৰ সিদ্ধান্ত, বনলতা, গুৱাহাটী - ১ , ডিব্ৰুগড় - ১

শ্ৰী উৎপল শইকীয়া - সমাজতাত্বিক চিন্তাধাৰাৰ ইতিহাস, ষ্টুডেণ্ট এম্পোৰিয়াম, ডিব্ৰুগড়।

R.N. SHARMA - HISTORY OF SOCIAL THOUGHT
R.K. SHARMA, MEDIA PROMOTERS & PUBLISHERS PVT. LTD. BOOMBAY

# গোট নং - ২
# আদৰ্শ নমুনা (Ideal Type)

## পাঠৰ গঠন বিন্যাস

১.০ উদ্দেশ্য ঃ

১.১ প্ৰস্তাৱনা

১.২ আদৰ্শ নমুনাৰ অৰ্থ

১.২.১ আদৰ্শ নমুনাৰ বৈশিষ্ট্য

১.২.২ আদৰ্শ নমুনাৰ শ্ৰেণী

১.২.৩ সামৰণি বা অধ্যয়নটিৰ পৰা আমি কি শিকিলো।

অগ্ৰগতিৰ খতিয়ান

অধিক জানিবৰ বাবে

সম্ভাব্য প্ৰশ্নাৱলী

প্ৰসঙ্গ পুথি

## ১.০ উদ্দেশ্য ঃ

এই গোটটো অধ্যয়ন কৰিলে তোমালোকে

k আদৰ্শ নমুনাৰ অৰ্থ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিবা।

k আদৰ্শ নমুনাৰ বৈশিষ্ট্য সম্পৰ্কে অনুধাৱন কৰিব পাৰিবা।

k আদৰ্শ নমুনাৰ শ্ৰেণীকৰণ সম্পৰ্কে মূল্যাংকন কৰিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা ঃ

ইয়াৰ আগৰ পাঠগোটটোৰ জৰিয়তে তোমালোকে মেক্স ৱেবাৰৰ সামাজিক ক্ৰিয়াৰ বিষয়ে সাম্যক জ্ঞান লাভ কৰিলা। তোমালোকে এই গোটটোৰ জৰিয়তে আদৰ্শ নমুনা (Ideal Type) সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিবা। মেক্স ৱেবাৰৰ আদৰ্শ নমুনা সমাজতত্ত্বলৈ আগবঢ়োৱা এটা অন্যতম অৱধাৰণা। আদৰ্শ নমুনা মেক্স ৱেবাৰৰ মৌলিক সৃষ্টি। মেক্স ৱেবাৰৰ মতে, সমাজৰ কোনো এটা ঘটনা বা সমস্যাৰ বিষয়ে অধ্যয়ন কৰোতে ঘটনাটোৰ প্ৰকৃত ৰূপৰ (Actual Type) লগত এটা আদৰ্শ ৰূপ মনত ধাৰণা কৰি লোৱা হয়। অৰ্থাৎ আদৰ্শ নমুনা এটা মনে সজা নমুনা। ইয়াৰ ফলত অধ্যয়নটো নিৰ্ভুল তথা ফলপ্ৰসু হোৱাৰ ধাৰণা কৰিব পাৰি। মেক্স ৱেবাৰৰ মতে সকলো সামাজিক ক্ৰিয়াৰ এক আদৰ্শ আৰ্হি বা নমুনা আছে। মেক্স ৱেবাৰে আদৰ্শ নমুনা ধাৰণাটোৰ সহায়ত সমাজত সংঘটিত হোৱা বিভিন্ন ঘটনা বিলাকৰ বিষয়ে আলোচনা কৰিব খুজিছে। মেক্স ৱেবাৰে অভিমত দাঙি ধৰিছে যে সমাজতত্ত্বৰ সঠিক অধ্যয়নৰ বাবে আদৰ্শ নমুনা এটা এৰাব নোৱাৰা বিষয়। ৱেবাৰৰ মতে ঐতিহাসিক দৃষ্টিকোণৰ পৰা সামাজিক ঘটনা বিলাকৰ বিষয়ে যদি অধ্যয়ন কৰা হয় তেন্তে ইয়াৰ এটা সাধাৰণ চৰিত্ৰ দেখা পোৱা যায়। সেই সাধাৰণ চৰিত্ৰৰ পৰা আদৰ্শ নমুনাৰ ধাৰণা বা কল্পনা কৰি ল'ব পাৰি। গতিকে অতীতত হৈ যোৱা ক্ৰিয়া বা ঘটনাই মানুহৰ মনত আদৰ্শ নমুনাৰ সৃষ্টিত অৰিহনা যোগায়। কোনো এটা সামাজিক ঘটনাৰ বিষয়ে নিৰপেক্ষ আৰু বস্তুতাত্ত্বিক অধ্যয়নৰ বাবে আদৰ্শ নমুনাৰ ধাৰণা কৰি লোৱাটো অতিকে প্ৰয়োজনীয়।

## ১.১ আদৰ্শ নমুনাৰ অৰ্থ (Meaning of Ideal Type) ঃ

জাৰ্মান দাৰ্শনিক মেক্স ৱেবাৰৰ অন্যতম সমাজতত্ত্বীয় অৱধাৰণা হ'ল, আদৰ্শ নমুনা। আদৰ্শ নমুনা সামাজিক ক্ৰিয়াৰ প্ৰকৃত ৰূপৰ বিষয়ে এটা কাল্পনিক ৰচনা। মেক্স ৱেবাৰে সমাজৰ কোনো এটা ঘটনাৰ বিষয়ে অধ্যয়ন কৰোতে আদৰ্শ নমুনাৰ ওপৰত বিশেষ ভাবে গুৰুত্ব আৰোপ কৰা দেখা যায়। সমাজৰ কোনো এটা ঘটনা বা ক্ৰিয়াৰ বিষয়ে অধ্যয়ন কৰিবলৈ যাওঁতে ঘটনাটোৰ প্ৰকৃত ৰূপৰ লগত এটা আদৰ্শ ৰূপ কল্পনা কৰি লোৱাটোৱেই আদৰ্শ নমুনাৰ মূল বিষয়বস্তু। আদৰ্শ নমুনা বা আৰ্হি নোহোৱাকৈ যিকোনো ঘটনাৰ বিষয়ে

অধ্যয়ন কৰিলে প্ৰকৃত জ্ঞান আহৰণ কৰাৰ ক্ষেত্ৰত কিছুমান অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। গতিকে সামাজিক ঘটনাৰ বিষয়ে অধ্যয়ন কৰিবলৈ শুদ্ধ আৰ্হি বা আদৰ্শ নমুনা ৰচনা কৰি লোৱাটো একান্তই প্ৰয়োজনীয়। মেক্স ৱেবাৰৰ মতে, সামাজিক ঘটনাবিলাকৰ কাৰণ আৰু ফলাফল সম্পৰ্কে অধ্যয়ন কৰিবলৈ যাওঁতে একে ধৰণৰ লক্ষণযুক্ত সাদৃশ্যতাৰ ওপৰত ভিত্তি কৰি সেই ঘটনাবিলাকক বিভিন্ন ৰূপত শ্ৰেণীকৰণ কৰি লোৱা প্ৰয়োজন। সামাজিক ঘটনাবিলাক শ্ৰেণীকৰণ আৰু বিশ্লেষণ কৰিবলৈ যাওঁতে একোটা আদৰ্শ নমুনা বা আৰ্হি প্ৰস্তুত কৰি ল'ব লাগে। কিন্তু এই আদৰ্শ নমুনা বা ৰূপবিলাকৰ সমানুপাতিক বা আদৰ্শ প্ৰকৃতি সাধাৰণতে দেখা পোৱা নাযায়। গতিকে সঠিক তথ্য নিৰ্বাচন কৰিবৰ বাবে যিকোনো এটা ঘটনাৰ বিষয়ে অধ্যয়ন কৰাৰ সময়ত নমুনা বা আৰ্হি প্ৰস্তুতিৰ প্ৰয়োজন হয়।

আদৰ্শ নমুনা বা আৰ্হি (Ideal Type) এটা কাল্পনিক অৱধাৰণা। ৱেবাৰৰ মতে আদৰ্শ ৰূপ বা নমুনা এনে এক ধাৰণা যাৰ জৰিয়তে এজন গৱেষক বা অধ্যয়নকাৰীয়ে বিশ্লেষণ কৰা ঘটনাটোৰ বিষয়ে নিৰ্ভুল তথ্য প্ৰকাশ কৰিবলৈ সুযোগ পায়। মেক্স ৱেবাৰৰ মতে, সমাজতত্ত্ব হ'ল সামাজিক ক্ৰিয়া আৰু সামাজিক আচৰণৰ বিজ্ঞান। ৱেবাৰৰ মতে, সকলো বিলাক সামাজিক ক্ৰিয়াৰ একোটা আদৰ্শ নমুনা আছে আৰু আদৰ্শ নমুনা সাধাৰণতে ব্যক্তিৰ মনত সৃষ্টি হয়। কিন্তু অধ্যয়নকাৰীয়ে যিটো নমুনা বা প্ৰকৰণ মনতে প্ৰস্তুত কৰি লয় সেই নমুনা বা প্ৰকৰণৰ সম্পূৰ্ণৰূপে বাস্তৱিকতা বা সাদৃশ্যতা নাথাকিবও পাৰে। কিন্তু সামাজিক ঘটনা বিলাক অধ্যয়নৰ বেলিকা আদৰ্শ নমুনা বা প্ৰকৰণ প্ৰস্তুত কৰি লোৱাৰ প্ৰয়োজন। অৰ্থাৎ যিকোনো এটা সামাজিক ক্ৰিয়া বা ঘটনাৰ বিষয়ে অধ্যয়ন কৰাৰ সময়ত আদৰ্শ নমুনাই অধ্যয়নকাৰীৰ মানসিক প্ৰস্তুতিত সহায় কৰে।

আদৰ্শ নমুনা এটা মনে সজা কাল্পনিক নমুনা (ধাৰণা)। আদৰ্শ নমুনাৰ কোনো নিৰ্দিষ্ট ৰূপ নাই। অধ্যয়নৰ সময়ত অধ্যয়নকাৰীয়ে কোনো এটা ঘটনাৰ ৰূপ মনতে কল্পনা কৰি আদৰ্শ নমুনা হিচাপে ধৰি লয়। কোনো এটা ঘটনাৰ বুৰঞ্জীমূলক অধ্যয়নৰ ক্ষেত্ৰত আদৰ্শ নমুনাৰ প্ৰয়োজনীয়তা আছে আৰু ইয়াক ব্যৱহাৰ কৰা হয়। মেক্স ৱেবাৰৰ মতে, কোনো এটা সামাজিক ঘটনাৰ বিষয়ে অধ্যয়ন কৰোতে বিভিন্ন ধৰণৰ প্ৰণালী ব্যৱহাৰ কৰা হয় আৰু আদৰ্শ নমুনাক তেনে এটা প্ৰণালী হিচাপে ধৰা হয়।

## ১.২.১ আদৰ্শ নমুনাৰ বৈশিষ্ট্য ঃ

আদৰ্শ নমুনা সম্পৰ্কে ভালদৰে জানিবলৈ হ'লে তলত উল্লেখ কৰা বৈশিষ্ট্যবিলাকৰ বিষয়ে আলোচনা কৰিব লাগিব।

**(ক) আদৰ্শ নমুনা বিষয় ভিত্তিক তথা ব্যক্তিগত** (Ideal Type is Subjective) ঃ

আদৰ্শ নমুনা সাধাৰণতে যিকোনো এটা বিষয়ৰ লগত সম্পৰ্ক থকা দেখা যায়। প্ৰাকৃতিক নিয়মৰ দ্বাৰা আদৰ্শ নমুনা পৰিচালিত নহয়। সমাজত বসবাস কৰা প্ৰতিজন ব্যক্তিৰে চিন্তা-চৰ্চা, বুদ্ধি-বৃত্তি, নীতি-নিয়ম ইত্যাদি একে নহয়। বিশেষ পৰিস্থিতি সাপেক্ষে ব্যক্তিয়ে বিভিন্ন ধৰণৰ আচৰণ প্ৰদৰ্শন কৰে। গতিকে আদৰ্শ নমুনা কোনো এটা বিষয়ৰ

ওপৰত ভিত্তি কৰি ব্যক্তিৰ মনত উদ্রেগ হয়।

**(খ) আদর্শ নমুনা এক আবেগিক ধাৰণা** (Ideal Types are Emotional) ঃ

আদর্শ নমুনা সাধাৰণতে ব্যক্তিৰ আবেগ অনুভূতিৰ লগত জড়িত।ই প্রাকিতিক বিজ্ঞানৰ দৰে নির্দিষ্ট আৰু বস্তুতাত্বিক নহয়। আদর্শ নমুনা ব্যক্তিৰ এক মানসিক ধাৰণা। ব্যক্তিৰ ইচ্ছাৰ আৰু কল্পনাৰ ওপৰত ভিত্তি কৰি আদর্শ নুমনা গঢ় লয়। গতিকে আদর্শ নমুনা ব্যক্তিৰ আবেগ, অনুভূতি, ইচ্ছা ইত্যাদিৰ দ্বাৰা পৰিচালিত হয়।

**(গ) আদর্শ নমুনা পৰিবৰ্ত্তনশীল** (Ideal Types are Changeable) ঃ

আদর্শ নমুনা এটা পৰিবৰ্ত্তনশীল ধাৰণা। মানুহৰ মনৰ লগত আদর্শ নমুনাৰ সম্পর্ক আছে। স্থান, কাল আৰু পৰিস্থিতি সাপেক্ষে আদর্শ নমুনাৰ পৰিবৰ্ত্তন হোৱা দেখা যায়। কৃষি নির্ভৰশীল ভাৰতীয় সমাজত যুটীয়া পৰিয়াল ব্যৱস্থাই আদর্শ পৰিয়াল হিচাপে বিবেচিত হৈছিল। কিন্তু উদ্যোগীকৰণৰ ফলস্বৰূপে বর্তমান সময়ত একক পৰিয়াল পদ্ধতি আদর্শ হিচাপে লৈ পৰিয়াল সম্পর্কে আঁচনি প্রস্তুত কৰিব পৰা যায়।

## ১.২.২ আদর্শ নমুনাৰ শ্রেণী (Kinds of Ideal type) ঃ

মেক্স ৱেবাৰে আদর্শ নমুনাক তিনি প্রকাৰত বিভক্ত কৰিছে। প্রথমতে, ঐতিহাসিক বাস্তৱতাৰ ওপৰত ভিত্তি কৰি আদর্শ নমুনাক শ্রেণীকৰণ কৰিব পাৰি। উনৈশ শতিকাৰ মাজ ভাগত আৰু কুৰি শতিকাৰ আৰম্ভণিতে পশ্চিমীয়া দেশবোৰত বহুতো নগৰ চহৰ গঢ়ি উঠিছিল। সেইবোৰৰ বাস্তৱ ৰূপ কি আছিল আৰু বর্তমান কি ৰূপত দেখা যায়। সেইদৰে এসময়ত প্রটেষ্টান্ট ধর্মৰ যি নীতি আদর্শ আছিল, সেইবোৰ প্রকৃত আদর্শৰ পৰা কিমান বিচ্যুত হৈছে বা সেইবোৰ কিমান দূৰ বাস্তৱ অৱস্থাত আছে, এইবোৰ নির্ণয় কৰিবৰ বাবে কিছুমান আদর্শ নমুনা প্রয়োগ কৰিব পাৰি।

দ্বিতীয়তে, আন কিছুমান আদর্শ নমুনা আছে যিবোৰ ঐতিহাসিক বাস্তৱতা তাৰ উপাদানৰ ভিত্তিত বিভিন্ন সাংস্কৃতিক পটভূমিত লক্ষ্য কৰিব পাৰি। কোনো এটা সময়ত সামাজিক ঘটনা এটা অধিক জটিল আৰু বৈসাদৃশ্যপূর্ণ হৈ থাকিব পাৰে, বা ইয়াৰ উপাদানবিলাকৰ মাজত বহুতো পার্থক্য দেখা যাব পাৰে। তেনে অৱস্থাত আদর্শ নমুনাৰ জৰিয়তে ঘটনাটো অধ্যয়ন কৰি সেই সময়ৰ সমাজ আৰু সাংস্কৃতিক অৱস্থা কি ৰূপত আছিল তাক নির্ণয় কৰিব পাৰি।

তৃতীয়তে, অন্য কিছুমান আদর্শ নমুনা আছে যিবোৰে প্রকৃত যুক্তিনিষ্ঠ সামাজিক আচৰণ দাঙি ধৰি মানুহৰ বর্তমান প্রচলিত আচৰণ পুনৰ গঠন কৰিব পাৰি। অর্থাৎ আদর্শ নমুনাৰ ভিত্তিত ব্যক্তিয়ে নিজৰ আচৰণ গঢ়ি তুলি তাৰ এক নিদর্শন দাঙি ধৰিব পাৰে। এইটো এটা অনস্বীকার্য্য সত্য যে সমাজৰ বহুতো ব্যক্তি আছে যিয়ে যুক্তি যুক্ততাৰ নামত বহুতো অযুক্তিকৰ কাম সংঘটিত কৰে। অর্থাৎ আমি যিবোৰ ক্রিয়া যুক্তি সিদ্ধ বুলি ভাবো তেনেবোৰ ক্রিয়াত কিছুমান অযুক্তিক উপাদানো নিহিত হৈ থাকে। তেনেক্ষেত্রত সেইবোৰ

ভালদৰে প্ৰকাশ কৰি যুক্তি যুক্ত আচৰণৰ নমুনা প্ৰস্তুত কৰিব পাৰ।

আদৰ্শ নমুনা এটা কাল্পনিক আৰু মানসিক ধাৰণা। মেক্স ৱেবাৰৰ মতে, আদৰ্শ নমুনা এটা উপযুক্ত বিষয়, তথাপি ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত কিছুমান সাৱধানতা গ্ৰহণ কৰিব লাগে। প্ৰথমে, বহুতে আদৰ্শ নমুনাক প্ৰকৃত ঘটনা বুলি ভুল কৰিব পাৰে। দ্বিতীয়তে, কেতিয়াবা আদৰ্শ নমুনাৰ লগত কোনো এটা বাস্তৱ ঘটনাক জোৰকৈ জড়িত কৰিব পাৰে। তৃতীয়তে কোনো কোনো ব্যক্তিয়ে আদৰ্শ নমুনাক এনে এটা পৰ্য্যায়লৈ লৈ যাব পাৰে যিটোৱে বাস্তৱ ৰূপ গ্ৰহণ কৰিব পাৰে। অৰ্থাৎ কাল্পনিক ৰূপটোকে বাস্তৱ ৰূপ (Real Form) হিচাপে ধৰিব পাৰে। গতিকে আদৰ্শ নমুনা সম্পূৰ্ণৰূপে দোষমুক্ত নহয়, সেয়েহে ইয়াৰ প্ৰয়োগৰ ক্ষেত্ৰত কিছুমান সাৱধানতা অৱলম্বন কৰাটো নিতান্ত আৱশ্যকীয়।

## ১.২.৩ সামৰণি বা অধ্যয়নটিৰ পৰা আমি কি শিকিলো ঃ

ইতিমধ্যে আমি গোটটোৰ অধ্যয়নৰ পৰা আদৰ্শ নমুনাৰ অৰ্থ ,বৈশিষ্ট্য আৰু আদৰ্শ নমুনাক শ্ৰেণীকৰণ সম্পৰ্কে জানিব পাৰিলো।

## অগ্ৰগতিৰ খতিয়ান ঃ

(ক) মেক্স ৱেবাৰৰ মতে আদৰ্শ নমুনা বুলিলে কি বুজা?

________________________________________

________________________________________

________________________________________

(খ) মেক্স ৱেবাৰৰ মতে আদৰ্শ নমুনাৰ বৈশিষ্ট্য কেইটা কি কি?

________________________________________

________________________________________

________________________________________

## খতিয়ানৰ উত্তৰ ঃ

(ক) মেক্স ৱেবাৰৰ মতে, সমাজৰ কোনো এটা ঘটনাৰ বিষয়ে অধ্যয়ন কৰোতে ঘটনাটোৰ প্ৰকৃত ৰূপৰ লগত এটা আদৰ্শ ৰূপ মনত ধাৰণা কৰি লোৱা হয় আৰু তাকে আদৰ্শ নমুনা বোলে।

(খ) মেক্স ৱেবাৰৰ মতে, আদৰ্শ নমুনাৰ বৈশিষ্ট্য কেইটা হৈছে -

(i) আদৰ্শ নমুনা ব্যক্তি ভিত্তিক।

(ii) আদৰ্শ নমুনা এটা কাল্পনিক ধাৰণা।

(iii) আদৰ্শ নমুনা পৰিবৰ্তনশীল।

## অধিক জনিবৰ বাবে ঃ

J.H. TUNER : THE STRUCTURE OF SOCIOLOGICAL THEORY HOMEWOOD, IL : DORSEY PRESS (1974)

F.M. ABRAHAM : MODERN SOCIOLOGICAL THEORY UNIVERSITY PRESS OF AMERICA

R.N. SHARMA & R.K. SHARMA : HISTORY OF SOCIAL THOUGHT. MEDIA PROMOTERS & PUBLISHERS PVT. LTD. BOMBAY

C.N. SHANKAR RAO : SOCIOLOGY, PRIMARY PRINCIPLES.

## সম্ভাব্য প্ৰশ্ন ঃ

(১) আদৰ্শ নমুনা বুলিলে কি বুজা? আদৰ্শ নমুনাৰ বৈশিষ্ট্যবিলাক কি কি? আলোচনা কৰা।

(২) আদৰ্শ নমুনাৰ সংজ্ঞা দিয়া। আদৰ্শ নমুনাৰ শ্ৰেণীকৰণ সম্পৰ্কে আলোচনা কৰা।

## প্ৰসঙ্গ পুথি ঃ

ড° দুৰ্গেশ্বৰ দলে - পাশ্চাত্য সামাজিক চিন্তাধাৰা আৰু সমাজতত্ত্ব ঃ ষ্টুডেণ্টচ এম্পৰিয়াম, ডিব্ৰুগড়।

শ্ৰী গুনমনি নাথ - সমাজ শাস্ত্ৰৰ সিদ্ধান্ত পৰিচয়, বনলতা, গুৱাহাটী - ১; ডিব্ৰুগড় -১

ড° জ্যোতি প্ৰসাদ শইকীয়া - আধুনিক সমাজতাত্বিক বিশ্লেষণ, বিদ্যাভৱন, মহাত্মা গান্ধী পথ, যোৰহাট - ১

ড° বিপুল কুমাৰ গগৈ - সমাজশাস্ত্ৰৰ সিদ্ধান্ত, বনলতা, গুৱাহাটী - ১; ডিব্ৰুগড় - ১

শ্ৰী উৎপল শইকীয়া - সমাজতাত্বিক চিন্তাধাৰাৰ ইতিহাস, ষ্টুডেণ্ট এম্পোৰিয়াম, ডিব্ৰুগড়।

R.N. SHARMA & R.K. SHARMA : HISTORY OF SOCIAL THOUGHT; MEDIA PROMOTERS & PUBLISHERS PVT. LTD. BOMBAY.

# গোট নং - ৩
# প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি আৰু পুঁজিবাদৰ উৎস
# (The Protestant Ethics and Spirit of Capitalism)

## পাঠৰ গঠন বিন্যাস

১.০ উদ্দেশ্য ঃ

১.১ প্ৰস্তাৱনা

১.২ প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি আৰু পুঁজিবাদৰ উৎস,
(The Protestant Ethics and the spirit of capitalism)

১.২.৩ সামৰণি বা অধ্যয়নটিৰ পৰা আমি কি শিকিলো

অগ্ৰগতিৰ খতিয়ান

অধিক জানিবৰ বাবে

সম্ভাব্য প্ৰশ্নাৱলী

প্ৰসঙ্গ পুথি

## ১.০ উদ্দেশ্য ঃ

এই গোটটো অধ্যয়ন কৰিলে তোমালোকে প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি আৰু পুঁজিবাদৰ উৎস সম্পৰ্কে অৱগত হ'ব পাৰিবা। পশ্চিমীয়া দেশবোৰত পুঁজিবাদৰ বিকাশৰ মূল কাৰণ হৈছে প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি আৰু আদৰ্শ। এই গোটটোৰ অধ্যয়ণৰ যোগেদি তোমালোকে পুঁজিবাদৰ লগত প্ৰটেষ্টাণ্ট্ ধৰ্মৰ সম্পৰ্কৰ বিষয়েও জানিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা ঃ

জাৰ্মান দাৰ্শনিক মেক্স ৱেবাৰে সমাজতত্বলৈ আগবঢ়োৱা অৱদান বিলাকৰ ভিতৰত "প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি আৰু পুঁজিবাদৰ উৎস" এক অন্যতম উল্লেখযোগ্য অৱদান। ৱেবাৰৰ বিখ্যাত গ্ৰন্থ "The Protestant Ethics and the Spirit of Capitalism"ত ধৰ্ম আৰু অৰ্থনীতি সম্পৰ্কে এক পুংখানুপুংখ বিশ্লেষণ আগবঢ়াইছে। মেক্স ৱেবাৰৰ আগতে ইমাইল দুৰখেইমে, লিবন, ফ্ৰেজাৰ, এলউদ আদি সমাজ দাৰ্শনিক সকলে ধৰ্ম আৰু সমাজ সম্পৰ্কে তেওঁলোকৰ ধাৰণা আলোচনা কৰি গৈছে। মেক্স ৱেবাৰে তেখেতৰ বিখ্যাত গ্ৰন্থ "The Protestant Ehics and the Spirit of Capitalism" নামৰ গ্ৰন্থখন ১৯০৪ চনত প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে তেখেতে "Sociology of Religion" নামৰ আন এখন গ্ৰন্থ প্ৰকাশ কৰে। মেক্স ৱেবাৰে বহুতো ধৰ্মৰ ওপৰত অধ্যয়ন কৰি তিনিখন বিখ্যাত গ্ৰন্থ প্ৰকাশ কৰে। সেই কেইখন হ'ল - "The Religion of India", "The Religion of China" আৰু "The Ancient Judaism".

মেক্স ৱেবাৰে পশ্চিমীয়া সমাজত পুঁজিবাদৰ উত্থানৰ মূল কাৰণ হিচাপে প্ৰটেষ্টাণ্ট্ ধৰ্মৰ প্ৰভাৱৰ কথা উল্লেখ কৰিছে। ৱেবাৰৰ মতে, এখন সমাজত ধৰ্ম আৰু অৰ্থনীতিৰ মাজত ওতঃপ্ৰোত সম্বন্ধ আছে। মেক্স ৱেবাৰে অৰ্থনৈতিক অৱস্থাৰ ওপৰত ভিত্তি কৰি ধৰ্মৰ প্ৰভাৱ সম্পৰ্কে ব্যাখ্যা আগবঢ়াইছে। ৱেবাৰৰ মতে প্ৰটেষ্টাণ্ট্ ধৰ্মৰ অভ্যুত্থানে পুঁজিবাদী অৰ্থনৈতিক গাঠনিৰ বিকাশত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে। তেখেতে দৃষ্টান্তমূলক ভাৱে প্ৰটেষ্টাণ্ট্বাদৰ লক্ষণ আৰু আধুনিক পুঁজিবাদৰ বিভিন্ন স্বৰূপ, যেনে - উদ্যোগিক অৰ্থনীতি, ব্যৱসায় বাণিজ্য, ব্যক্তিগত সম্পত্তিৰ মালিকীস্বত্ব, সম্পদশালী ব্যক্তিৰ দ্বাৰা উৎপাদনৰ আহিলসমূহ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ বিষয়ে ব্যাখ্যা আগবঢ়াইছে।

## ১.২ প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি আৰু পুঁজিবাদৰ উৎস ঃ (The Protestant Ethics and the Spirit of Capitalism)

মেক্স ৱেবাৰে তেখেতৰ বিখ্যাত গ্ৰন্থ "The Protestant Ethics and the Spirit of Capitalism" নামৰ গ্ৰন্থত পশ্চিমীয়া দেশবোৰত পুঁজিবাদী অৰ্থনীতিৰ বিকাশৰ মূল কাৰণ হিচাপে প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি আৰু আদৰ্শৰ কথা উল্লেখ কৰিছে। খ্ৰীষ্টান ধৰ্মৰ দুটা ভাগ আছে, এটা প্ৰটেষ্টাণ্ট্ আৰু আনটো কেথলিক। প্ৰটেষ্টাণ্ট্ পন্থা সংস্কাৰবাদী আৰু কেথলিক পন্থা ৰক্ষণশীল। আধুনিক পুঁজিবাদী ব্যৱস্থাই অৰ্থনৈতিক গাঠনিক এক নিজস্ব ৰূপত গঢ় দিবলৈ বিচাৰে। পশ্চিমীয়া দেশবিলাকত পুঁজিবাদী অৰ্থনীতিৰ বিকাশত প্ৰটেষ্টাণ্ট্

ধৰ্মৰ নীতি আৰু আদৰ্শই বিশেষভাৱে সহায় কৰে। এই পন্থাৰ অনুগামী সকলৰ বাবে এনে কিছুমান নীতি নিৰ্দেশনা দিয়া হৈছে, যিবোৰ পালন কৰিলে ব্যক্তিৰ আৰ্থিক দিশত উন্নতি হয় আৰু আধুনিক পুঁজিবাদী অৰ্থনীতি গঢ় লৈ উঠে।

প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি মতে কৰ্মই ধৰ্ম, কৰ্মই সত্য, কৰ্মই সুন্দৰ, অৰ্থাৎ কাম কৰাটোৱেই মহৎ গুণ (Work is worship and work is virtue) কাম কৰিলে ভগবানৰ গৌৰৱ বৃদ্ধি কৰা হয়। এনে নীতি নিয়মে ব্যক্তিৰ কৰ্মপ্ৰেৰণা বৃদ্ধিত উদগনি যোগায়। ব্যক্তিয়ে সদায় লাভজনক কামত মনোনিবেশ কৰিব লাগে। অৰ্থাৎ যিবোৰ ক্ৰিয়াৰ দ্বাৰা উৎপাদন বৃদ্ধি পায়, তেনেবোৰ কামত ব্যক্তিয়ে আত্মনিয়োগ কৰিব লাগে। উপাৰ্জনমূলক কামৰ দ্বাৰা যি সম্পদ আহৰণ কৰা হয় তাক অনাহকত খৰচ নকৰি সঞ্চয় কৰিব লাগে। এনেধৰণৰ নীতি অৱলম্বন কৰিলে ব্যক্তিয়ে জীৱনত সম্পদশালী হ'ব পাৰে। সেয়াই হৈছে ভগৱানৰ ইচ্ছা। ব্যক্তিয়ে জীৱনত সফলতা লাভ কৰিলে নৰকবাসৰ পৰা মুক্তি পায়। সেয়েহে উপাৰ্জনশীল বৃত্তি বা ব্যৱসায় গ্ৰহণ কৰিব লাগে আৰু জীৱনত সফল হ'বৰ বাবে কঠোৰ পৰিশ্ৰম কৰিব লাগে। খ্ৰীষ্টান ধৰ্মৰ কেথলিক পন্থাটো হৈছে ৰক্ষণশীল। তেওঁলোকৰ মতে ঋণ দিয়াৰ বাবদ সুদ লোৱাটো অনুচিত। কিন্তু প্ৰটেষ্টাণ্ট্ পন্থা অনুসৰি ঋণৰ বিনিময়ত সুদ লোৱাত কোনো ধৰণৰ বাধা নাই। গতিকে প্ৰটেষ্টাণ্ট্ পন্থা অনুসৰি বিভিন্ন ধৰণৰ ঋণদান সংস্থাৰ জন্ম হ'ল। ইয়াৰ দ্বাৰা অৰ্থনীতিত মূলধন সহজলভ্য হ'ল অৰ্থাৎ এনেধৰণৰ অনুষ্ঠানৰ দ্বাৰা শিল্প-উদ্যোগ আৰু ব্যৱসায় বাণিজ্যৰ মূলধন সহজলভ্য হ'ল। ইয়াৰ দ্বাৰা সমাজত পুঁজিবাদী অৰ্থনীতিৰ বিকাশ সম্ভৱ হ'ল। প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি অনুসৰি মাদক দ্ৰব্য গ্ৰহণ কৰাটো অনুচিত। ইয়াৰ পৰিৱৰ্তে ব্যক্তিয়ে কৰ্মৰ দ্বাৰা পৰিতৃপ্তি লাভ কৰিব পাৰে। তাকে কৰিবলৈ সমাজত শিল্প উদ্যোগৰ বিকাশৰ লগতে ব্যৱসায় বাণিজ্যৰ উন্নতি হৈছিল। প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি অনুসৰি "সময়েই ধন" আৰু "ধনৰ পৰাই ধন" বৃদ্ধি পায়। গতিকে ব্যক্তিয়ে সময় অপব্যয় নকৰি, উপাৰ্জনমূলক কামত আত্মনিয়োগ কৰিব লাগে, যাৰ দ্বাৰা দেশত পুঁজিবাদৰ বিকাশ সাধন হয়। প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি অনুসৰি বন্ধৰ দিন সীমিত হ'ব লাগে, যাৰ দ্বাৰা ব্যক্তিৰ মনত একাগ্ৰতাৰ ভাব বৃদ্ধি পায় আৰু উৎপাদনমূলক কামত আত্মনিয়োগ কৰিব পাৰে। গতিকে বন্ধৰ দিন পালন কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে। বৰঞ্চ এনে কাম কৰাটো ভগৱানৰ ইচ্ছাৰ বিৰুদ্ধ বুলি ধৰা হয়। এই ধৰ্মৰ নিয়মমতে দেওবাৰ আৰু খ্ৰীষ্টমাচৰ দিন দুটাহে বন্ধ হিচাপে পালন কৰিব লাগে। প্ৰটেষ্টাণ্ট্ ধৰ্মই ব্যক্তিক মিতব্যয়ি হোৱাৰ প্ৰেৰণা যোগায়। এই ধৰ্মৰ নীতি মতে সম্পদৰ অপব্যয় কৰি বিলাসিতাপূৰ্ণ জীৱন অতিবাহিত কৰাটো উচিৎ নহয়। প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নিয়ম অনুসৰি ব্যক্তিয়ে বিলাসিতাপূৰ্ণ জীৱন ত্যাগ কৰি সম্পদ আহৰণত আত্মনিয়োগ কৰিব লাগে।

মেক্স ৱেবাৰৰ মতে উপৰোক্ত ভাবাদৰ্শ আৰু নীতি নিয়ম সমূহে প্ৰটেষ্টাণ্ট্ ধৰ্মালম্বীদেশ বিলাকত পুঁজিবাদ ব্যৱস্থাৰ বিকাশত অৰিহণা যোগায়। ধৰ্মই যেতিয়া মানুহক এহাতে কাম কৰাৰ প্ৰৱণতা জাগ্ৰত কৰি সম্পদ আহৰণ আৰু প্ৰয়োগ কৰিবলৈ অনুপ্ৰাণিত কৰে আৰু আনহাতেদি মিতব্যয়ী হ'বলৈ শিকায় তথা সঞ্চয়ৰ বাবে উৎসাহ যোগায়। ফলত তেনে ধৰ্মালম্বী দেশবিলাকত পুঁজিবাদী অৰ্থনীতিৰ বিকাশ হ'বলৈ ধৰে। গতিকে প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি আৰু আদৰ্শই পুঁজিবাদৰ বিকাশত অৰিহণা যোগায়।

মেক্স্ ৱেবাৰে অৰ্থনৈতিক অৱস্থা আৰু ধৰ্মৰ সম্পৰ্ক ব্যাখ্যা কৰিবলৈ কেৱল

প্ৰটেষ্টাণ্ট্ ধৰ্মৰ তুলনামূলক অধ্যয়নকেই আগবঢ়োৱা নাই। মেক্স ৱেবাৰে হিন্দু, ইছলাম, বৌদ্ধ, জৈন, কনফুচিয়াচ ইত্যাদি ধৰ্মবিলাক অধ্যয়ন কৰি এটা সিদ্ধান্তত উপনীত হয় যে, এই ধৰ্মবিলাকে আধ্যাত্মিক দিশৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিছে। অৰ্থাৎ এই ধৰ্মবিলাকে বস্তুবাদী দিশটো উপেক্ষা কৰিছে। ফলস্বৰূপে এনে ধৰ্মৰ প্ৰভাৱ থকা দেশবিলাকত পুঁজিবাদৰ বিকাশ হোৱা নাই। অৰ্থাৎ ধৰ্মীয় দিশৰ পৰা বিচাৰ কৰিলে দেখা যায় যে যি বিলাক দেশে বস্তুবাদী আদৰ্শক উপেক্ষা কৰিছে তেনেবিলাক দেশত পুঁজিবাদৰ বিকাশ হোৱা নাই আৰু অৰ্থনৈতিক দিশত আগবাঢ়ি যাব পৰা নাই। মেক্স ৱেবাৰে তেখেতৰ আলোচনাৰ জড়িয়তে প্ৰটেষ্টাণ্ট্ ধৰ্মৰ নীতি আৰু আদৰ্শৰ ফলস্বৰূপে পশ্চিমীয়া দেশবিলাকত পুঁজিবাদ ব্যৱস্থাৰ বিকাশ হোৱাৰ কথা উল্লেখ কৰিছে।

## ১.২.৩ সামৰণি বা অধ্যয়নটিৰ পৰা আমি কি শিকিলো

ইতিমধ্যে আমি গোটটি অধ্যয়ন কৰি প্ৰটেষ্টাণ্ট্ ধৰ্ম নীতি আৰু পুঁজিবাদৰ উৎস সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰিলো। মেক্স ৱেবাৰে পশ্চিমীয়া সমাজত পুঁজিবাদৰ অভ্যুত্থান প্ৰটেষ্টাণ্ট্ ধৰ্মৰ প্ৰতিক্ৰিয়া হিচাপে ধৰ্ম আৰু অৰ্থনীতিৰ মাজত থকা সম্পৰ্কৰ ব্যাখ্যা বুজিব পাৰিলো আৰু লগতে অৰ্থনৈতিক অৱস্থাৰ ওপৰত ভিত্তি কৰি ধৰ্মৰ প্ৰভাৱ সম্পৰ্কে তেওঁৰ ব্যাখ্যাও বুজিব পাৰিলো।

### অগ্ৰগতিৰ খতিয়ান ঃ

(ক) খ্ৰীষ্টান ধৰ্মৰ ভাগ কেইটা আৰু কি কি?

______________________________
______________________________
______________________________

(খ) প্ৰটেষ্টাণ্ট্ ধৰ্মই পশ্চিমীয়া সমাজত কোনবিলাক দিশত প্ৰভাৱ পেলাইছে।

______________________________
______________________________
______________________________

### খতিয়ানৰ উত্তৰ ঃ

(ক) খ্ৰীষ্টান ধৰ্মৰ ভাগ দুটা, যেনে - প্ৰটেষ্টাণ্ট্ আৰু কেথলিক।

(খ) প্ৰটেষ্টাণ্ট্ ধৰ্মৰ প্ৰভাৱে পশ্চিমীয়া দেশবোৰত উদ্যোগীকৰণ আৰু ব্যৱসায় বাণিজ্য ইত্যাদি দিশত প্ৰভাৱ পেলাইছিল।

**প্ৰসঙ্গ পুথি ঃ**


ড° বিপুল কুমাৰ গগৈ ঃ সমাজশাস্ত্ৰৰ সিদ্ধান্ত; বনলতা, ডিব্ৰুগড় - ১ ; গুৱাহাটী - ১

শ্ৰী উৎপল শইকীয়া ঃ সমাজতাত্ত্বিক চিন্তাধাৰাৰ ইতিহাস, ষ্টুডেণ্ট এম্পোৰিয়াম, ডিব্ৰুগড়

R.N. Sharma : History of Social Thought; Media R.K. Sharma : Promoters & Publishers Pvt. Ltd. Bombay


**অধিক জানিবৰ বাবে ঃ**


Weber, Max - The Protestant Ethic and the Spirit of Capitalism, New York, Scribners, (1958) (1904-05)

Abraham F.M. - Modern Sociological Theory, University Press of America

Sharma R.N. & Sharma R.K. - History of Social Thought, Media promoters & Publishers Pvt. Ltd. Bombay.

Tuner J.H. - The Structure of Sociological Theory Homewood, TL: Dorsey Press (1974)


**সম্ভাব্য প্ৰশ্ন ঃ**

(ক) ধৰ্মই অৰ্থ-নীতিৰ ওপৰত কেনে প্ৰভাৱ পেলায়? আলোচনা কৰা।

(খ) প্ৰটেষ্টাণ্ট্ ধৰ্মই পশ্চিমীয়া সমাজত কেনে ধৰণে প্ৰভাৱ বিস্তাৰ কৰিছিল আলোচনা কৰা।

## প্ৰসঙ্গ পুথি ঃ

ড° দুৰ্গেশ্বৰ দলে - পাশ্চাত্য সামাজিক চিন্তাধাৰা আৰু সমাজতত্ত্ব; ষ্টুডেণ্টচ্ এম্পৰিয়াম, ডিব্ৰুগড়।

শ্ৰী গুণমণি নাথ - সমাজশাস্ত্ৰৰ সিদ্ধান্ত পৰিচয়; বনলতা, গুৱাহাটী - ১ ; ডিব্ৰুগড় - ১

ড° জ্যোতি প্ৰসাদ শইকীয়া - আধুনিক সমাজতত্ত্বৰ বিশ্লেষণ ; বিদ্যাভৱন, মহাত্মা গান্ধী পথ, যোৰহাট - ১